

# শিৱসাগৰ ছোৱালী কলেজ আলোচনী



# শিৱসাগৰ ছোৱালী কলেজ আলোচনী

The Sibsagar Girls' College Library

তমসো মা জ্যোতির্গময়

শিৱসাগৰ ছোৱালী কলেজ

**বছৰেকীয়া প্ৰকাশ ঃ পঞ্চম সংখ্যা ঃ ১৯৭৭ চন**

ভাৰপ্ৰাপ্ত অধ্যাপকদ্বয় ঃ
শ্ৰীদ্ৰোণ কলিতা
শ্ৰীসোণাৰাম বৰুৱা

সম্পাদিকা ঃ
শ্ৰীঅনুৰূপা হুৱৰা

সম্পাদনা সমিতি ঃ

অধ্যক্ষ বীৰেন বৰকটকী, সভাপতি ঃ ছাত্ৰী একতা সভা
উপাধ্যক্ষা নীলিমা বৰুৱা, উপসভানেত্ৰী ঃ ছাত্ৰী একতা সভা

অধ্যাপক দ্ৰোণ কলিতা
অধ্যাপক সোণাৰাম বৰুৱা
শ্ৰীঅঞ্জুলীমা বৰুৱা
শ্ৰীবন্দনা দাস
শ্ৰীঅনুৰূপা হূৰবা, সম্পাদিকা, কলেজ আলোচনী।

উপদেষ্টা :

অধ্যাপক দ্ৰোণ কলিতা
অধ্যাপক সোণাৰাম বৰুৱা

বেটুপাত অঙ্কণ ঃ
ব্ৰজেন কাকতি
শিৱসাগৰ

বেটুপাতৰ পৰিচয় ঃ

আহোম স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহৰ ( ১৭৫১-৬৯ ) কাৰেংঘৰ সজোৱা খনিকৰ ঘনশ্যাউদ্দিনৰ থকা ঘৰত পোৱা ভাস্কৰ্য্যৰ আৰ্হিত এই বেটুপাত অঙ্কণ কৰা হৈছে। পুৰাতত্ত্ব বিভাগৰ মতে এই ভাস্কৰ্য্যক Tera-Cotta art বোলা হয়। অসমৰ অন্যান্য দ'ল বা মঠ-মন্দিৰবিলাকত এনে ভাস্কৰ্য্য পোৱা নাযায়। জয়সাগৰ পুখুৰীৰ দক্ষিণ-পশ্চিম যমুনাত অৱস্থিত এই দ'লটি নাতি গোসাঁইৰ দ'ল বুলিও জনা যায়।

মুদ্ৰক ঃ
ভাৰতী প্ৰেছ, যোৰহাট-১ তৰাজান

# ব্যক্তিৰ শুভেচ্ছা বাণী

শ্ৰীহিতেশ্বৰ শইকীয়া
মন্ত্ৰী,
গৃহ, তথ্য আৰু জনসম্পৰ্ক আৰু
সাংস্কৃতিক বিভাগ, অসম।

দিশপুৰ
পোঃ আঃ অসম সচিবালয়
গুৱাহাটী-৬
তাং ২০।১।৭৭

শিৱসাগৰ ছোৱালী কলেজৰ একতা সভাৰদ্বাৰা প্ৰকাশিত মুখপত্ৰখনিৰ চলিত বছৰৰ বাবে বছৰেকীয়া সংখ্যাটো প্ৰকাশ কৰিবলৈ লোৱা বুলি জানি সুখী হলোঁ। আৰু এই সজ প্ৰচেষ্টাৰ বাবে কলেজৰ ছাত্ৰীসকললৈ মোৰ আন্তৰিক অভিনন্দন জনালোঁ।

ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্য তথা জ্ঞান চৰ্চা আৰু নিজস্ব প্ৰতিভা বিকাশৰ ক্ষেত্ৰত বিদ্যালয়সমূহত প্ৰকাশ পোৱা আলোচনীবিলাকৰ দায়িত্বৰ কথা পুনৰ দোহাৰিবৰ প্ৰয়োজন নকৰে। ইয়াৰ অৱদান অতি তাৎপৰ্য্যপূৰ্ণ।

বছৰেকীয়া মুখপত্ৰখনিৰ প্ৰতি সফলতা কামনা কৰি আশা ৰাখিছোঁ যাতে এই প্ৰকাশনে শিৱসাগৰ ছোৱালী কলেজৰ সমূহ ছাত্ৰীৰ জ্ঞান বিকাশৰ ক্ষেত্ৰত অৰিহণা যোগায়।

মুখপত্ৰখনিলৈ আন্তৰিক শুভেচ্ছা জনালোঁ।

( হিতেশ্বৰ শইকীয়া )

Vice-Chancellor's Office
ক্ৰমিক নং ৫৪০
তাং ১।৮।৭৭
Dibrugarh University.

শ্ৰীমতী অনুৰূপা হ্ৰবা
আলোচনী সম্পাদিকা, ছাত্ৰী একতা সভা,
শিৱসাগৰ ছোৱালী কলেজ, শিৱসাগৰ।

শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ মুখপত্ৰখনিৰ পঞ্চম সংখ্যাটো প্ৰকাশ কৰিবলৈ যো-জা কৰাৰ বাতৰি পাই সুখী হলোঁ। শিৱসাগৰ এখন প্ৰাচীন ঐতিহ্যমণ্ডিত ঠাই। সাহিত্য-সংস্কৃতিৰ ঐতিহ্যত এই ঠাইৰ বৰঙনি লেখত ল'বলগীয়া। আহোম ৰাজত্বৰ সময়ৰেপৰা শিৱসাগৰে জাতীয় জীৱনৰ গঠন আৰু বিকাশৰ ক্ষেত্ৰত বাৰে-ৰবণীয়া সমলেৰে বৰঙনি দি আহিছে। মহাসতী জয়মতীৰ ত্যাগ, সহিষ্ণুতা আৰু দেশপ্ৰেমৰ আদৰ্শ চিৰযুগমীয়া। সেই শিৱসাগৰ নগৰৰে এখনি ছোৱালী কলেজৰ দায়িত্ব অতি গুৰুত্বপূৰ্ণ। কৈশোৰ পাৰ হৈ যৌৱনত ভৰি দিয়া ছাত্ৰ-ছাত্ৰীৰ মনত যেতিয়া বিভিন্ন বিষয়ৰ চিন্তা-চৰ্চাৰ পোখা মেলিবলৈ ধৰে, তেতিয়া নৱ উন্মেষিত প্ৰতিভাই প্ৰকাশৰ পথ বিচাৰে। কলেজৰ আলোচনী এখন উঠি অহা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ এটি উত্তম মাধ্যম। ছোৱালী কলেজৰ আলোচনীখনিত প্ৰতিভাসম্পন্না ছাত্ৰীসকলৰ বিভিন্ন বিষয়ৰ ৰচনা-সম্ভাৰ প্ৰকাশিত হ'ব বুলি আশা কৰি আলোচনীখনিৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

শৈলধৰ গগৈ,
উপাচাৰ্য্য, ডিব্ৰুগড় বিশ্ববিদ্যালয়

## সূচী


**সম্পাদকীয় :**

**প্ৰবন্ধ**

সমাজ সংস্কাৰক শ্ৰীমন্ত শঙ্কৰদেৱ ১

ধৰ্ম্ম আৰু ইয়াৰ সামাজিক গুৰুত্ব ৬

সাহিত্যকাণ্ডাৰী ৺পদ্মনাথ গোহাঞিবৰুৱাৰ সাহিত্য প্ৰতিভা ৯

ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ ১৪

ৰঘুনাথ চৌধাৰীৰ "কেতেকী" ১৭

সমাজ আৰু সংস্কৃতি ২১

অসমীয়া সাহিত্যলৈ মহিলা লেখিকাৰ অৱদান ২৫

**কবিতা :**

দুটি কবিতা ॥ ৩০ ॥ আৰ্ত্তনাদ ॥ ৩১ ॥ আগমনি — এটি নতুন পুৱাৰ ॥ ৩২ ॥ খতিয়ান ॥ ৩৩ ॥ বিস্মৃতি ॥ ৩৩ ॥ প্ৰস্তুতি ॥ ৩৪ ॥ নতুন প্ৰতীতি ॥ ৩৫ ॥ স্বপ্ন এটা অতৃপ্ত আত্মাৰ ॥ ৩৬ ॥ অনুভূতি মোৰ মনৰ ॥ ৩৭ ॥ দুটা কবিতা ॥ ৩৮ ॥

**গল্প :**

এক সঁচা গল্পৰ কাহিনীৰে ৩৯

ভাগ্যৰ লিখন ৪৫

তেজে ধোৱা টকা ৪৯

প্ৰতিবাদ ৫১

গৰীৱৰ সংসাৰ ৫৪

দুৰ্ঘটনা ৫৮

**ৰম্যৰচনা : মানুহৰ চকু** ৬২

**জীৱনী :**

শল্যচিকিৎসক নৰ্মান বেথুন। ৬৫
(কৰ্ম্ম আৰু মানৱ সমাজ)

বিভাগীয় সম্পাদিকাৰ প্ৰতিবেদন ৬৮

শিৱসাগৰ ছোৱালী কলেজ
আলোচনী

# অসমীয়া বিভাগ

উপদেষ্টা ঃ
অধ্যাপক দ্ৰোণ কলিতা
অধ্যাপক সোণাৰাম বৰুৱা

সম্পাদিকা
শ্ৰীঅনুৰাগা দুৱৰা

# সম্পাদকীয় ঃ

॥ সাহিত্য আৰু সমাজ ॥

সাহিত্য আৰু সমাজ—দুয়োটাৰে সম্পৰ্ক অতি ওচৰ। ইটো নহ'লে সিটো জীয়াই থাকিব নোৱাৰে। সাহিত্যবিহীন সমাজ মূল্যহীন ; আকৌ সমাজহীন সাহিত্যও পঙ্গু। সমাজক লৈ সাহিত্য জীয়াই আছে। সাহিত্য জীয়াই আছে সমাজৰ কাৰণে, তথা সমাজৰ জন-গণৰ কাৰণে। যুগে যুগে সমাজ সচেতন লেখকে নিজৰ কৰ্ত্তব্যৰ বিষয়ে চিন্তা কৰি সমাজৰ এচাম লোকক অন্ততঃ আঙুলি দেখুৱাবলৈকে লিখে। এওঁলোকৰ সাৰ্থকতাৰ কাৰণে সামান্যভাৱে হ'লেও কিছু সজাগ। ইউৰোপীয় সাহিত্য এসময়ত জাগ্ৰত হৈছিল তেওঁলোকৰ দেশবিলাক বিদেশীয়ে আক্ৰমণ কৰোঁতে। সেই সচেতনতা প্ৰকাশ পাইছিল ৰচনাত। তাৰ আঙুলি আমি গ্ৰীক সাহিত্যত পাওঁ। ফ্ৰান্সৰ সাহিত্যতো জাতীয়তা বোধ, অৰ্থনৈতিক সমীক্ষা আৰু শোষকৰ নীতিবিলাকৰ বৰ্ণনা আছিল। সেইধৰণৰ লেখনীয়ে জাতিটোক বেছি সজাগ কৰি দেশৰ প্ৰতি ধাউতি বেছিকৈ বঢ়াই তুলি বিদ্ৰোহৰ সৃষ্টি কৰিব পাৰিছিল। সেইবোৰক আমি দেশজয়ী সাহিত্য বুলি ক'ব পাৰোঁ। সেই সাহিত্যবিলাকে সেই সময়ছোৱাৰ ভিতৰত মানৱ মনত ভালকৈ বেখাপাত কৰিছিল। সেইবাবে সিবোৰক কাল-জয়ী সাহিত্য আখ্যা দিলেও অত্যুক্তি কৰা নহ'ব নিশ্চয়। সময় গতিশীল। সাহিত্যও পৰিৱৰ্ত্তনশীল। পৰিবৰ্ত্তনৰ চকৰিত ঘূৰা সাহিত্য আৰু মানৱ মন দুয়োটায়েই বোধকৰোঁ সচেতন। সাম্প্ৰতিক সময়-ছোৱাত মানুহৰ অলেখ সমস্যা উদ্ভৱ হোৱাত জীয়াই থাকিবলৈ মানুহে কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হৈছে। সেই হেতু বৰ্ত্তমান সময়ৰ সাহিত্যৰ বুকুত লেখকে সমাজক সংগ্ৰামশীল সাহিত্যকেই দিবলগীয়া হৈছে নিশ্চয়। আজিৰ সাহিত্য সামন্তবাদী—আৰামী সাহিত্য নহয়। আজিৰ সাহিত্য সমস্যাবহুল সাহিত্য-কৰ্ম্মৰত এচাম মানুহৰ কাৰণে। সময়ৰ লগত খাপখোৱা সাহিত্য সৃষ্টি কৰিবলৈ সাহিত্যিক অথবা লেখকক সময়েই বাধ্য কৰায়। কাৰণ যি সাহিত্যত মানুহৰ জীৱনৰ কথা নাথাকে সেই সাহিত্যক তেওঁলোকে নিজৰ সাহিত্য বুলি স্বীকাৰ কৰি ল'বলৈ টান পায়।

(সাহিত্যিক) লেখকৰ সাহিত্যৰ বুকুত জাতিৰ ভাৱ-চিন্তা, গঢ়-গতি, সভ্যতা-সংস্কৃতি আৰু জাতীয়তাবোধ লুকাই থাকে। সাহিত্য-সংস্কৃতি, কলা-কৃষ্টি হৈছে এটা জাতিৰ উন্নতিৰ সম্বল। যি জাতিৰ সাহিত্য-সংস্কৃতি যিমান চহকী অথবা উন্নত সেই জাতিৰ সাহিত্যও সিমানেই প্ৰগতিশীল। উচ্চ মানদণ্ডবিশিষ্ট সাহিত্যৰ মাজত সমগ্ৰ জাতিটোৰ ভাৱাদৰ্শ আৰু সচেতনতাবোধ ঢাক খাই থাকে। কেৱল সেয়াই নহয় সাহিত্যৰ মাধ্যমেদি প্ৰকাশ কৰিবলৈ বিচৰা চিন্তাধাৰা, আদৰ্শ আৰু সচেতনতাই শেহাগুৰত ব্যক্তি বিশেষৰ, জাতিৰ আৰু যুগৰ গভীৰ উপকাৰ সাধন কৰে বুলি অনুমান হয়। কেতিয়াবা সাহিত্যই সমাজৰ স্বাভাৱিক গতিৰপৰা উন্নীত হৈ সৰ্বলোকৰ, সৰ্বজাতিৰ আৰু সকলো যুগৰে ভাৱধাৰা, আদৰ্শ আৰু সচেতনা হিচাপে ধৰা দিয়ে। এই স্তৰলৈ সাহিত্য উন্নীত হলেই যুগোত্তীৰ্ণ সাহিত্যৰূপে পৰিগণিত হয় যেন লাগে।

কোনো কোনো লোকে কোৱা শুনা যায় যে অসমত শিক্ষিতৰ সংখ্যা অনেক বাঢ়িছে। নতুন নতুন আলোচনী, বাতৰি কাতত ওলাইছে। বিশ্ববিদ্যালয় পৰ্য্যন্ত অসমীয়া মাধ্যমেৰে শিক্ষাদানৰ ব্যৱস্থা হৈছে। এটা কথাত এইবিলাক সাহিত্য অথবা জাতিৰ শুভ লক্ষণ বুলি ক'বও পাৰি। সেই বুলি পৃথিবীৰ চহকী জাতীয় সাহিত্যৰ কথা পাহৰিলে নহ'ব।

আলোচনী সাহিত্যৰ বাবে অসমীয়া আলোচনীৰ দুখ লগা অৱস্থাৰ কথা নিশ্চয় সোঁৱৰণ কৰিব লাগিব। পূৰ্ণ বয়স নৌ-পাওঁতেই অসমীয়া আলোচনীৰ অপমৃত্যু হয়।

স্বীকাৰ কৰিব লাগিব আমাৰ জীৱন আজি বিচ্ছিন্ন, বিক্ষিপ্ত—খণ্ড-বিখণ্ড। সম্প্ৰতি আমাৰ দেশ দোৰ্ঘোৰ সংকটৰ সম্মুখীন হৈছে। পশ্চিমীয়া বস্তুবাদ আৰু বস্তুবাদী মোহে সমগ্ৰ ভাৰতীয় জীৱনক পঙ্গু কৰিছে। দেহ ৰক্ষাই, জীৱন ধাৰণেই জীৱনৰ অন্যতম সমস্যা হৈ পৰিছে। অন্ন বস্ত্ৰ সমস্যা সমাধানৰ কাৰণে, ৰাষ্ট্ৰীয় কল্যাণৰ সংহতিৰ কাৰণে দুৰ্নীতিক য'ত ৰজা-প্ৰজা সকলোৱে অসহায়ভাৱে যুগধৰ্ম্ম বুলি প্ৰণাম জনায়, জীৱনৰ ওচৰত, জয়ী হোৱাৰ নামত আত্মহত্যাক যেতিয়া যুৱক-যুৱতীয়ে বীৰত্বৰ পৰাকাষ্ঠা বুলি গণ্য কৰা হয়, তেতিয়া বাল্মীকি-কালিদাসৰ কাব্য, নাটকৰ আদৰ্শ নায়কৰ জানো জন্ম হ'ব? আজি ভাৰতত নিবনুৱা সমস্যাই যি ভয়ঙ্কৰ ৰূপ ধাৰণ কৰিছে তাৰ ফলস্বৰূপে ভাৰতীয় গ্ৰাম্য জীৱনৰ দৰিদ্ৰ, পীড়িত লোকসকল ক্ষুধাৰ তাড়নাত ক্ৰমাগত মৃত্যুৰ মুখলৈ গৈহে আছে। ভাৰতীয় বাইজৰ সম্মুখত দেখা দিয়া এই দৃশ্যই এনে এক বিকৃত অৱস্থাৰ সৃষ্টি কৰিছে, যি অৱস্থাত কোনোবা আদৰ্শবাদী কবিয়েও দুপৰৰ সূৰ্য্যটো কেহৰাজ বৰণীয়া দেখিছে।

॥ আমাৰ শ্ৰদ্ধাঞ্জলি ॥

মানুহ মৰণশীল; কিন্তু সকলো মানুহৰ মৃত্যুৱে সকলোকে কন্দুৱাব নোৱাৰে; কিন্তু এনে কিছুমান ব্যক্তি আছে যাৰ মৃত্যুৱে সকলোকে কন্দুৱাই থৈ যায়। তেনে ব্যক্তিৰ জন্মই তেনে ব্যক্তিৰ মৃত্যুৱেই সাৰ্থকতা লাভ কৰে। এই বছৰতে অসমী আইৰ বুকুৰপৰা কেইবাজনো সুযোগ্য সন্তানক নিয়তিয়ে হৰি নিলে। তাৰ ভিতৰত ভাৰতৰ ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহমদ, একেধাৰে ৰাজনীতিবিদ, শিক্ষাবিদ, সুসাহিত্যিক, প্ৰবন্ধকাৰ সমালোচক হেম বৰুৱা। সুপ্ৰখ্যাত সাংবাদিক ৰাধাগোবিন্দ বৰুৱাই মৃত্যুৰ শীতল ক্ৰোৱাত ঠাই ল'লে। এইসকলৰ মৃত্যুত আমি শোকাভিভূত হৈ মূৰ দোঁৱাই মৌন শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

॥ আলোচনী সম্পৰ্কে ॥

আলোচনী এখনৰ সম্পাদিকাৰ নিচিনা একোটা গুৰু দায়িত্ব বহন কৰিবলৈ যিমান সহজ সেই দায়িত্ব সুচাৰুৰূপে পালন কৰি চাবিওফালৰপৰা এখন সৰ্বাঙ্গ সুন্দৰ আলোচনী সম্পাদনা কৰি উলিওৱাটোও সিমানেই জটিল হৈ পৰে। এই ক্ষেত্ৰত সোমাই পৰা প্ৰত্যেকেই এই কথা স্বীকাৰ নকৰি নোৱাৰে। কাৰণ যিমানেই মৌলিক প্ৰবন্ধ-পাতি উঠে সিমানেই আলোচনীৰ মানো উচ্চ মানৰ হয়। অপ্ৰিয় হ'লেও এইটো নিৰ্ঘাত সত্য যে আমাৰ ছাত্ৰীসকলৰ মাজত মৌলিক চিন্তাৰ অভাৱ

সকলো দিশতে বিদ্যমান। তদুপৰি প্ৰবন্ধ-পাতি দিয়াতো অতি পলম কৰে। লিখিতভাৱে বহুতো-বাৰ আবেদন নিবেদন কৰাৰ পিছতো উপযুক্ত পৰিমাণৰ প্ৰবন্ধ-পাতি সংগ্ৰহ কৰিব পৰা নগ'ল। সেয়েহে মনঃপুতভাৱে আলোচনীখন প্ৰকাশ কৰিব পৰা নহ'ল।

অন্যান্য বহুতো অসুবিধাবশতঃ সময়ৰ পাখি লগা কাঁড় সময়ত উৰাই দিব পৰা নগ'ল। সেয়েহে আলোচনীখন নিৰ্দ্দিষ্ট সময়তকৈ বহু পলমকৈহে পোহৰলৈ আহিল। তদুপৰি আলোচনীখনত বহুতো ত্ৰুটী-বিচ্যুতি, অভাৱ পৰিলক্ষিত হৈছে তাব বাবে সম্পাদিকাস্বৰূপে সকলোৰে ওচৰত ত্ৰুটী মাৰ্জ্জনাৰ ৰাঙলী শৰাইখন আগবঢ়ালোঁ।

'জুইশালত গঢ়িলেহে কমাৰশালত গঢ়িব পাৰে' — ঠিক সেইদৰে শিক্ষানুষ্ঠানত পঢ়ি থকা কালছোৱাত আলোচনী প্ৰকাশৰ বাবে প্ৰবন্ধ-পাতি লিখাৰ অভ্যাসে সময়ত একোজন প্ৰতিভাবান লেখকৰ শাৰীলৈ উন্নীত কৰিব পাৰে। তদুপৰি লেখক হওঁ-নহওঁ দোমোজাত থকাসকলৰ ওপৰত শিক্ষানুষ্ঠানৰ আলোচনীয়ে বহুতভাৱে প্ৰভাৱ পেলাব পাৰে। এনে কিছুমান লোক আছে, যিসকলৰ প্ৰকাশৰ সুবিধা নথকাৰ বাবেই প্ৰতিভা বিকশিত হৈ নুঠে। তেনেবোৰ লেখকৰ মাজত সৃষ্টিৰ প্ৰেৰণা যোগাবলৈ শিক্ষানুষ্ঠানৰ আলোচনীৰ আৱশ্যক। এইখিনিতে উনুকিয়াই থওঁ যে সাতশ-আঠশ ছাত্ৰীৰ আশা-আকাঙ্ক্ষাক বাস্তৱত ৰূপ দিবৰ বাবে আমাৰ শিৱসাগৰ ছোৱালী কলেজৰ আলোচনী-খনৰ কলেৱৰ আৰু বেছি ডাঙৰ হোৱা নিতান্তই বাঞ্ছনীয়। শিৱসাগৰ ছোৱালী কলেজৰ আলোচনী-খনৰ কলেৱৰ বৃদ্ধিৰ লগে লগে দীৰ্ঘায়ু হওক — এয়ে কামনা।

**॥ কৃতজ্ঞতা জ্ঞাপন ॥**

যিসকল ছাত্ৰী বান্ধৱীয়ে শিৱসাগৰ ছোৱালী কলেজৰ আলোচনী সম্পাদনাৰ নিচিনা এটা সেৱাকাৰ্য্যত আত্মনিয়োগ কৰিবলৈ সুবিধা দিলে, যিসকলে আলোচনীৰ কাৰণে বিভিন্ন প্ৰবন্ধ-পাতি দি সহায় কৰিলে, তেওঁলোকলৈ মোৰ জন্ম-জন্মতে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আলোচনীখনৰ মই সম্পাদিকাহে, সকলো কাম আলোচনীৰ তত্ত্বাৱধায়ক শ্ৰীসোণাৰাম বৰুৱা আৰু শ্ৰীদ্ৰোণ কলিতাদেৱেহে চলাইছে, সেইবাবে তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। প্ৰায়খিনি প্ৰবন্ধ-পাতি শ্ৰীঅঞ্জলীমা বৰুৱাই পাণ্ডুলিপি ঠিক কৰি দিয়াৰ বাবে কৃতজ্ঞ নহৈ নোৱাৰোঁ। শ্ৰীটুনুবাণী গগৈ, শ্ৰীপ্ৰীতিৰেখা দত্ত আদিকে কেন্দ্ৰ কৰি খিকেইগৰাকী ছাত্ৰী বান্ধৱীয়ে দুই-এটা প্ৰবন্ধৰ পাণ্ডুলিপি কৰি দিছিল, সেই সকললৈয়ো আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

গৃহমন্ত্ৰী মাননীয় শ্ৰীহিতেশ্বৰ শইকীয়াদেৱ (বৰ্ত্তমান শিক্ষামন্ত্ৰী) আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য মহোদয় শ্ৰীশৈলধৰ গগৈদেৱে আলোচনীখনলৈ একোটাকৈ শুভেচ্ছা বাণী পঠোৱাৰ বাবে তেখেতসকললৈ শিৱসাগৰ ছোৱালী কলেজৰ সমূহ ছাত্ৰীৰহৈ মই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

—সম্পাদিকা

# সমাজ সংস্কাৰক

## শ্ৰীমন্ত শঙ্কৰদেৱ

শ্ৰীনিৰূপা ভূঞা
দ্বিতীয় বাৰ্ষিক, প্ৰাক্-স্নাতক

সৃষ্টিৰ পাতনিৰেপৰা বৰ্ত্তমান অৱস্থালৈকে পৃথিৱীৰ বুকুত নানান পৰিবৰ্ত্তন, নানান যুগৰ উত্থান-পতন হৈয়ে আহিছে। জগতৰ ইতিহাসত দেখা যায় যে যেতিয়াই সংসাৰত বিদ্বেষ-কালিমাই ঠাই লয়হি, পাপৰ মাত্ৰা দিনে দিনে বাঢ়ি আহে, ব্যভিচাৰ, অনাচাৰ, অত্যাচাৰে দেখা দিয়ে ; ৰাজনীতি, সমাজনীতি সকলোতে বেমেজালিৰ সৃষ্টি হয়, পৰস্পৰৰ মাজত হিংসা হিংসিৰ ভাৱ পোষণ হয়, মানুহে মানুহক পশু জ্ঞান কৰি হত্যাকাণ্ডৰ পাতনি মেলে, ধৰ্ম্মৰ নামত কলঙ্ক সানি প্ৰাণীশ্ৰেষ্ঠ মানৱ আগবাঢ়ে অন্ধকাৰ গহ্বৰৰ ফালে ; তেতিয়াই ঈশ্বৰপ্ৰেৰিত মহাপুৰুষসকলে সংসাৰত জন্ম গ্ৰহণ কৰি সেই অনাচাৰ-অত্যাচাৰ আদি দূৰ কৰি ভগৱানৰ প্ৰেমবাণী মানৱৰ সমাজত প্ৰচাৰ কৰি মানৱক আলোক পথৰ সন্ধান দি কুবাট গৰাহৰপৰা উদ্ধাৰ কৰে। যেতিয়া ৰোমত অন্যায়-অত্যাচাৰ বিয়পি পৰিছিল, ইহুদীসকলে মানৱৰ মাজত অন্ধবিশ্বাস সুমুৱাই দি মানৱক অন্ধপথে লৈ গৈছিল, তেতিয়াই যীশুৱে জন্ম গ্ৰহণ কৰি সেই অন্যায়-অত্যাচাৰ দূৰ কৰি মানৱক ঈশ্বৰৰ সন্ধান দিবলৈ সবল ধৰ্ম্মবাণী প্ৰচাৰ কৰিলে। যেতিয়া আৰৱৰ মৰুপ্ৰান্তত শত সহস্ৰ বিগ্ৰহৰ পূজাৰে শান্তি প্ৰতিষ্ঠা কৰিব নোৱাৰিলে, দিনে দিনে হিংসা হিংসি বৃদ্ধি হ'ল, চাৰিওফালে ভীষণ আৰ্ত্তনাদৰ সৃষ্টি হ'ল, তেতিয়াই সেই কুআচৰণ, অন্যায়-অত্যাচাৰ নাশ কৰি ভগৱানৰ প্ৰেম বাণী প্ৰচাৰ কৰিবৰ কাৰণে জন্ম হ'ল মহাপুৰুষ হজৰত মহম্মদৰ। ঠিক সেইদৰেই এদিন অসমী মাতৃৰ সেউজীয়া সুকোমল বুকুতো অন্যায় অত্যাচাৰ, ব্যাভিচাৰে ভৰি পৰিছিল, মানুহে মানুহক পশু জ্ঞান কৰি হত্যা কৰিছিল, ৰাজনীতি, সমাজনীতি সকলোতে বেমেজালিয়ে দেখা দিছিল, মন্দিৰে মন্দিৰে শত শত দেৱ-দেৱীৰ পূজাৰ নামত বলি চলিছিল, নৰ ৰক্তেৰে দেউল সাজি মাতৃৰ বুকু ৰক্তেৰে ৰঞ্জিত কৰিছিল, ধৰ্ম্মৰ নামত কলঙ্ক সানি পৱিত্ৰ এক ঈশ্বৰৰ নামৰ ঠাইত পৃথকে পূজা-অৰ্চ্চনা কৰি প্ৰাণীশ্ৰেষ্ঠ মানৱ অন্ধকাৰ গুহাৰ ফালে চাপ লৈছিল, তেতিয়াই সেই অন্যায়-অত্যাচাৰ খেদি, অন্ধ আৱৰণ ছেদ কৰি মানৱক উদ্ধাৰ কৰিবৰ বাবে অন্ধকাৰৰ প্ৰাচীৰ ভাঙি ১৩৭১ শকৰ আহিন মাহত বাৰ ভূঞা বংশত উদয় হ'লহি দীপ্তিময়ী শঙ্কৰসূৰ্য্য। নাশ হ'ল তিমিৰৰাশি। বিদায় ল'লে কালিমা-ৰাজিয়ে। অসমীৰ আকাশে-পাতালে নিনাদিত হৈ উঠিল ভগৱানৰ বাণী। মাতৃৰ তাপিত হিয়া শাত

কবি বুকুৰ ওপৰে প্ৰৱাহিত হ'ল বৈষ্ণৱ ধৰ্ম্মৰ প্ৰেম ৰস। পৰস্পৰৰ মাজত জাগি উঠিল প্ৰেম ভাৱ। চিনি পালে মানৱে সকলোটিয়েই এক পৰম পিতাৰ সন্তান বুলি। সেয়েহে কবিয়ে গাইছে :

"সেইদিনা শৰতৰ পূৰ্ণিমাৰ জোন
জিলিকিলে অসমৰ নীল আকাশত
মমতাৰে ভৰি গ'ল পৰ্ব্বত-ভৈয়াম ;
ইটিয়ে সিটিয়ে চিনি ল'লে সোনাকত।"

মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱক সংস্কাৰক হিচাপে বৰ্ণনা কৰিবলৈ গ'লে কেৱল মহাপুৰুষৰ সংস্কাৰ-মূলক কথাখিনি উল্লেখ কৰিলেই সম্পূৰ্ণ নহয়। যিজনা গুৰুৰ কৰ্ম্মপন্থা গোটেই অসমতে সিঁচৰিত হৈ আছে, তেনে গুৰুজনাৰ ভাষা-সাহিত্য প্ৰসাৰ সাধনৰ কাৰণে যত্নৱান হৈছিল। তেখেতৰ ভাষা-সাহিত্যৰ সম্বন্ধে কিছু আভাস দিয়া হ'ল।

মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে ধনী-দুখীয়া, উচ্চ-নীচ সকলোকে এক উদ্দেশ্য, একসূত্ৰে বান্ধি সমভাৱে বৈষ্ণৱ ধৰ্ম্ম প্ৰদান কৰিলে। ইয়াৰ আগেয়ে অসমত শাক্ত ধৰ্ম্মই প্ৰবল হিচাপে চলি আছিল। তাৰ ফলত সমাজবোৰত নানান ব্যভিচাৰ, অত্যাচাৰ ইত্যাদিয়ে দেখা দিছিল। বিশৃঙ্খলাৰ সৃষ্টি হৈছিল। দেশত শান্তি নোহোৱা হৈছিল। তেতিয়াই গুৰুজনাই প্ৰজাক বৈষ্ণৱ ধৰ্ম্ম প্ৰদান কৰি ভগৱানৰ স্বাৰ্থবিহীন মন্ত্ৰত সকলোটিকে দীক্ষিত কৰি প্ৰেম ৰস বিতৰণ কৰিলে। ধৰ্মকাৰ্য্যত আগবাঢ়োঁতেই গুৰুজনাই নামঘৰ, মণিকূট, সত্ৰ, হাটী ইত্যাদি প্ৰতিষ্ঠা কৰি নানান গণতান্ত্ৰিক অনুষ্ঠান স্থাপন কৰে। ইয়াৰ লগে লগেই তেখেতে অসমীয়া ভাষা-সাহিত্যৰ প্ৰসাৰ সাধনৰ কাৰণে যত্নৱান হৈছিল। তেখেতে অসমীয়া ভাষা-সাহিত্যত গাভ সঞ্জীৱনী শক্তি সঞ্চাৰ কৰি অসমীয়াক মুক্তহস্তে দি গ'ল গীত-পদ-মাত, কীৰ্ত্তন-দশম আদি অমূল্য গ্ৰন্থৰাজি যাৰ সহায়ত হয়তো অসমীয়াই এদিন বিদেশীৰ আগত বিজয় ডঙ্কা বজাই যুক্তিৰে প্ৰমাণ কৰিলে যে অসমীয়াৰ ভাষা আছে, সাহিত্য আছে, ধৰ্ম আছে, আছে কৃষ্টি-সভ্যতা। যাৰ কাৰণে আজি অসমীয়াই আনৰ ওচৰত হাত পাতিব নালাগে। মুঠতে অসমীয়া এটা জাতি। আনহে নালাগে বৰ্ত্তমানো মহাপুৰুষৰ অৱদানসমূহৰদ্বাৰা আমি অসমীয়া সকলোফালে পৰিপুষ্ট। সেয়েহে কবিয়ে গাইছে :

"বোৱালা ভক্তিৰ সোঁত দিলা ধৰ্ম দিলা জ্ঞান
দিলা ভাষা অসমক কৰিলা জীৱন দান।"

বৰ্ত্তমান প্ৰতি জাতিয়েই নিজৰ সাহিত্য সম্ভাৰ উলিয়াই বিশ্বৰ আগত নিজক প্ৰকৃত জাতি বুলি পৰিচয় দিবলৈ উঠি-পৰি লাগিছে। সেই ক্ষেত্ৰত মহাপুৰুষৰ অমৰণ অৱদানসমূহ, সাহিত্যসম্ভাৰসমূহ অসমীয়া জাতিৰ কাৰণে সোণৰ ভঁৰাল। এই ক্ষেত্ৰত কবিয়ে অসমীয়াক সজাগ কৰি লিখিছে :

"কীৰ্ত্তন দশম নাট ভাৱনা সবাহ
মহাপুৰুষৰ দান যাউতিযুগীয়া,
হোৱাঁ হেৰা সিবোৰৰ খ্যাতি অধিকাৰী
জগতত জিলিকক জাতি অসমীয়া।"

মহাপুৰুষৰ যি সাহিত্যসম্ভাৰ, অসমীয়া সাহিত্যত তাৰ বিৱৰণ অবৰ্ণনীয়। মুঠতে ক'বলৈ গ'লে মহাপুৰুষৰ সাহিত্য সম্ভাৰ অসমীয়া ভাষা সাহিত্যৰ প্ৰাণপ্ৰতিষ্ঠাস্বৰূপ।

মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ অসমীয়া ৰাইজৰ মাজত কেৱল আমাৰ ধৰ্মগুৰু বুলিয়েইহে জনা আছে; কিন্তু মহাপুৰুষ কেৱল ধৰ্ম্ম বা সাহিত্যৰ কাৰ্য্যতেই লিপ্ত থকা নাছিল। অসম মাতৃৰ বুকুত ভেদেলি-ভেদেলি হৈ থকা, দ্বন্দ-হাইৰ ভাৱ পোষণ কৰি থকা ভাইইতৰ মাজত সম্বন্ধ প্ৰতিষ্ঠা

কবি পৰ্বত-ভৈয়ামক এডাল মৰমৰ এনাজৰীৰে বান্ধি সকলো কুকাৰ্য্যৰ সংশোধন কবি গোটেই জাতিৰ মাজত সম্পূৰ্ণ প্ৰাণ সঞ্চাৰ কৰিলে। সেয়েহে সাহিত্যিকে গুৰুজনাক গণতন্ত্ৰী আদৰ্শৰ মূৰ্ত্ত প্ৰতীক বুলি দোহাই দি গৌৰৱ অনুভৱ কৰিছে। এটা জাতিক জীয়াই ৰাখি বিশ্বৰ আগত এটা জাতি বুলি পৰিচয় দিবলৈ যি কেইফেৰা সাহোন দৰকাৰ, যিখিনি চাল-চলন, আচাৰ-ব্যৱহাৰ দৰকাৰ, সেই আটাইখিনি অসমীয়াক দি গ'ল গুৰুজনা শ্ৰীশ্ৰীশঙ্কৰদেৱে। তেওঁৰ কৃপাগুণেই আজি আমি অসমীয়া জাতি হিচাপে পৰিগণিত। যিজনা গুৰুৰ অলৌকিক প্ৰতিভা প্ৰতি অসমীয়াৰ হৃদয়ে হৃদয়ে বিৰাজমান সন্ধ্যা সমীৰণৰ লগত, ধলপুৱাৰ শোৱাপাটীত, হাবিৰ মাজত, ক্লান্ত পথিকৰ ভাগৰৰ অন্তত শান্তিৰ সঁফুৰা যোগান ধৰাত বৰগীত, কীৰ্ত্তন-দশমৰ পদ পদ্যৰ-গীত-মাত-ভটিমা ইত্যাদি নামঘৰত, ৰাজহুৱা অনুষ্ঠানত, তিথি উৎসৱত যাৰ নাম-গুণ পদ-মাত; তেনেহেন গুৰুজনাৰ কৰ্ম্মপন্থা বৰ্ণাবলৈ অভাজনৰ শক্তি নাই। মহা মহা সাহিত্যিকসকলেও গাইছে ঃ

"তোমাৰ জীৱনী দেৱ লিখে এনে সাধ্য কাৰ,
গোটেই অসম জুৰি বিস্তৃত জীৱনী যাৰ।"

মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ জন্মৰ সময়ত গোটেই অসমতেই অনাচাৰ-অত্যাচাৰ ভৰি আছিল। শান্তি নাছিল প্ৰজাৰ মাজত, ঘৃণা কৰিছিল ইজনে সিজনক, "মানুহক মানুহে চুলে জাত যায়।" এনেভাৱ পোষণ কৰিছিল উচ্চ বৰ্ণসমূহে। এক ঈশ্বৰৰ সন্তানৰ মাজত বিভেদৰ প্ৰাচীৰ সৃষ্টি বৰ্ণবৈষম্যৰ। দেশত এনেবোৰ অশান্তিৰ সৃষ্টি দেখি গুৰুজনাই তাৰ প্ৰতিকাৰৰ কাৰণে মনস্থ কৰিলে। এইবোৰৰ সংস্কাৰৰ-দ্বাৰা দেশবাসীক উদ্ধাৰ কৰিবৰ বাবে তেখেতৰ অলৌকিক সাহিত্যত গীতা-ভাগৱতৰ সাৰমৰ্ম্ম গোটাই পৰম বৈষ্ণৱধৰ্ম্ম অৱলম্বন কৰি তাৰ অমৃত জনতাক পান কৰালে। সকলোৰে আত্মাত ভগৱান নিহিত আছে বুলি প্ৰমাণ কৰি প্ৰচাৰ কৰিলে ঃ

"কুকুৰ চাণ্ডাল গৰ্দ্দভৰো আত্মাৰাম
জানিয়া সবাকো কৰিবা প্ৰণাম।" ইত্যাদি।

উচ্চ-নীচৰ যি বাদ-প্ৰতিবাদ তাক তীব্ৰ-সমালোচনা কৰি গুৰুজনাই লিখিছিল ঃ

"নাহি ভকতিত জাতি-অজাতি বিচাৰ,
ভকতি অধিকাৰ।
গাৰো, ভোট, যৱনেও হৰি নাম লয়,
হেনয় হৰিনাম সজ্জনে নিন্দয়।" ইত্যাদি।

তেখেতে বাইজৰ মাজত, ধৰ্ম্মানুষ্ঠানত এনে গভীৰ তথ্যবিলাক ফঁহিয়াই যে অস্পৃশ্যতা দূৰ কৰি সংস্কাৰ কাৰ্য্যত লাগিছিল এনে নহয়; হাতে-কামে গুৰুজনাই কাৰ্য্যত পৰিণত কৰি তাৰ চানেকি ৰাখি গৈছে। প্ৰমাণস্বৰূপে আমি তলত দিয়া বিভিন্ন কুলৰ তেখেতৰ প্ৰধান প্ৰধান আতৈসকলক পাওঁ। যেনে — [১] কেশৱচৰণ আৰু গোপীনাথ আতৈ-ব্ৰাহ্মণ, [২] হৰিচৰণ আৰু কমললোচন আতৈ-কায়স্থ, [৩] গোবিন্দ আতৈ-গাৰো, [৪] ৰাম আতৈ-মিৰি, [৫] হৰি আতৈ-মিকিৰ, [৬] হৰিদাস আতৈ-যৱন, [৭] ভূটীয়া আতৈ-ভোট, [৮] মদিনাৰ আতৈ-কৈৱৰ্ত্ত।

এইদৰেই গুৰুজনাই বিভিন্ন শ্ৰেণীৰ লোক-সকলক সামৰি লৈ আতৈ সম্বোধন কৰি ভেদাভেদৰ অন্ধ আৱৰণ ছেদ কৰি শান্তিৰ স্বৰ্গ ৰচনা কৰিলে।

তেখেতে সমাজৰপৰা কুআচৰণবিলাকৰ বীজ উভালিবৰ বাবে সকলো সম্ভৱপৰ উপায়কেই অৱলম্বন কৰিছিল। এই ক্ষেত্ৰত আগবাঢ়োঁতে তেখেতে বহুতো অসুবিধাৰ সম্মুখীন হ'ব লগাত পৰিছিল; বহুতো ঠাইত তেখেত মহাসঙ্কটতো পৰিব লাগিছিল; কিন্তু গুৰুজনাই নীৰৱে ধৈৰ্য্যৰে

এই সকলোবোৰ সহ্য কৰি জনতাৰ মাজত সত্যৰ সন্ধান দি গৈছিল। তেখেতৰ অসীম জ্যোতিৰ প্ৰভাৱত, সাম্যবাদৰ প্ৰভাৱত তেখেত নিজেই উদ্ভাসিত হৈ উঠিছিল। তেখেতৰ সুঠাম দেহ, মহান চৰিত্ৰ, অপৰিসীম ধৈৰ্য্য আৰু উৎসাহৰ বাণীৰে সকলোৰে অন্তৰ স্পৰ্শ কৰিছিল, সকলোকে আকৰ্ষণ কৰিছিল। সেয়েহে যেনেই ব্যভিচাৰী, উগ্ৰপন্থী মানুহজন হওক তেখেতৰ ওচৰত নত হৈছিল। এইদৰেই তেখেত সমাজ সংস্কাৰৰ পথত আগবাঢ়ি যাব পাৰিছিল।

মানৱৰ মাজত সত্যৰ সন্ধান দিয়া, পৰম-পিতাৰ পৱিত্ৰ নাম প্ৰচাৰ কৰা আৰু মানৱক অন্ধকাৰৰ কুহকৰপৰা উদ্ধাৰ কৰাই আছিল শ্ৰীমন্ত শঙ্কৰদেৱৰ একমাত্ৰ লক্ষ্য। এনে মহান লক্ষ্যৰ প্ৰসাৰ সাধনৰ বাবেই তেখেত প্ৰথমে গোটেই ভাৰতৰ প্ৰধান প্ৰধান তীৰ্থসমূহত পৰ্য্যটন কৰি সকলোৰেপৰা শ্ৰেষ্ঠ অংশ গ্ৰহণ কৰি আনি অসমীয়া সমাজত এক সম্পূৰ্ণ নতুন যুগৰ পাতনি মেলিলে। মানৱৰ দৈনন্দিন জীৱনৰ সকলো ব্যৱহাৰ্য্য সম্ভাৰকেই বেলেগ কৰি দিলে। আনহে নালাগে মানুহৰ সাজ-পাৰতো সাত্তিক গুণ সমাৱেশ কৰি এক নতুন ৰূপ দিলে।

নাম-কীৰ্ত্তন কৰিবৰ বাবে তেখেতেই প্ৰথম নামঘৰৰ প্ৰচলন কৰে। এই নামঘৰেই তেখেতৰ সমাজ সংস্থাপনৰ আৰু সংস্কাৰৰ এটি মহান নিদৰ্শন। এই নামঘৰতেই ভাষা-সাহিত্য চৰ্চ্চা, ধৰ্ম্ম চৰ্চা-ভাওনা-সবাহ পৰিপাটিকৈ চলিছিল। ই আছিল শিক্ষাৰো কেন্দ্ৰস্বৰূপ। ই আছিল ন্যায় বিচাৰালয়। ইয়াত পাইছিল ধনী-দুখীয়া উচ্চ-নীচ, ধাৰ্মিক-চাণ্ডাল সকলোৱে সমভাৱে স্থান। সকলো শ্ৰেণীয়ে একেলগে বহি মুখামুখিকৈ ঈশ্বৰৰ নাম লোৱাৰ আৰু প্ৰসাদ খোৱাৰ সুবিধা পাইছিল এই নামঘৰতেই। ইয়াৰদ্বাৰা বৰ্ণবৈষম্যৰ প্ৰাচীৰ চূৰ্ণীকৃত হৈ সকলোৰে মাজত সম্বন্ধ প্ৰতিষ্ঠা হৈছিল। গাঁৱে-ভূঁয়ে অজলা প্ৰজাৰ মাজত যি দ্বন্দ-কলহ হৈছিল, সেই দ্বন্দ-কলহ এই শান্তিশালা হৰি মন্দিৰতেই ন্যায়ৰূপে বিচাৰ কৰি দোষীৰ দণ্ড আৰু নিৰ্দোষীৰ মুক্তিৰ বিধান কৰা হৈছিল। মুঠতে ই আছিল সমাজ সংস্কাৰৰ, জাতি উন্নতিৰ সোপানস্বৰূপ।

মানৱৰ মাজত সংকীৰ্ণতাবোৰ দূৰ কৰিবলৈ যাওঁতে গুৰুজনাই কোনো ভকতসকল বা অন্য কোনো লোকৰ হকা-বধা নামানিছিল। ভকতসকলে প্ৰতিবাদ কৰা সত্বেও তেখেতে নিজহাতে পোহাৰীৰ মৃতদেহৰ সংস্কাৰ কাৰ্য্য সমাপন কৰি অস্পৃশ্যতা বৰ্জ্জ্নৰ এক মহান আদৰ্শ ভৱিষ্যতলৈ ৰাখি গ'ল, যিটো মহাত্মা গান্ধীয়ে সৌ সিদিনা মাত্ৰ প্ৰচাৰ কৰিলে। এনে চিন্তা হয়তো আজি কুৰিশতিকাতহে মানৱে কৰিবলৈ সাৰ পাইছে; কিন্তু মহাপুৰুষজনাই আজি পাঁচশ বছৰৰ আগতেই ইয়াক উপলব্ধি কৰি প্ৰচাৰ কৰিছিল।

মহাপুৰুষৰ দিনত গোটেই অসমজুৰি মূৰ্ত্তিপূজাৰ পয়োভৰ চলিছিল। মানুহে এক ইশ্বৰৰ পূজাৰ ঠাইত নানান দেৱ-দেৱীৰ পূজা কৰি নানান বলিৰ বিধান কৰিছিল। মহাপুৰুষে ইয়াৰ ঠাইত মানুহৰ মাজত এক ইশ্বৰৰ নাম প্ৰচাৰ কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ হ'ল। সেই হেতুকেই তেখেতে মানৱৰ মাজত প্ৰচাৰ কৰিছিল:

"একদেৱ একসেৱ

একত বিনে নাহি কেৱ"। —ইত্যাদি ধৰ্ম্মীয় সূত্ৰবোৰ। তেখেতে মানুহক বুজাইছিল যে পৰমপিতা পৰমেশ্বৰ এজন। তেওঁ সৰ্ব্বব্যাপী, অব্যক্ত আৰু মূৰ্ত্তিশূন্য। গোটেই সংসাৰতে সকলো জীৱদেহতেই তেওঁ বিৰাজ কৰিছে। সকলো প্ৰাণীয়েই সমান। গতিকে জীৱ বধ কৰা, বলি দিয়া ইত্যাদি বৰ অন্যায় কাম। প্ৰজাক এনেদৰে বুজোৱাৰ লগে লগেই সেইবিলাক দূৰ কৰিবৰ বাবে তেখেতে অশেষ চেষ্টা কৰিছিল। যদিও বহুতোলোকে প্ৰথমে তেখেতৰ এনেকাৰ্য্যত ঘোৰ প্ৰতিবাদ কৰিছিল; কিন্তু তেখেতৰ

প্ৰেমবাণীত অতি সোনকালেই প্ৰায় সকলো ঘূৰি আহিল। এইদৰেই তেখেত এটাৰ পিছত এটাকৈ সংস্কাৰ কাৰ্য্যত কৃতকাৰ্য্য হ'বলৈ ধৰিলে।

শ্ৰীমন্ত শঙ্কৰদেৱে কেৱল এইকেইটা সংস্কাৰ কাৰ্য্যতে নিৰ্ভৰ কৰা নাছিল। ইয়াৰ উপৰিও তেখেতে কেইবাখনিও সত্ৰ স্থাপন কৰে। ইয়াৰ লগে লগে তেখেতে মাদক দ্ৰব্য নিবাৰণৰ কাৰণে নানান অনুষ্ঠান খুলিছিল। এই কাৰ্য্যত তেখেত যথেষ্ট উপকৃতো হৈছিল। জীৱহিংসা নকৰা আৰু অহিংসা নীতি পালন কৰা তেখেতে ব্যাধ্যতামূলক কৰিছিল।

অসমত নাট-ভাওনাৰ তেখেতেই সৃষ্টি কৰে। গায়ন গোৱাৰ প্ৰথা আৰু উচ্চধৰণৰ গীতবাদ্যৰ প্ৰচলন, চিত্ৰাঙ্কণ আৰু কাৰু-কাৰ্য্যৰ উৎকৰ্ষ সাধনৰ লগে লগেই সকলোতেই সমভাৱে অংশ গ্ৰহণ কৰিবৰ সুবিধা দি তেখেতে আগবঢ়াই লৈ গৈছিল পিছপৰি থকা অস্পৃশ্য সমাজক।

স্বাস্থ্যৰক্ষা আৰু পাৰিবাৰিক অৱস্থাৰ চাফ-চিকুণতাৰ ওপৰতো তেখেতে সদায় চকু নিদিয়াকৈ থকা নাছিল। বেলেগ বেলেগ এলেকাসমূহৰ ওপৰত সেই অঞ্চলৰ বাট-পথ, পানী-পুখুৰী, শিক্ষা-বিদ্যালয় আদিৰ কামৰ দায়িত্ব দিয়া হৈছিল। এনেধৰণৰ উন্নয়নমূলক আঁচনিসমূহ অসমত প্ৰথমে তেখেতেই প্ৰৱৰ্ত্তন কৰিছিল বুলি ক'লে ভুল কৰা নহ'ব। বৰ্ত্তমান আমি অসমীয়া জাতি মহাপুৰুষৰ এনে আঁচনিসমূহৰ ওচৰত ঋণী।

শেষত সামৰণি ক্ষেত্ৰত একাষাৰ কথাৰে ক'বলৈ গ'লে সমাজ সংস্কাৰক শ্ৰীশ্ৰীশঙ্কৰদেৱৰ সমাজৰ প্ৰতি অৱিহণা অতুলনীয়। বিৰাট অসমৰ খণ্ড-বিখণ্ড হৈ থকা সমাজৰ মাজত ঐক্য থাপি, এক মহান এনাজৰীৰে পৰ্ব্বত-ভৈয়ামক বান্ধি এক অসমীয়া জাতি কৰি গ'ল মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে। অসমীয়া বুকুৰ কলুষ কালিমাৰাশি দূৰ কৰি জ্ঞানজ্যোতি প্ৰদান কৰিলে শ্ৰীশ্ৰীশঙ্কৰদেৱে। নিষ্প্ৰাণ অসমীয়াক ভাষা দিলে, সাহিত্য দিলে, ধৰ্ম্ম জ্ঞান দিলে; ভাওনা, সত্ৰাহ, গীত-পদ-মাত দিলে, দিলে সকলো, দিলে প্ৰাণ।

দুখ লাগে, আজি অসমৰ বৰ্ত্তমান অৱস্থালৈ লক্ষ্য কৰিলে। মহাপুৰুষৰ অৱদানসমূহৰ কথা ভাবিলে বাস্তৱিকতে আচৰিত হ'ব লাগে। আজি অসমীয়াই এইহেন বাপতিসাহোন নামঘৰ, গীত-পদ-মাত, বৰগীত-টোটয়, গায়ন-বায়ন, ভাওনা-সত্ৰাহ আদি হেৰুৱাব ধৰিছে। কিয় দুৰ্ব্বল হৈ পৰিছা অসমীয়া জাতি? আঁহা সকলোটি সমবেত হওঁহক। গুৰুজনাৰ পৱিত্ৰ শ্ৰীচৰণ চিন্তি তেওঁৰ সদ্ভাৱসমূহ উদ্ধাৰ কৰি, সেইবোৰৰ গৰাকী হৈ পৰস্পৰৰ মাজত স্নেহ-প্ৰীতিৰ সম্বন্ধ প্ৰতিষ্ঠা কৰি এক অসমীয়া জাতি বুলি পৰিচয় দিওঁহক। জগতে মূৰ তুলি চাওক, স্বীকাৰ কৰক—অসমীয়া জাতি—পৃথিবীত এটা উন্নত জাতি।

> নিৰ্ভীকতা নাথাকিলে সকলো গুণ ধূলিত পৰিণত হয়। নিৰ্ভীকতা অবিহনে সত্য সাধন বা অহিংসা অসম্ভৱ। —মহাত্মা গান্ধী

# ধৰ্ম্ম আৰু ইয়াৰ সামাজিক গুৰুত্ব

(প্ৰবন্ধ)

শ্ৰীদীপা ভট্টাচাৰ্য্য
স্নাতক, প্ৰথম বাৰ্ষিক

ধৰ্ম্ম মানৱ সমাজৰ এক সৰ্ব্বব্যাপী আৰু চিৰন্তন সামাজিক সংস্থা। ধৰ্ম্ম নোহোৱাকৈ জীয়াই থকা সমাজ এখনৰ উদাহৰণ মানৱ জাতিৰ ইতিহাসত নাই। আনকি আজিৰ কোনো এখন আধুনিক সমাজ ধৰ্ম্মৰ প্ৰভাৱৰপৰা মুক্ত হ'ব পৰা নাই; কিন্তু বহুযুগৰ আগতে ভয় আৰু অজ্ঞতাৰ পৰিমাণৰ ৰূপে আদিম মানুহৰ সৰল মনত উদ্ভৱ হোৱা ধৰ্ম্মই মানুহৰ মনত আজিও এক সৰ্ব্বগ্ৰাসী প্ৰভাৱ ৰাখি থাকিব পাৰিছে কেনেকৈ? এই জ্বলন্ত প্ৰশ্নৰ উত্তৰ, আমি ধৰ্ম্মৰ সামাজিক গুৰুত্বৰ পৰিপ্ৰেক্ষিতত্হে দিব পাৰিম। প্ৰখ্যাত ইংৰাজ নৃতত্ত্ববিদ্ মেলিনস্কিয়ে সমাজতাত্ত্বিক আৰু মনোবৈজ্ঞানিক দৃষ্টিকোণৰপৰা ধৰ্ম্মৰ সংজ্ঞা এনেদৰে দিছে— "Religion is a mode of action as well as a system of belief, and a sociological phenomenon as well as a personal experience."

ধৰ্ম্ম মানে কি, ই কিয় সকলো প্ৰকাৰৰ মানৱ সমাজত ব্যাপকভাৱে বিদ্যমান— এই বিষয়ে বিভিন্নজনে বিভিন্ন ধৰণে মতামত দাঙি ধৰা আমি দেখিবলৈ পাওঁ। কোনো কোনোৰ মতে ধৰ্ম্ম মানে, ভগৱান বা দেৱ-দেৱীক পূজা কৰা। কাৰোবাৰ মতে নৈতিক নীতি-নিয়ম মানি চলা,— কোনোৰ মতত নিজৰ কৰ্ত্তব্য, দায়িত্ব পালন কৰাটোহে বুজায়।

মানৱৰ অপৰিহাৰ্য্য এই ধৰ্ম্মৰ সামাজিক গুৰুত্বৰ বিষয়ে আলোচনা কৰাৰ আগেয়ে, ধৰ্ম্মৰ উৎসৰ কথা বিশ্লেষণ কৰাটো বাঞ্ছনীয়। মানৱ সমাজত ধৰ্ম্মৰ উৎপত্তি সম্পৰ্কে তিনিটা প্ৰধান সিদ্ধান্ত এতিয়ালৈকে পোৱা গৈছে। সেই তিনিটা হৈছে— (ক) সৰ্বাত্মবাদ, (খ) নৈসৰ্গিকবাদ আৰু (গ) ক্ৰিয়াত্মক সিদ্ধান্ত। সৰ্বাত্মবাদৰ সৃষ্টি কৰোঁতা ই, বি, টেইলৰৰ মতে মৃত পূৰ্বপুৰুষক পূজাদান কৰাটোৱেই সকলো ধৰ্ম্মৰ আদিম অৱস্থা আৰু সকলো ধৰ্ম্মৰ ব্যাখ্যাৰ মূলতে আছে— আত্মাৰ বিষয়ে থকা মানুহৰ বিশ্বাস। আনহাতেদি প্ৰকৃতিবাদৰ অগ্ৰগণী প্ৰৱৰ্ত্তক হ'ল জাৰ্ম্মানীৰ বিখ্যাত ভাষাতত্ত্ববিদ্ মেক্সমুলাৰ। এইজন লোকৰ মতে ধৰ্ম্মৰ মূল উৎস হ'ল প্ৰকৃতিৰ প্ৰভাৱ; কিন্তু এই দুয়োটা সিদ্ধান্ত বিজ্ঞানসন্মত-ভাৱে গ্ৰহণযোগ্য নোহোৱাত কেইবাজনো মানৱ বৈজ্ঞানিক আৰু সমাজশাস্ত্ৰবিদে এক ক্ৰিয়াত্মক সিদ্ধান্ত প্ৰৱৰ্ত্তন কৰিলে। এই সিদ্ধান্ত অনুযায়ী

ধৰ্ম্মৰ উৎপত্তিৰ মূল উৎস হ'ল— মানৱ সমাজৰ বাবে ধৰ্মৰ প্ৰয়োজনীয়তা। এই প্ৰয়োজনীয়তা দুই প্ৰকাৰে উপলব্ধি কৰিব পাৰি। এটা হ'ল, মানসিক ভয় আৰু দুঃচিন্তা আদিৰপৰা ৰক্ষা পৰি মনৰ শান্তি আৰু স্থিৰতা অনা, আৰু আনটো হ'ল—সমাজৰ সংহতি ৰক্ষা কৰা।

মানৱ সমাজত প্ৰচলিত যি কোনো ধৰ্ম্মৰ ক্ষেত্ৰতেই দুটা দিশ পৰিলক্ষিত হয়। এটা—পৱিত্ৰ আৰু আনটো অপৱিত্ৰ। পৱিত্ৰ বস্তুবোৰেই ধৰ্ম্মৰ প্ৰতীকস্বৰূপ। সমাজশাস্ত্ৰবিদ Emile Durkheim ৰ মতে—পৱিত্ৰ আৰু অপৱিত্ৰ এই দুই ধাৰণাৰ মূলতে আছে—সামাজিক ঐক্য বা সঙ্ঘবদ্ধতাৰ বাবে থকা মানুহৰ স্বাভাৱিক প্ৰবৃত্তি।

মানুহৰ সকলো ধৰণৰ পৰিস্থিতিতে ধৰ্মই আগবঢ়োৱা মানসিক নিৰাপত্তাৰ কথা কোনো ব্যক্তিয়ে স্বতন্ত্ৰভাৱে অস্বীকাৰ কৰিব নোৱাৰে। সেয়েহে সমাজত ধৰ্ম্মৰ মৰ্য্যাদা গুৰুত্বপূৰ্ণ। ফ্ৰেয়াৰে (Frayer) ধৰ্মৰ এইকেইটা বিশ্লেষণৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিছে। ধৰ্মৰ সম্বন্ধে এনে এটা শক্তিৰে সৈতে, যি মানৱ শক্তিতকৈ শ্ৰেষ্ঠ। দ্বিতীয়তে এই শক্তিয়ে প্ৰকৃতি আৰু মানৱ জীৱনৰ গতি নিয়ন্ত্ৰণ কৰে, সেইবাবে তাক সন্তুষ্ট কৰি ৰাখিবলৈ পূজা, প্ৰাৰ্থনা বা আৰাধনা কৰিব লগা হয়।

ভাৰতবৰ্ষত প্ৰচলিত হিন্দু ধৰ্মই ব্যক্তিৰ সামাজিক জীৱনত যথেষ্ট প্ৰভাৱ পেলাইছে। অন্যহাতেদি ইয়াৰ বুদ্ধিজীৱীসকলে বেদ, উপনিষদ বা ভাগৱত আৰু গীতাৰ শ্লোক আদি বিশ্লেষণ কৰি সেই বোৰৰ অন্তৰ্নিহিত হৈ থকা সাৰমৰ্ম্মবোৰ নিজৰ জীৱনত উপলব্ধি কৰাৰ চেষ্টাত থাকে; কিন্তু হাজাৰ হাজাৰ হিন্দু জনসাধাৰণে হিন্দুধৰ্মৰ নীতিবোৰ দৈনন্দিন জীৱনত পালন কৰিবলৈ চেষ্টা কৰে। হিন্দুসকলৰ সামাজিক জীৱনৰ প্ৰতি পদক্ষেপতেই ধৰ্ম্মৰ অপৰিসীম প্ৰভাৱ লক্ষ্য কৰা যায়। আনহাতেদি ইছলাম ধৰ্ম্মত ঈশ্বৰৰ প্ৰাধান্য আৰু মানুহৰ তুচ্ছতাৰ ওপৰত গুৰুত্ব দিয়া হয়। ইছলাম ধৰ্ম্মৰ প্ৰৱৰ্ত্তক হজৰত মহম্মদে মানুহ আৰু প্ৰতিমা, গ্ৰহ, নক্ষত্ৰ আদিৰ পূজা অগ্ৰাহ্য কৰিছিল। কিয়নো আঘাত কৰিব পৰা যি কোনো বস্তুৰেই বিনাশ অনিবাৰ্য্য। বৰ্বৰ আক্ৰমণত পৰি গ্ৰীক সকলৰ চিন্তা ধাৰণাবোৰ যেতিয়া তল পৰি যায়, তেতিয়া মুছলমান পণ্ডিতসকলে সৰ্ব্বোৎকৃষ্ট গ্ৰীক গ্ৰন্থবোৰৰ অনুবাদ কৰি গ্ৰীক চিন্তাধাৰা গ্ৰহণ কৰে আৰু পিছলৈ সেইবোৰ পাশ্চাত্য জগতলৈ সঞ্চাৰিত হয়, যাৰ ফলস্বৰূপে দ্বাদশ শতিকাত এক বৌদ্ধিক পুনৰুত্থান হয়। ৰোমান সাহিত্য আৰু সভ্যতাৰ ৰাজনৈতিক নীতি-নিয়ম, শিক্ষা আৰু অন্যান্য সংস্থাবোৰৰ শিক্ষা ইছলাম ধৰ্মত নিহিত আছে।

ওপৰত উল্লেখিত ধৰ্ম্ম দুটাৰ উপৰিও পৃথিৱীত জৰেষ্টিয়ান, ইহুদী, শিখ, খ্ৰীষ্টান আদি বিভিন্ন ধৰ্মাৱলম্বীৰ বহুতো লোক আছে। জৰেষ্ট্ৰিয়ান ধৰ্মত এনে বিশ্বাসযোগ্য কথা আছে যে—"অহোৰা মজ্‌দা" (Ahura-Mazda) আৰু "অংৰা মইন্যু" (Angra Mainyu) এই দুটা বিপৰীত শক্তিৰ সংঘৰ্ষৰ আধাৰত মানৱ বুৰঞ্জী আৰু জাগতিক জীৱনৰ নাটক ৰচিত হৈছে। এটা হ'ল সৎ শক্তি, জ্যোতি, ন্যায় আৰু কল্যাণৰ প্ৰতীক আৰু আনটো হ'ল অজ্ঞতা, অন্যায় আৰু অসৎ শক্তিৰ প্ৰতীক। এই সংঘৰ্ষমান মূল নীতি দুটাৰপৰা যিকোনো এটাক মানুহে বাছি ল'বলগীয়া হয়।

পৃথিৱীত আজিলৈকে প্ৰচলিত বিভিন্ন ধৰ্ম্মসমূহে মানুহৰ সামাজিক জীৱনৰ গতি নিয়ন্ত্ৰণ কৰি আহিছে। অন্য ভাষাত ক'বলৈ গ'লে মানৱশক্তিক একত্ৰীকৰণ কৰাৰ নামেই ধৰ্ম। প্ৰতিটো ধৰ্ম্ম বিশ্লেষণ কৰি চালে দেখা যায় যে কম-বেছি পৰিমাণে প্ৰতিটো ধৰ্মতে কিছুমান অন্ধবিশ্বাস নিহিত হৈ আছে। ভাৰতবৰ্ষত প্ৰচলিত হিন্দুধৰ্ম্মও এই অন্ধবিশ্বাসৰপৰা মুক্ত নহলেও এই ধৰ্মৰ বৰ্ণাশ্ৰম ব্যৱস্থাৰ কথা সহজে অস্বীকাৰ কৰা নাযায়।

হিন্দুসকলৰ সামাজিক জীৱনৰ গতি এই বৰ্ণাশ্ৰম ব্যৱস্থাই নিয়ন্ত্ৰণ কৰিছে বুলি ক'লেও অত্যুক্তি কৰা ন'হব। বৰ্ণ বিভাজনৰ কাম আৰু বৃত্তিৰ সম্বন্ধ আছে বুলি বিশ্বাস কৰা হয়। এইদৰে সংসাৰ, পাপ-পুণ্য, মোক্ষ, ধৰ্ম্ম, কৰ্ম্ম আদি ধৰ্ম্মীয় তত্ত্ববোৰৰ জাতি ব্যৱস্থাৰে সৈতে ঘনিষ্ঠ সম্বন্ধ আছে। ভাৰতীয়সকলৰ আধ্যাত্মিক চিন্তাৰ ওপৰত বেদ, উপনিষদৰ প্ৰভাৱো এক স্বীকাৰ্য্য বিষয়। আনহাতেদি ভাৰতীয় জনজাতি-সকলৰ সামাজিক জীৱন (ক) আত্মাবাদ (খ) মনবাদ (গ) প্ৰকৃতিবাদ আৰু (ঘ) টোটেম্-বাদ আদি বিভিন্ন ধৰ্ম্মবিশ্বাসে পৰিচালিত কৰে।

কিছুমান সমাজশাস্ত্ৰবিদ, দাৰ্শনিক আৰু ধৰ্ম্মগুৰুৱে মানৱ সমাজত ধৰ্ম্মৰ স্থান সম্পৰ্কে অতি সহানুভূতিৰে বিশ্লেষণ কৰি চাইছে—আনহাতেদি কাৰ্ল মাৰ্ক্সৰ দৰে ঘোৰ নাস্তিকবাদীসকলে মানুহৰ মন আগুৰি থকা ধৰ্ম্মীয় প্ৰভাৱৰ কোনো অৰ্থ বিচাৰি পোৱা নাই। মাৰ্ক্সৰ ভাষাত ক'বলৈ গলে – "ধৰ্ম হৈছে নিষ্পেষিতৰ হুমুনিয়াহ,— অন্তৰহীন জগতৰ এখন অন্তৰ।" মাৰ্ক্সে কৈছে—সৰ্বসাধাৰণ মানুহৰ ওপৰত সমাজৰ এচাম বুধিয়ক লোকে কৰা উৎপীড়নেই হৈছে এই আত্মবিচ্ছিন্নতাৰ উৎস। সেয়েহে নিজৰ যন্ত্ৰণাৰ উপশম ঘটাবলৈ সৰ্বহাৰাৰ দলটোৱে এক পৰম মঙ্গলময় স্বৰ্গীয় সত্তা আৰু চিৰশান্তিৰে পৰিপূৰ্ণ এখন স্বৰ্গীয় জগতৰ কল্পনা কৰিবলৈ বাধ্য হয়। সেইবোৰ কথা বাদ দি ধৰ্ম্মৰ বিষয়ে সহজ ৰূপত বিশ্লেষণ কৰি চালে দেখা যাব যে — ধৰ্ম্ম অলৌকিক পাৰ-মাৰ্থিক জগতৰ কাৰ্য্য-কলাপৰ মাজত আৱদ্ধ, — সেইখন জগতক বিজ্ঞানেও ঢুকি নাপায়। বিজ্ঞানে ধৰ্ম্মৰ ঠাই অধিকাৰ কৰিব পৰা হৈতেন আজিৰ এই বিদ্যুৎ শক্তিৰ যুগতো, মন্দিৰ, দেৱালয় আদিত মাটিৰ চাকি জ্বলাবলৈ মানুহে প্ৰয়াস নাপালেহেঁতেন। অলৌকিক শক্তি বা অতিমানৱীয়তা তথা সেই শক্তিৰ ওচৰত মানুহৰ দুৰ্ব্বলতা প্ৰকাশ আৰু সেই শক্তিৰ অনুগ্ৰহৰ বাবে প্ৰাৰ্থনা, — এয়াই হৈছে প্ৰত্যেক ধৰ্মৰে মূল ভেটিস্বৰূপ।

জ্ঞানৰ অহঙ্কাৰ, ধৰ্ম্মৰ অহঙ্কাৰ সকলো বিসৰ্জ্জন দি নিজকে তৃণাদপি ক্ষুদ্ৰ জ্ঞান কৰি চলিলেহে প্ৰকৃত ধৰ্ম্ম পথৰ সন্ধান হ'ব। —শঙ্কৰাচাৰ্য্য

# সাহিত্যকাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱাৰ সাহিত্য প্ৰতিভা

শ্ৰীঅনিমা বৰা
প্ৰাক্-স্নাতক, ২য় বাৰ্ষিক

অসমীয়া সাহিত্যৰ ইতিহাসৰ পাত লুটিয়াই চালে আমাৰ দৃষ্টিগোচৰ হয় যে, বিভিন্ন যুগত বিভিন্ন জ্ঞানযোগীসকলে আজীৱন কাল সাহিত্য চৰ্চাৰ জৰিয়তে অসম মাতৃৰ চৰণ বন্দনা কৰি তেওঁলোকৰ সাধনালব্ধ জীৱনৰ পৰিণতি ঘটাইছে। সেই মহান সাহিত্যিক তথা জ্ঞান-যোগীসকলৰ ভিতৰত ৰোমাণ্টিক যুগৰ এজন প্ৰখ্যাত কবি-সাহিত্যিক সাহিত্যকাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱা।

ৰোমাণ্টিক যুগৰ আন আন কবি-সাহিত্যিক-সকলৰদৰে গোহাঞিবৰুৱাৰ লেখনীতো স্বদেশ-প্ৰেমৰ ভাৱ বিদ্যমান। অতীতৰ প্ৰতি থকা অসীম শ্ৰদ্ধা আৰু স্বদেশ আৰু স্বজাতিৰ প্ৰতি থকা অফুৰন্ত স্নেহে তেওঁৰ প্ৰাণত জাতীয় চেতনাৰ বীজ ৰোপণ কৰিছিল। সেয়েহে গোহাঞিবৰুৱাদেৱে সুন্দৰৰ সাধনাত সাহিত্য সেৱাৰ মাধ্যমেদি মাতৃভূমিৰ সেৱাত নিজকে নিয়োজিত কৰে আৰু লগে লগে অসমীয়া সাহিত্য-ভঁৰালৈ এক উল্লেখযোগ্য অৱদান আগ-বঢ়াই থৈ যায়। ছাত্ৰাৱস্থাৰেপৰা জীৱনৰ বিয়লি-বেলালৈকে সুদীৰ্ঘ তিনিকুৰি বছৰ কাল তেওঁ সাহিত্য চৰ্চা কাৰ্য্যত ব্ৰতী আছিল—যাৰ ফলস্বৰূপে তেওঁ অসমৰ প্ৰথম "সাহিত্যিক পেন্সনাৰ" হিচাপে সুখ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছিল। তেখেতৰ সাহিত্য-ৰাজিক বিশ্লেষণ কৰি চালে বিশেষকৈ চাৰিটা শ্ৰেণীত ভাগ কৰিব পাৰি —

(ক) নাটক
(খ) উপন্যাস
(গ) কবিতা
(ঘ) তত্ত্বমূলক ৰচনাৰাজি।

— এইবিলাকৰ উপৰিও তেওঁ ভালেখিনি পাঠ্য-পুথি প্ৰণয়ন কৰিছিল।

নাট্যকাৰ হিচাপে গোহাঞিবৰুৱাদেৱে অসমীয়া সাহিত্য চ'ৰাত এক বিশিষ্ট স্থান অধিকাৰ কৰিবলৈ সমৰ্থ হৈছিল। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰদৰে গোহাঞিবৰুৱাৰ নাটকসমূহকো তলত উল্লেখ কৰাৰদৰে তিনিটা শ্ৰেণীত ভাগ কৰিব পাৰি —

(ক) প্ৰহসন
(খ) গহীন বুৰঞ্জীমূলক
(গ) পৌৰাণিক

প্ৰহসনৰ ভিতৰত প্ৰথম নাটক হ'ল 'গাওঁবুঢ়া'। ১৮৯৭ চনত ৰচনা কৰা এই নাটকখনিৰ যোগেদিয়েই অসমীয়া নাট্যজগতত তেওঁ ভুমুকি মাৰে। হাস্যৰসৰ প্ৰাধান্য থাকিলেও নাটকখনৰ ঘটনাটি বিশেষ তাৎপৰ্য্যপূৰ্ণ। নাটকখনিৰ মাধ্যমেদি পদ্মনাথ গোহাঞিদেৱে মানৱীয় অনুভূতি জগাই তুলিবলৈ সক্ষম হৈছে। ইয়াৰ পিছত তেওঁ ১৯০৯ চনত 'টেটোন তামুলী' নামৰ প্ৰহসন শ্ৰেণীৰ নাটকখন প্ৰকাশ কৰে। ১৯২৪ চনত তেখেতৰ শেষ প্ৰহসন নাটক "ভূত নে ভ্ৰম" প্ৰকাশিত হয়। এই নাটকত কেইটামান সংস্কাৰ-

ধৰ্মী চিত্ৰৰ অৱতাৰণা কৰি তেখেতৰ সমাজ সংস্কাৰক মনোবৃত্তিৰ পৰিচয় আমাক দি থৈ গৈছে।

গোহাঞিবৰুৱাৰ বুৰঞ্জীমূলক পৰ্য্যায়ৰ প্ৰথম নাটকখন হৈছে "জয়মতী"। ৰচনাৰ সময় ১৯৫০ চন। এইখনেই অসমীয়া সাহিত্যত প্ৰথম বুৰঞ্জীমূলক নাটক। ই এখন পূৰ্ণাঙ্গ নাটক। যদি ভাষাৰ কৃত্ৰিমতা আৰু পৰিবেশ চিত্ৰণৰ ক্ষেত্ৰত ঠায়ে ঠায়ে দেখা দিয়া ত্ৰুটীবিলাক বাদ দিয়া হয়, তেনেহলে এই নাটকখনেই গোহাঞিবৰুৱাৰ আন নাটকবিলাকৰ ভিতৰত শ্ৰেষ্ঠ নাটক বুলি ক'ব পৰা হয়। "গদাধৰ" (১৯০৭) তেখেতৰ আন এখন বুৰঞ্জীমূলক নাটক। এই নাটকত লেখকৰ কল্পনা সুদূৰপ্ৰসাৰী। ইয়াত লেখকে গদাপাণিক এজন বীৰ, ৰাজনীতিজ্ঞ পুৰুষ, সাহসী আৰু কৰ্ত্তব্যনিষ্ঠ ব্যক্তি হিচাপে চিত্ৰিত কৰিছে। ১৯১১ চনত ৰচিত "সাধনী" নামৰ নাটকখনিও গোহাঞিবৰুৱাদেৱৰ বুৰঞ্জীমূলক নাটকৰ শ্ৰেণীভুক্ত হয়। জয়মতীৰ পিছতে এইখন এখন বৰুৱাদেৱৰ বিয়োগান্ত নাটক। চুটিয়া ৰাজত্বৰ সামৰণিৰ কাল-ছোৱাৰ বৰ্ণনাৰে ৰচিত উক্ত নাটকত নায়িকা 'সাধনী'ক সতী-সাধ্বী, জ্ঞানৱতী, ৰূপৱতী আদি গুণেৰে বিভূষিত কৰি আবহমান কালৰেপৰা চলি অহা ভাৰতীয় হিন্দু নাৰীৰ চাৰিত্ৰিক বৈশিষ্ট্যবোৰ দাঙি ধৰিছে। ইয়াৰ পিছতে ১৯১৫ চনত পদ্মনাথ গোহাঞি-দেৱে তেখেতৰ শেষ বুৰঞ্জীমূলক নাটক "লাচিত বৰফুকন" ৰচনা কৰে। এই নাটকত নাট্যকাৰে লাচিত বৰফুকনৰ বীৰত্বৰ লগতে ৰমণী গাভৰুৰ লগত তেওঁৰ প্ৰণয়ৰ কথাও আংশিকভাৱে দাঙি ধৰিছে। এই নাটকখনিয়ে এসময়ত অসমৰ নাট্যমঞ্চত এক বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰিছিল।

পৌৰাণিক নাটকৰ ভিতৰত গোহাঞিবৰুৱা-দেৱে কেৱল এখন নাটকহে ৰচনা কৰিছিল। জীৱনৰ বিয়লি বেলাত অৰ্থ-কড়ি কাৰ্য্যৰপৰা অৱসৰ গ্ৰহণ কৰি একনিষ্ঠভাৱে তত্ত্বগধুৰ ৰচনাত ব্ৰতী হোৱা অৱস্থাত গোহাঞিদেৱে "বাণৰজা" নামৰ পৌৰাণিক নাটকখন ৰচনা কৰে। নাটকখনৰ মূল হৈছে বৈষ্ণৱ ধৰ্ম্মৰ প্ৰতীক 'শ্ৰীকৃষ্ণ' আৰু শাক্ত ধৰ্মৰ প্ৰতীক 'শিৱ'ৰ মাজত সংঘটিত হোৱা সংঘৰ্ষ। নাট্যকাৰে উক্ত কাহিনীৰ যোগেদি শ্ৰীকৃষ্ণৰ পৌৰুষত্ব আৰু শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰি বিষ্ণুভক্তিৰ প্ৰবল ধাৰা বোৱাবলৈ প্ৰয়াস কৰিছে।

পদ্মনাথ গোহাঞিবৰুৱাৰ আগতে অসমীয়া সাহিত্যত তেনে কোনো প্ৰণালীবদ্ধ নাটক ৰচিত হোৱা নাছিল। অসমীয়া সাহিত্যত গহীন ঐতিহাসিক নাটকৰ তেৱেঁই বাটকটীয়া বুলি ক'লে ভুল কোৱা নহয়। বুৰঞ্জী সম্পৰ্কীয় সম্যক জ্ঞান অভিজ্ঞতা থকাৰ বাবেই তেখেতে বুৰঞ্জীমূলক ৰচনাত হাত দিব পাৰিছিল; কিন্তু বহুসময়ত, বুৰঞ্জীৰ লগত কল্পনাৰ সংযোগ ঘটাবলৈ যাওঁতে নাটকীয় ঘটনা বাস্তৱভাৱৰহিত হোৱাটো পৰিলক্ষিত হৈছে।

ঔপন্যাসিক হিচাপেও গোহাঞিবৰুৱাৰ অসমীয়া সাহিত্যত এখন আছুতীয়া আসন আছে। তেখেতৰ আগতে অসমীয়াত কোনো ঔপন্যাসিকেই উপন্যাস ৰচনা কৰা নাছিল। তেওঁ 'লাহৰী' আৰু 'ভানুমতী' নামৰ উপন্যাস দুখন যথাক্ৰমে ১৮৯২ আৰু ১৮৯২ চনত ৰচনা কৰি উলিয়াইছিল।

ঊনৈশ বছৰ বয়সতে লিখা 'লাহৰী' উপন্যাস-খনেই প্ৰথম আধুনিক ৰুচিৰ অসমীয়া উপন্যাস বুলি ক'ব পৰা হয়। উপন্যাসখন মানৰ আক্ৰমণৰ পটভূমিত ৰচিত। কম বয়সতে ৰচনা কৰা হলেও উপন্যাসখনিৰ মাজেদি গোহাঞিবৰুৱাদেৱৰ কল্পনা-বিলাসী মনৰ পৰিচয় পোৱা যায়।

আনখন উপন্যাস 'ভানুমতী'ৰ ৰচনাৰ কৌশলো নতুন ধৰণৰ। ইংৰাজ ঔপন্যাসিক ডিকেন্সৰ আৰ্হিৰে গোহাঞিবৰুৱায়ো নায়িকা ভানুমতীৰ মুখেদি উপন্যাসখনৰ সমস্ত কাহিনীভাগ ব্যক্ত কৰিছে। নায়ক-নায়িকাৰ জীৱনৰ মৰ্মস্পৰ্শী ঘটনাই পাঠকৰ মন পৰশিবলৈ সক্ষম হৈছে। ঘটনা

চক্ৰৰ বৈচিত্ৰ্য আৰু নাটকীয় পৰিস্থিতিৰ অৱতাৰণাই পাঠকৰ মন সহজে আকৰ্ষণ কৰে; কিন্তু উপন্যাসখনৰ শেষৰ ফালে লেখকে—"মানুহ অৱস্থাৰ দাস"—এই কথাৰ সত্যতা প্ৰতিপন্ন কৰিবলৈ গৈ নায়ক-নায়িকাৰ চৰিত্ৰত নিষ্ফলভাৱৰ ছিটিকনি পেলাইছে যেন অনুমান হয়।

সি যি নহওক এই কথা স্বীকাৰ্য্য যে ঔপন্যাসিকে দুয়োখন উপন্যাস নৱন্যাস ভাৱধাৰাৰে পৰিপুষ্ট কৰি তুলিছে। দুয়োখন উপন্যাসতেই মানৱীয় প্ৰেমৰেই জয় ঘোষণা কৰা হৈছে। তথাপি মধ্যযুগীয় সামাজিক মনোবৃত্তিৰ চাপ লেখকৰ গাত থকাৰ বাবে শ্ৰেণী বৈষম্য আৰু আভিজাত্যৰ ফোপোলা ভেমক প্ৰাধান্য দি লেখকে নায়ক-নায়িকাৰ মিলনত সন্মতি জনোৱা নাই। সেয়া ভেনে ধৰণৰ হলেও নায়ক-নায়িকাৰ প্ৰণয়ৰ স্বতস্ফুৰ্ত্ততা, মানৱীয় প্ৰণয়ৰ ছবি অঙ্কিত কৰাত ঔপন্যাসিকে সাৰ্থকতা লাভ কৰিছে।

ৰোমাণ্টিক যুগৰ আন আন কৱিসকলৰ দৰে গোহাঞিবৰুৱাদেৱেও—অসমীয়া সাহিত্যলৈ কেইখনমান মূল্যবান কবিতা পুথি আগবঢ়াই থৈ যায়। সেয়া হৈছে—'লীলাকাব্য' (১৮৯৩), 'জুৰণি' (১৯০০) আৰু 'ফুলৰ চানেকি'। যিজন ব্যক্তিয়ে অসম সাহিত্য সভাৰ সভাপতিৰ ভাষণত—'প্ৰতিভাৰ আসন তেওঁৰ নাই যদিও পৰিশ্ৰমৰ বল অৱশ্যে থাকিব পাৰে' বুলি কৈ আজীৱন সাহিত্য চৰ্চ্চাৰ মাজেদি জীৱন অতিবাহিত কৰিলে সেইজন মহান ব্যক্তিয়ে কাব্য-সাহিত্য চৰ্চ্চাৰ জৰিয়তেও অসমীয়া সাহিত্যত এক স্মৰণীয় আধাৰশিলা স্থাপন কৰি থৈ যাবলৈ সক্ষম হ'ল।

গোহাঞিবৰুৱাদেৱৰ লীলাকাব্যখনিৰ বিষয়বস্তু ব্যক্তিগত। ৰোমাণ্টিক যুগৰ ইংৰাজ কৱি ওৱৰ্ডচ্‌ৱৰ্থৰ দৰে গোহাঞিবৰুৱাদেৱেও উক্ত কাব্যখন ব্যক্তিগত জীৱনৰ ওপৰত কেন্দ্ৰ কৰি ৰচনা কৰিছে। নিজেই কৈশোৰতে 'লীলা', তেওঁৰ লগত বিয়া আৰু বিয়াৰ পিছত কহিমালৈ যাত্ৰা আৰু 'লীলা'ৰ মৃত্যুৰ কথাকেই কাব্যখনত সন্নিবেশ কৰিছে। সচৰাচৰ মহাকাব্য ৰচনা কৰোঁতে যিবিলাক নিয়ম মানি চলা হয় কাব্যখন ৰচনা কৰোঁতেও তাকে কৰাৰ চেষ্টা কৰিছে। কাব্যৰ আৰম্ভণিতে তেওঁ বাগ্‌দেৱী বীণাপাণিক বন্দনা কৰিছে :

> "নেজানো পূজাৰ বিধি, বন্দনাৰ ৰীতি
> বীণাপাণি বাগ্‌দেৱি। চৰণ তোমাৰ
> কিমতে পূজিম তায়, বন্দিম কিমতে!"

—ইয়াৰ পিছতে তেওঁ "মৰতত কৰোঁ এটি কাহিনী অমৰ' বুলি এক দৃঢ় সংকল্প লৈ এক অভিনৱ কাব্য সৃষ্টি কৰিছে। ইয়াত কবিয়ে প্ৰকৃতি আৰু মানৱ আত্মাৰ মাজত ঐক্য প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিছে। কাব্য-সাহিত্যৰ আন আন গ্ৰন্থৰ দৰে যদিও এইখন কাব্যই নান্দনৰ মধুৰ ৰস সৃষ্টিৰ ক্ষেত্ৰত বিশেষভাৱে অমৰত্ব লাভ কৰিব নোৱাৰিলে, তথাপিও ব্যক্তিগত বিষয়ৰ ওপৰত ৰচিত কাব্যৰ ভিতৰত এইখনেই যে অসমীয়া সাহিত্যৰ একমাত্ৰ কাব্য তাক স্বীকাৰ কৰিব লাগিব। এই কাব্যৰ স্বকীয় বৈশিষ্ট্য হৈছে গতানুগতিক বিৱৰণবোৰ।

'জুৰণি', গোহাঞিবৰুৱাৰ কাব্য সাহিত্যৰ দ্বিতীয় নিবেদন। ১১০ টা কবিতাৰে পুষ্ট পুথিখনিৰ প্ৰায় ৩৬ টা কবিতাই চৈধ্যশৰীয়া। তেওঁৰ প্ৰথমা পত্নী লীলাৱতীৰ মৃত্যুৰ পিছত দ্বিতীয়া পত্নী হীৰাৱতীক বিয়া কৰাই তেওঁৰ ভগ্ন হৃদয়ত যি সান্ত্বনা লভিছিল তাকেই উক্ত কবিতাপুথিখনৰ মাজেদি ব্যক্ত কৰিছে। গতিকে কবিতাবিলাক প্ৰায়েই নীতিশিক্ষাধৰ্মী।

ইয়াৰ পিছতে গোহাঞিবৰুৱাৰ 'ফুলৰ চানেকি' অসমীয়া কাব্য-ফুলনিত জাতিষ্কাৰ হৈ উঠে। 'ফুলৰ চানেকি'ৰ মুঠ কবিতাৰ কলি হ'ল ৪২ টা। 'বন্তি', 'বিজুলী', 'উষা' আদি আলোচনীত প্ৰকাশিত সেই সেই নামেৰে কবিতা 'বন্তি', 'বিজুলী',

'উষা' আদি কবিতাৰ উপৰিও 'স্বৰ্গতো অধিক জননী', 'মাতৃ মোৰ', 'জীৱন সন্ধিয়া' ইত্যাদি কিছুমান মূল্যবান কবিতাৰে পুথিখনি পুষ্ট কৰিছে। এই কবিতাসমূহ শোকৰ কবিতা, দেশপ্ৰেমৰ কবিতা আদি কিছুমান ধাৰাত বিভক্ত কৰিছে। উক্ত পুথিখনিৰ অন্তৰ্গত বিশেষকৈ 'বন্তি', 'উষা' আদি কেইটিমান কবিতাত আশাবাদৰ সুৰ বিৰাজমান ঃ

"বন্তিৰ পোহৰ পাই, ভাগ্যলক্ষ্মী মিচিকায়,
সৌভাগ্যৰ বিৰিঙে জেউতি ;
ভাৰতৰ এচুকত অসমৰ ভাগ্য জ্বলে
সন্তানৰ উলাহিত মতি।"

সেইদৰে বিজুলীৰ মাজেদিও আমি আশাবাদী গোহাঞিবৰুৱাকেই লগ পাওঁ ঃ

"বিজুলী আৱিৰ্ভাৱ উদ্ধাৰ কাৰণ
জ্বলে ডাৱৰ ভেদাই ;
অসমৰ আকাশ জুৰি নৱ জেউতিৰে
দিয়ে পন্থা পোহৰাই।"

তেওঁৰ এই কবিতাবিলাকত আশাবাদৰ সুৰৰ প্ৰাধান্য থকাৰ বাবেই সেই সময়ৰ অসমত গোহাঞিবৰুৱাৰ কবিতাই যথেষ্ট সমাদৰ লভিছিল।

বৰুৱাদেৱৰ কবিতাসমূহ কোনো এক অভাৱ পূৰণৰ বাবে ৰচিত হোৱা বাবে যদিও কাব্যিকতাৰ সীমাত আৱদ্ধ থাকিবলৈ কেতিয়াবা কেতিয়াবা অপাৰগ হৈছে ; তথাপি নাটকীয় সংলাপ, নিখুঁত প্ৰকাশভংগী আৰু ভাৱৰ আন্তৰিকতাই তেওঁৰ কবিতা-সমূহ বিশেষ স্মৰণীয় কৰি তুলিছে। সেয়েহে ৰোমাণ্টিক কবিসকলৰ ভিতৰত গোহাঞিবৰুৱাৰ স্থান সৰ্ব্বশ্ৰেষ্ঠ নহলেও এজন শক্তিশালী কবি তথা প্ৰতীক-ধৰ্ম্মী কবিৰূপে অসমীয়া সাহিত্য দৰবাৰত যে তেওঁৰ স্থান স্থায়ীভাৱে ৰৈ যাব এই কথাত সন্দেহৰ অৱকাশ নাই।

গভীৰ তত্ত্বদৰ্শী হিচাপেও গোহাঞিবৰুৱাৰ নাম বিশেষভাৱে স্মৰণ কৰিবলগীয়া। অসমীয়া সাহিত্যত তত্ত্বদৰ্শীৰূপে গোহাঞিবৰুৱাই প্ৰথম প্ৰচেষ্টা চলায়। আনকি বৰ্ত্তমানলৈকে অসমীয়া দ্বিতীয় এজন তাত্ত্বিক লেখক আবিৰ্ভাৱ হোৱা নাই বুলি ক'লেও অত্যুক্তি কৰা নহ'ব যেন পাওঁ। জীৱনৰ ভাটী বয়সত পদ্মনাথ গোহাঞিবৰুৱাৰ অন্তৰত গভীৰ আধ্যাত্মিক ভাৱে ভুমুকি মাৰে আৰু তাৰেই পৰিণতিস্বৰূপে গধুৰ ৰাজনীতিৰপৰা অৱসৰ লৈ পুনৰ সাহিত্য সেৱাত ব্ৰতী হয় আৰু তত্ত্বমূলক সাধনাত আত্মনিয়োগ কৰি তত্ত্বৰ অন্বেষণৰ বাবে কাপ-মৈলাম হাতত লয়। এই সাধনাৰ ফলস্বৰূপে ১৯৩৯ আৰু ১৯৪০ চনত যথাক্ৰমে "শ্ৰীকৃষ্ণ গ্ৰন্থ" আৰু "গীতাসাৰ" নামৰ দুখনি মূল্যবান পুথি ৰচনা কৰি উলিয়ায়।

পদ্মনাথ গোহাঞিবৰুৱাৰ শ্ৰীকৃষ্ণ গ্ৰন্থখনি তেখেতৰ তত্ত্বমূলক জীৱনৰ উজ্জ্বল প্ৰতিভূ। এই গ্ৰন্থখনি 'আদ্যলীলা', 'মধ্যলীলা' আৰু 'অন্তলীলা' নামে তিনিটা খণ্ডত বিভক্ত। উক্ত গ্ৰন্থখনিত গোহাঞি-বৰুৱাদেৱৰ গভীৰ তত্ত্বমূলক জ্ঞানৰ পৰিচয় পোৱা যায়। জীৱনৰ বিয়লি বেলিকা ত্ৰিজগতৰ পতি শ্ৰীকৃষ্ণৰ সেৱাত একনিষ্ঠভাৱে নিমগ্ন হৈ উক্ত গ্ৰন্থখনৰ মাজেদি তেখেতে কৃষ্ণৰ গুণানুকীৰ্ত্তন কৰি কৃষ্ণৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰিছে। গোহাঞিবৰুৱাদেৱে অতি নিখুঁতভাৱে শ্ৰীকৃষ্ণৰ মহিমা প্ৰকাশ কৰিছে। তেখেতে অসমীয়া সাহিত্য-ভঁৰাললৈ আগবঢ়াই থৈ যোৱা সম্ভাৰৰাজিৰ ভিতৰত 'শ্ৰীকৃষ্ণ' গ্ৰন্থখনি-কেই সৰ্ব্বশ্ৰেষ্ঠ অৱদান হিচাপে স্বীকৃতি দিব পাৰি। সাহিত্য-ভঁৰালৰ অক্ষয় ভাণ্ডাৰস্বৰূপে এই গ্ৰন্থই যে গোহাঞিবৰুৱাৰ সাহিত্যক অসমীয়া সমাজৰ মাজত যুগ-যুগান্তৰলৈ জীয়াই ৰাখিব ই ধ্ৰুৱ নিশ্চিত।

তত্ত্বমূলক গ্ৰন্থ হিচাপে গোহাঞিবৰুৱাৰ 'গীতাসাৰ' গ্ৰন্থখনিৰ অৱদানো অনস্বীকাৰ্য্য। এই পুথিখনি তেখেতৰ শ্ৰীকৃষ্ণ গ্ৰন্থৰ অন্তলীলা খণ্ডৰ ভিতৰুৱা।

কিয়নো গীতাৰ জন্ম হৈছে কুৰুক্ষেত্ৰ যুদ্ধত কৃষ্ণ আৰু অৰ্জুনৰ মাজত হোৱা কথোপকথনৰপৰা। গীতাসাৰ পুথিত তেওঁ শ্ৰীকৃষ্ণ তত্ত্বৰ ব্যাখ্যা এনে স্বাভাবিক আৰু ধাৰাবাহিকৰূপে দিছে যে বৰ্ত্তমানলৈকে অসমীয়া সাহিত্যত কোনো লোকেই তেখেতৰ দৰে দিব পৰা নাই যেন লাগে।

ইয়াৰ উপৰিও স্কুলীয়া পাঠ্যপুথি প্ৰণেতা হিচাপেও পদ্মনাথ গোহাঞিবৰুৱাৰ নাম স্মৰণ কৰিবলগীয়া। গোহাঞিবৰুৱাৰ সমসাময়িক অৱস্থাত অসমৰ পঢ়াশালিবিলাকত উপযুক্ত পাঠ্যপুথিৰ অভাৱে ছাত্ৰ-ছাত্ৰীৰ জীৱনত এক সমস্যাৰূপে মূৰ দাঙি উঠিছিল আৰু গোহাঞিবৰুৱাদেৱে সেই সময়তেই নানা ধৰণৰ পাঠ্যপুথি প্ৰণয়ন কৰি এই সমস্যা বহু পৰিমাণে আঁতৰ কৰিবলৈ সক্ষম হৈছিল। তেখেতৰদ্বাৰা ৰচিত পুথিবিলাক হৈছে—"সাহিত্য সংগ্ৰহ', "ভূগোল দৰ্শন", "নীতিশিক্ষা" (আদিছোৱা, মাজছোৱা আৰু শেষছোৱা), "আদিশিক্ষা" (আদিছোৱা, মাজছোৱা আৰু শেষছোৱা)। এইবিলাকৰ উপৰিও "মহাৰাণী", "দেশী কছৰৎ", "বুৰঞ্জীবোধ", "শিক্ষাবিধি", "অসম বুৰঞ্জী," "হিন্দু বুৰঞ্জী", "মুছলমান" আদি বুৰঞ্জীবিষয়ক কিতাপ লিখাতো হাত দিছিল। এই পাঠ্যপুথিসমূহ তেখেতে ছাত্ৰ-ছাত্ৰীসকলে বুজিব পৰাকৈ সহজ সৰল ভাষাত লিপিবদ্ধ কৰিছিল। সেইবাবে তেখেতৰ পুথিসমূহ সকলো শ্ৰেণীৰ, সকলো ৰুচিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে সহজবোধ্য আৰু প্ৰিয় হৈ পৰে।

এজন ৰাজনৈতিক আৰু জাতীয় নেতাৰূপেও গোহাঞিবৰুৱাদেৱে বহুতো সামাজিক আৰু ৰাজনীতিমূলক সভা-সমিতিত জড়িত থাকিব লগা হৈছিল। এই সভা-সমিতিবিলাকত তেওঁৰ অভিভাষণবিলাকৰ বহুতো ভাষণ পুথিৰ আকাৰে প্ৰকাশিত হৈছে। সেইবিলাকৰ ভিতৰত অসম সাহিত্য সভা (১৯১৭), অসম ছাত্ৰ সম্মিলন (১৯১৮), অসম সংৰক্ষিণী সভা (১৯২০), অসম এছ'ছিয়েশ্যন (১৯১৯), অসম শিক্ষক সম্মিলন (১৯২০), জয়সাগৰৰ জন্মমতী তিথি সম্মিলন (১৯২৯), মণ্ডল-কানুনগু সম্মিলন (১৯২৯), আহোম সম্মিলন (১৯৪১) ৰ নাম উল্লেখ কৰিব পাৰি।

এনেবিলাক দৃষ্টিকোণলৈ লক্ষ্য কৰিয়েই গোহাঞিবৰুৱাক এজন 'বহুগুণ বৈশিষ্ট্যসম্পন্ন' ব্যক্তি হিচাপে আখ্যা দিব পাৰি। "পদ্মনাথ গোহাঞিবৰুৱা"ৰ দৰে সাহিত্যৰ প্ৰায় সকলো দিশতে হস্তক্ষেপ কৰি কৃতি অৰ্জন কৰা ব্যক্তি কেৱল অসমতেই নহয় ভাৰতীয় সাহিত্যৰ দৰবাৰতো অতি বিৰল বুলি ক'লেও হয়তো সত্যৰ অপলাপ কৰা নহ'ব। অৱশ্যে এই কথা স্বীকাৰ্য্য যে সাহিত্যৰ সকলো দিশতে হাত দিলেও তেখেতে সকলো দিশতে সমান কৃতিত্ব অৰ্জন কৰিব পৰা নাছিল।

আজি পদ্মনাথ গোহাঞিবৰুৱা আমাৰ মাজত নাই; কিন্তু তেখেতে অসমীয়া সাহিত্যলৈ সাহিত্যৰ চৌদিশ সামৰি যি মহান অৱদান দি গ'ল সিয়েই গোহাঞিবৰুৱাক যুগান্তৰলৈ সাহিত্যৰ সমাজত জীয়াই ৰাখিব। তেওঁ অসমীয়া জাতি আৰু অসমীয়া সাহিত্যৰ বাবে যিখিনি এৰি থৈ গ'ল সি চিৰকাললৈ অসমীয়া সাহিত্যৰ ৰবঘৰ পোহৰাই থাকিব। সাহিত্য আৰু সমাজসেৱাৰ প্ৰতি থকা প্ৰবল আসক্তিৰ বাবে তেখেতে নিজৰ জীৱনৰ একমাত্ৰ জীৱিকাৰ পথকো বিসৰ্জন দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। জীৱনৰ প্ৰাতঃকালৰেপৰা এজন কাৰ্যাক্ষম নেতা আৰু সাহিত্যিকৰূপে দেশমাতৃৰ চৰণ বন্দনা কৰি জীৱনৰ ভাটীবেলাত জটিল তত্ত্ব সাধনাত ৰত হৈ তিনিকুৰি পোন্ধৰ বছৰ বয়সত তেওঁ জীৱনকালৰ অন্ত পেলায়। এনে এজন আদৰ্শবান নেতা সাহিত্যিকৰ জীৱন-আলেখ্য প্ৰতিজন অসমীয়াৰে অতি আদৰৰ আৰু অনুকৰণীয় বস্তু। সেইবাবে তেখেতৰ অমূল্য গ্ৰন্থৰাজি 'সোণ পানীৰেহে চৰাই থ'বলগীয়া' বুলি ক'লেও অত্যুক্তি কৰা নহ'ব যেন লাগে।

অসমীয়া সাহিত্যৰ প্ৰথম স্তৰৰ গুৰিধৰোঁতা-সকলৰ ভিতৰত অন্যতম সাহিত্যিক হ'ল স্বৰ্গীয় ৰজনীকান্ত বৰদলৈ। বৰদলৈ জোনাকী যুগৰ ঔপন্যাসিক। অসমীয়া উপন্যাস সাহিত্যৰ জন্মদাতা যদিও ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ নহয়, তথাপি অসমীয়া উপন্যাস সাহিত্যই পূৰ্ণ প্ৰতিষ্ঠা লাভ কৰে এওঁৰ হাতত্তেই। বৰদলৈৰ 'নখন উপন্যাসৰ আঠখনেই বুৰঞ্জীমূলক। ইংৰাজী সাহিত্যৰ 'ৱাল্টাৰ স্কট' আৰু বঙলা সাহিত্যৰ 'বঙ্কিমচন্দ্ৰ'ৰ উপন্যাসৰ প্ৰভাৱ বৰদলৈৰ ওপৰত পৰিছিল। বৰদলৈয়ে আঠখন উপন্যাসতে বুৰঞ্জীক পটভূমি হিচাপে লৈ অতীতৰ অসমখনক অসমীয়া পঢ়ুৱৈৰ সমাজৰ চকুৰ আগত দাঙি ধৰাৰ যত্ন কৰিছিল। এই প্ৰসঙ্গতে ডঃ মহেশ্বৰ নেওগে কয় "ঐতিহাসিক পটভূমিত আমাৰ সমাজ-খনক বুজিবৰ চেষ্টাই হ'ল বৰদলৈ উপন্যাসৰ ঘাই তাৎপৰ্য্য।" ৰজনীকান্ত বৰদলৈ কেৱল ঔপন্যাসিকেই নাছিল; তেওঁ আছিল খ্যাতিসম্পন্ন প্ৰবন্ধ লেখক। বৰদলৈদেৱে অসমীয়া সাহিত্যলৈ যি অৱদান আগ-বঢ়াই গ'ল সেই অৱদান অসমীয়া সাহিত্যত আপুৰুগীয়া হৈ ৰ'ল।

১৮৬৭ চনৰ ২৪ নৱেম্বৰত গুৱাহাটীত বৰদলৈৰ জন্ম হয়। তেওঁৰ দেউতাকৰ নাম নৰকান্ত বৰদলৈ। ল'ৰা ৰজনীকান্ত অতি শান্ত আৰু প্ৰখৰ বুদ্ধিৰ। সৰুতে উত্তৰ গুৱাহাটীত মোমায়েকৰ ঘৰত থাকি বৰদলৈদেৱে প্ৰাথমিক শিক্ষা গ্ৰহণ কৰে। ১৮৮৫ চনত তেওঁ সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ বৃত্তি লাভ কৰে আৰু উচ্চ শিক্ষা লাভৰ উদ্দেশ্যে কলিকতাৰ মেট্ৰ'পলিটান কলেজত ভৰ্ত্তি হয়। সেই কলেজৰপৰা ১৮৮৭ চনত এ-কম বিভাগত এফ,এ, পাছ কৰি ছিটি কলেজত বি, এ, পঢ়ে। ১৮৮৯ চনত বি, এ, ডিগ্ৰী লাভ কৰে। বি, এ, পাছ কৰি কিছুদিন তেওঁ আইন পঢ়িবলৈ লৈছিল যদিও চাকৰিত ভৰ্ত্তি হ'বলগীয়া হোৱাত পঢ়াৰ আশা ত্যাগ কৰে।

১৮৯০ চনত তেওঁ প্ৰথমে চৰকাৰী কামত সোমায়। অসমৰ বুৰঞ্জীৰ সম্পৰ্কে মহামতি গেইট চাহাবে এবাৰ তেওঁক প্ৰশ্ন কৰোঁতে সঠিক উত্তৰ দিব নোৱৰাত চাহাবে মন্তব্য কৰিছিল — "তুমি অসমৰ শিক্ষিত ডেকা, এজন গ্ৰেজুৱেট। অথচ অসমৰ বিষয়ে তুমি একো নাজানা। কি আচৰিত!" এইজন চাহাবেই তেওঁৰ আৰু কিছুমান কামত মুগ্ধ হৈ লক্ষীমপুৰত মাটিৰ হাকিম নিযুক্ত কৰে। ১৯০৯ চনত 'এক্‌স্ট্ৰা-এছিষ্টেণ্ট কমিছনাৰ পদলৈ পদোন্নতি হয়। ১৯১৮ চনত তেওঁ চৰকাৰী চাকৰিৰপৰা অৱসৰ লয়।

অসমীয়া সাহিত্যত বৰদলৈদেৱ "উপন্যাস সম্ৰাট" বুলি সকলোৰে জনাজাত। অসমীয়া উপন্যাস সাহিত্যৰ আদি যুগত তেওঁ একমাত্ৰ উপন্যাস ৰচনা কৰি এটি মহৎ কাৰ্য্য সম্পাদন কৰে। বিভিন্ন সময়ত ৰচিত তেওঁৰ উপন্যাসবোৰে বৰদলৈদেৱৰ জীৱনৰ ভিন্ ভিন্ অভিজ্ঞতাৰ স্বাক্ষৰ বহন কৰিছে। তেওঁৰ ৰচিত উপন্যাসকেইখন ৰহদৈ লিগিৰী (১৮৩০ চন), মিৰি জীয়ৰী (১৮৯৫ চন), মনোমতী (১৯০০ চন), দন্দুৱা দ্ৰোহ (১৯০৯ চন), ৰঙিলী (১৯২৫ চন), নিৰ্ম্মল ভকত (১৯২৫ চন), তাম্ৰেশ্বৰী মন্দিৰ (১৯২৫

## ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ

শ্ৰীমামণি ভট্টাচাৰ্য্য
স্নাতক, ১ম বাৰ্ষিক

চন) আৰু ৰাধা-ৰুক্মিণী (১৯২৫ চন)।

উত্তৰ লক্ষীমপুৰত থকা কালছোৱাত বৰদলৈ দেৱৰ মিৰি সম্প্ৰদায়ৰ লোকসকলৰ লগত ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠে। সেই সময়ত গেইট চাহাবৰ পৰামৰ্শত 'Religion of the Miris' পুথি ৰচনা কৰে। এই সময়চোৱাত বৰদলৈৰ "শৰীৰ তত্ত্ব", 'চেতন-প্ৰাণী আৰু উদ্ভিদৰ পাৰ্থক্য", "ৰক্তহাৰী পাদপ" জোনাকী কাকতত প্ৰকাশ পায়। গেইট চাহাবৰ অনুৰোধত ১৮৯৪ চনত লিখা "The Potteries of Assam", মিঃ চেমন চাহাবৰ অনুৰোধত ১৮৯৪ চনত লিখা "The weaving industry of Assam", বাৰ্নেল গৰ্ডন চাহাবৰ অনুৰোধত লিখা এটি প্ৰবন্ধত বৰদলৈদেৱে অসমীয়া শিল্প-সংস্কৃতিৰ চিত্ৰ দাঙি ধৰিছে।

পঢ়াশলীয়া পাঠ্যপুথিৰ অভাৱ পূৰাবলৈ ১৮৯৭ চনত বৰদলৈদেৱে "জ্ঞান সোপান" পুথি ৰচনা কৰে। ১৮৯০ চনত কনকলাল বৰুৱা আৰু গোপাল কৃষ্ণদেৱৰ লগত যুটীয়াকৈ তেওঁ "সাবিত্ৰী সত্যৱান" নাটক লিখে। ১৯০৬ চনত মনোবিজ্ঞান লিখি অসমীয়া মনোবৈজ্ঞানিক ৰচনালৈ এটি ডাঙৰ অৱদান আগবঢ়ায়।

লঘু সাহিত্য ৰচনাতো বৰদলৈদেৱে মনোনিবেশ কৰিছিল। ১৯০৯ চনত 'আত্মবিনোদন থিয়েটাৰ দ'ল" আৰু' চেঙ্গাচ পিয়ল' শিৰোনামাৰে তেওঁৰ এলানি প্ৰবন্ধ 'বঁহী' আৰু 'আলোচনী' কাকতত প্ৰকাশ পাইছিল। "নগৰ কীৰ্ত্তন", "শ্ৰীভোলাই শৰ্ম্মাৰ প্ৰৱণতা", "মই স্বাধীননে ?" তেওঁৰেই অন্যান্য লঘু ৰচনা।

১৯২৫ চনত নগাঁৱত বহা অসম সাহিত্য সভাৰ অষ্টম অধিবেশন, একে বছৰতে গোলাঘাটত বহা চুটীয়া সন্মিলন, ডাওৰীৰ কছাৰী সন্মিলন আদিত সভাপতি আসনবপৰা দিয়া অভিভাষণসমূহ অসমীয়া সাহিত্য-সংস্কৃতিৰ সম্পদস্বৰূপ।

বৰদলৈৰ একমাত্ৰ সামাজিক উপন্যাস "মিৰি জীয়ৰী"য়ে অসমীয়া উপন্যাস সাহিত্যত এক উচ্চ স্থান পাইছে। বৰদলৈদেৱে লক্ষীমপুৰত থকা কালছোৱাত মিৰি জনজাতীয় জীৱনক কেন্দ্ৰ কৰি লিখা এইখন বাস্তৱধৰ্ম্মী উপন্যাস। পবিত্ৰ প্ৰেমে মানুহক দেৱতাৰ শাৰীলৈ নিব পাৰে, মৰতৰ বুকুত স্বৰ্গীয় শান্তিৰ নিজৰা বোৱাব পাৰে—ই "মিৰি জীয়ৰী" উপন্যাসৰ অন্তৰ্নিহিত ভাৱধাৰা। বৰদলৈদেৱে মিৰি ডেকা-গাভৰু জঙ্কি-পানেইৰ প্ৰণয়ৰ যি শোকাবহ ঘটনা দাঙি ধৰিছে তাৰ স্বৰূপ প্ৰকাশ কৰাটো সহজসাধ্য নহয়। বৰদলৈদেৱে "মিৰিজীয়ৰী"ত জঙ্কি-পানেইৰ প্ৰেমক স্বৰ্গীয় প্ৰেম কৰি তুলিছে।

তেওঁৰ ভাষা আছিল সহজ সৰল। তেওঁ আটাইকেইখন বুৰঞ্জীমূলক উপন্যাসতে মানৱ আক্ৰমণক পটভূমি হিচাপে লৈ মানৱ আক্ৰমণৰ ভয়াবহ ঘটনাসমূহ সাধুকথাৰ দৰে বৰ্ণনা কৰি গৈছে। মানৱ দিনৰ ঘটনাসমূহক এনেদৰে সুন্দৰভাৱে বৰ্ণনা কৰাৰ কাৰণেই তেওঁৰ উপন্যাসসমূহ সাধাৰণ লোকৰ মাজত অতি জনপ্ৰিয়। "মিৰি জীয়ৰী" উপন্যাসতো অতি সহজ সৰল ভাষাৰে মিৰি ডেকা-গাভৰু জঙ্কি আৰু পানেইৰ প্ৰণয়ৰ শোকাবহ পৰিণতিৰ লগতে মিৰি সমাজৰ নিখুঁত প্ৰতিচ্ছবি ফুটাই তুলিছে।

বৰদলৈদেৱ আছিল আদৰ্শবাদী। তেওঁ অতি নৈতিক জীৱন যাপন কৰিছিল যদিও তেওঁৰ জীৱনত গোড়ামীয়ে প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাছিল। তেওঁ বৃটিছ চৰকাৰৰ অধীনত চাকৰি কৰিছিল যদিও ভাৰতীয় ঐতিহ্যৰ আদৰ্শ বিলোপ সাধন হোৱাটো

মনে-প্ৰাণে বাঙ্গালী নকৰিছিল। তেওঁ প্ৰাচ্য আৰু পাশ্চাত্যৰ ভাৱাদৰ্শৰ প্ৰতি সন্মানজনক শ্ৰদ্ধা প্ৰদৰ্শন কৰিছিল। এনেকুৱা আছিল ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ। ১৯৪০ চনৰ ২৫ মাৰ্চ তাৰিখে বৰদলৈদেৱে শেষ নিশ্বাস ত্যাগ কৰে।

বৰদলৈদেৱৰ মৃত্যুত অসমীয়া সাহিত্যৰ পূৰাব নোৱৰা ক্ষতি হ'ল। অসমীয়া উপন্যাস সাহিত্যত ৰজনীকান্ত বৰদলৈদেৱৰ স্থান অতুলনীয়। সেয়েহে অসমীয়া উপন্যাস সাহিত্যত তেওঁক "ঔপন্যাসিক সম্ৰাট" বুলি আখ্যা দিয়া হয়।

> আজিৰ জগতখনত মানুহ হৈছে কাৰিকৰ আৰু সমাজ হৈছে ঠগ। এনে জগতত ওখ থাপৰ কলা-সাহিত্য তিষ্ঠিব নোৱাৰে।
>
> —ড° ৰাধাকৃষ্ণণ

শ্ৰীঅণু শৰ্মা
স্নাতক ১ম বাৰ্ষিক

# ৰঘুনাথ চৌধাৰীৰ "কেতেকী"

প্ৰকৃতি কৱি ৰঘুনাথ চৌধাৰী নিঃসন্দেহে অসমীয়া কাব্য-সাহিত্যৰ নৱন্যাস যুগৰ এজন শ্ৰেষ্ঠ কৱি; কিন্তু অসমীয়া সাহিত্যৰ নৱন্যাস যুগৰ লেখকসকলৰ মাজত চৌধাৰীৰ এক ব্যতিক্ৰম দেখা যায়। পাশ্চাত্য সাহিত্য বা ধ্যান-ধাৰণাৰ প্ৰভাৱ স্পৰ্শই অসমীয়া নৱন্যাস লেখকসকলৰ ৰচনাত যি ৰং-ৰূপ আনিছে, যি বৈচিত্ৰ্য দান কৰিছে, ৰঘুনাথ চৌধাৰীৰ ৰচনাত সি সম্ভৱ হোৱা নাই। প্ৰাচীন ভাৰতীয় সংস্কৃত সাহিত্য আৰু অসমীয়া বৈষ্ণৱ সাহিত্যৰপৰাহে চৌধাৰীয়ে অনুপ্ৰেৰণা লাভ কৰিছিল; কিন্তু পাশ্চাত্য সাহিত্য বা ধ্যান-ধাৰণাৰ লগত চৌধাৰীৰ সম্যক পৰিচয়হীন বুলি বা পাশ্চাত্য চিন্তা চৰ্চাৰ প্ৰতি চৌধাৰীৰ অশ্ৰদ্ধা বুলি নিশ্চয় ক'ব নোৱাৰি। অসমীয়া সাহিত্যত কৱি চৌধাৰীৰ আৱিৰ্ভাৱৰ সময়ত অসমীয়া নৱন্যাস সাহিত্যই এটা পৰিপূৰ্ণ নিটোল ৰূপ লাভ কৰিছে। সেইবাবেই যেন অসমীয়া কাব্য প্ৰবাহৰ শেষছোৱাৰ গতি চৌধাৰীয়ে ভিন্নমুখী কৰাৰ এটা সফল একক প্ৰচেষ্টা চলাইছে। তেখেতৰ দহিকতৰা, কেতেকী আৰু সাদৰী সেইবাবেই আধুনিক অসমীয়া কাব্য কাননৰ তিনি-পাহি স্বকীয়া বৈশিষ্ট্যসম্পন্ন ফুল।

প্ৰকৃতি কৱি ৰঘুনাথ চৌধাৰীৰ "কেতেকী" কৱিতা পুথি সম্পৰ্কে আলোচনা কৰিবলৈ যোৱাৰ আগতে "কেতেকী"ৰ জন্ম কাহিনী আলোচনা কৰা নিশ্চয় ভাল হ'ব। তেতিয়া আছিল ১৯১৫ চন। কৱি আছিল তেতিয়া বোন্দাৰ থাটত। বেলি পৰোঁ পৰোঁ অৱস্থা। এনে সময়তে কৱি চৌধাৰী পানী আনিবলৈ অলপ দূৰৰ নিজৰা এটালৈ গৈছিল। অলপ দূৰ গৈয়ে তেওঁ এজন মিকিৰ বুঢ়া লগ পালে। দুয়ো কথা পাতি থাকোঁতে ওচৰতে থকা ঢোপ গছজোপাৰপৰা ঘপহকৈ কিবা এটা পৰাৰ শব্দ হ'ল। সেয়া বতাহৰ আগ জাননী বুলি বুঢ়া মানুহজনে কোৱাত তেওঁ লৰালৰি কৰি ঘৰলৈ আহিল। ঠিক এনে সময়তে সোঁ সোঁ শব্দ এটা

কবিৰ কাণত পৰিল। এক প্ৰচণ্ড বেগেৰে ধুমুহা বতাহ বলিবলৈ ধৰিলে। গছ-গছনিত থকা চৰাই-চিৰিকতিবিলাকে ৰমলিয়াবলৈ ধৰিলে। প্ৰায় ৰাতি দহমান বজালৈকে এনে ধুমুহা, শিলাবৃষ্টি, গাজনি, বিজুলীৰ চিক্‌মিকনি হৈ আছিল। কবিৰ মনত এক বিৰাট আতঙ্কৰ সৃষ্টি হ'ল। প্ৰকৃতিৰ এই তাণ্ডৱ লীলা চাই কবি আচৰিত হৈ পৰিছিল। এনেতে বহুত দূৰত সেই হে-হোবনিৰ মাজত এটা 'অ' কেতেকী! অ' কেতেকী!' বুলি মন্তা মাত তেওঁৰ কাণত পৰিল। লাহে লাহে সেই মাত বেছি স্পষ্ট হৈ কবিৰ কাণত বাজি উঠিল। যিমানে সেই মাত ওচৰ চাপি আহিল কবিয়ে ই কেতেকী চৰাইৰ মাত বুলি ধৰিব পাৰিলে। তেতিয়া কবিৰ মনত এটা সাহস আহিল, প্ৰকৃতিৰ ধ্বংস নাই। ই কেৱল প্ৰকৃতিৰ এটা বিচিত্ৰ খেলা। তেতিয়া কবিৰ তীব্ৰ বেদনাৰ আঘাতত দুখ পোৱা হৃদয়খনে অলপ সান্ত্বনা পোৱা যেন লাগিল। কবিয়ে অনুভৱ কৰিলে যে এই চৰাইটোৱেই শান্তিৰ দূত। জগতত সান্ত্বনাৰ বাণী প্ৰচাৰ কৰি ফুৰিছে। ঠিক সেই সময়ত প্ৰকৃতিয়েও লাহে লাহে শান্ত ৰূপ ধাৰণ কৰিছিল। সেই মাতৰ অনিৰ্বচনীয় সুৰেই কবিৰ জীৱনত এক প্ৰহেলিকা সৃষ্টি কৰি দিয়া যেন কবিয়ে অনুভৱ কৰিলে আৰু সেই সুৰৰ প্ৰেৰণাতে সৃষ্টি হ'ল "কেতেকী"ৰ।

"কেতেকী" কাব্য কবিৰ জীৱন অভিজ্ঞতাৰ প্ৰাঞ্জল প্ৰকাশ। পাৰ্থিৱ মানৱ জীৱনৰ অসংখ্য অভিজ্ঞতা কবিয়ে এই কাব্যৰ মাজেদি প্ৰকাশ কৰিছে। ব্যক্তিগত জীৱনত কবিৰ পোৱা-নোপোৱা, আশা নিৰাশা, সুখ-দুখৰ যি গধুৰ বোজা তেখেতে বহন কৰিব লগা হৈছে, সেই সকলোবিলাক কেতেকী চৰাইৰ আগত কবিয়ে প্ৰকাশ কৰিছে। কবিৰ অভিজ্ঞতাত পাৰ্থিৱ জীৱন হা-হুতাশৰে পৰিপূৰ্ণ। সেইবাবে কবিয়ে এনেদৰে কৈছে ঃ

"নহয় ই ঠাই নন্দন কানন
নহয় অমৰাৱতী,
আচল পিছল আছে বহুবাট
আছে বহু লটিঘটি।
এই মৰ্ত্ত্য জীৱন স্বাৰ্থ বিজড়িত, —
নিস্বাৰ্থ মৰম নাপাবি ইয়াত
নাপাবি অমিয়া সুখ,
আদৰি সাদৰি কোনেনো মাতিব
কোনে পতিয়াব দুখ।"

কিন্তু কেতেকী চৰাই এনে এখন মানৱ অজ্ঞাত, শ্ৰদ্ধা, শান্তি, দয়া বিৰাজিত, নিকুঞ্জকানন ভৰি প্ৰেম পাৰিজাতেৰে সুশোভিত ৰাজ্যৰ প্ৰাণী, য'ত 'অপৰূপ সদানন্দ ৰূপ আছে দিব্যৰূপ ধৰি।' বৈকুণ্ঠ সদৃশ্য সেইখন জগতত মৰ্ত্ত্যৰদৰে পাপ প্ৰলোভন নাই, আছে কেৱল পুণ্যৰ জ্যোতি, প্ৰাণ শীতলোৱা ধীৰ সমীৰণৰ সৌৰভ।

কবিৰ মতে কেতেকীৰ গীত কোনোবা 'অপৰূপ সদানন্দ ৰূপ।' মানুহে নজনা পূৰ্ণ জগতৰ আনন্দ উচ্ছ্বাস। কেতেকীৰ মাত যেন বসন্ত কালৰ বতাহহে, কোন দিশৰপৰা আহি কোনফালে বলি যায় তাৰ কোনো আদি-অন্ত নাই। কবিৰ মতে কেতেকী মাথোন এটি স্বৰ, এটি প্ৰহেলিকা "a voice, a mystry।" এই বিস্ময় ভাৱতেই কবিয়ে কৈছে ঃ

"ক'ৰপৰা তই আহিলি সোণাই
কোন দিশে যাব উৰি,
কিয় বা ফুৰিছ দূৰ-দূৰণিত
অকলই ঘূৰি ঘূৰি ?"

কবিয়ে কেতেকী চৰাইটোক বুজি পোৱা নাই। কল্পনাৰ তীব্ৰ দৃষ্টিৰে কবিয়ে বুজিলে যে এই শোকপূৰ্ণ সংসাৰত য'ত সুখৰ জেউতি পৰিছে এই আটাইবোৰেই কেতেকীৰ গীতৰ ঢৌ মাথোন ঃ

"জন-প্ৰাণীহীন মৰু প্ৰান্তৰত
গাই সঞ্জীৱনী গান,
সজাই তুলিলি উষাৰ ভূষিত
অপৰূপ মৰুদ্যান।"

কবিয়ে কল্পনা কৰিছে যে কেতেকীৰ গীতৰ লগে লগে গোটেই পৃথিবীত এক অপূৰ্ব্ব প্ৰাণৰ সঞ্চাৰ হ'ল।

চতুৰ্থ তৰঙ্গত কবিয়ে দেখিলে যে কেতেকীৰ গীতৰ ঝঙ্কাৰত কেৱল অতীত আৰু তেওঁৰ-চাৰিও-ফালেই সন্মোহিত হোৱা নাই—ভূত, ভৱিষ্যত, তলঁ-ওপৰ সকলোকে ছানি এক বিশাল জীৱনৰ সোঁত প্ৰবাহিত হৈছে ঃ

"তোৰ সঙ্গীতত বিজুলী চমকে
মেঘে মেঘে চুমা খায়।
তোৰ সঙ্গীতত নাচে গোপবালা
যমুনা উজাই বয়।"

কবিয়ে কল্পনা কৰিছে যে কেতেকী চৰাইটিয়ে যি সুললিত কণ্ঠেৰে গীত গায়, সেই গীতৰ চেৱে চেৱে যেন বিজুলীয়েও আকাশত নাচিবলৈ ধৰে। কেতেকী চৰাইৰ গীত শুনি গোপ-গোপীবিলাকে নৃত্য কৰিবলৈ ধৰে। আনকি স্বয়ং যমুনাও উজাই ববলৈ ধৰে।

আমাৰ এই অসমীয়া কবিৰ নিচিনা চৰাইৰ একে গীতৰ সুৰতেই মুগ্ধহৈ তৰুণ ইংৰাজ কবি কিট্‌ছেও অতীতত সেই একেই জীৱনৰ স্পন্দন অনুভৱ কৰিছিল ঃ

"Perhaps the self-same song that found
a path
Through the sad heart of Ruth, when
sick for home,
She stood in tears amid the alien corn
etc."

আমাৰ বিহগী কবিৰ মনত প্ৰথমৰপৰাই যে "আছিলোঁ মগন মোহ টোপনিত, নাছিল চেতনা জ্ঞান" ইত্যাদি ধৰণৰ এক সমস্যা চলিছিল সচৰাচৰ দেখি থকা জগতখনেই সত্য নে পখীৰ গীতত মুকলি হোৱা জগতখনেই সত্য, ব্ৰহ্মাণ্ড জুৰি এক বিৰাট চৈতন্য প্ৰবাহ দেখি সন্দেহ ভাগি গ'ল। কবিয়ে যেন আচল সত্যৰাজ্যত প্ৰৱেশ কৰিবলৈ মন মেলিলে ঃ

"তোৰ লগতেই এৰি থলোঁ মই
মায়াৰ সংসাৰ।"

কবিৰ মতে এই অপাৰ্থিৱ কেতেকী চৰাইটো মৰ্ত্তাৰ অমূল্য বস্তুৰ খনি। কেতেকীৰ গীতৰ ঝঙ্কাৰত মৰ্ত্ত্যত অপূৰ্ব্ব সৌন্দৰ্য্যৰ সৃষ্টি হয়; কিন্তু কেতেকীৰ অবিহনে এই পৃথিবী পুনৰ নিৰ্জীৱ, নিষ্প্ৰাণ হৈ পৰিব। সেইবাবেই কবিয়ে কেতেকীৰ লগত অলৌকিক স্বপ্নৰাজ্য এখনলৈ উধাও হোৱাৰ আকাঙ্ক্ষা কৰিছে ঃ

"বিষয়ৰ সুখ, বাসনা পিয়াহে
শুকালে ডিঙিৰ আঁত,
মৃগ-তৃষ্ণিকাই ধৰে আগভেটি
বিচাৰি নাপাওঁ বাট।"

'বাসনা এৰ সংসাৰ'। কবিৰ এই উপলব্ধি ভাৰতীয় বৈষ্ণৱ কবিৰ উপলব্ধিহে। সাৰশূন্য মৃগতৃষ্ণাৰ্ণৱৰ জলত স্নান-পান-আচমন কৰি হোৱা বৈষ্ণৱ কবিৰ উপলব্ধিয়ে চৌধাৰীক প্ৰেৰণা যোগাইছে।

কেতেকাক আশ্ৰয় কৰি আমাৰ কবিয়ে যি যি সুন্দৰ স্বপ্নৰাজ্যৰ কল্পনা কৰিছিল, সেই কল্পনা এদিন বাষ্পীভূত হৈ পৰিল ঃ

"নাম গাই গাই উৰি গ'ল পখী
দুনাই নাহিল ঘূৰি,

কেতেকী বিহনে শুদা শুদা যেন,
হ'ল আজি মায়াপুৰি।"

কবিৰ পাৰ্থিৱ জীৱন, পাৰ্থিৱ জগত শূন্যতাৰে ভৰি পৰিল। কবিয়ে বুজিব পাৰিলে স্বৰ্গ-মৰ্ত্ত্যৰ মাজত কোনো সেতুবন্ধন হ'ব নোৱাৰে। মানৱ জীৱনত স্বৰ্গৰ অমিয়া সুখৰ আস্বাদন হ'ব নোৱাৰে; কিন্তু অপাৰ্থিৱ বা পাৰলৌকিক জীৱনৰ অমিয়া সুখৰ সৌধ নিৰ্মাণৰ প্ৰস্তুতি চলিব লাগিব এই ইহলৌকিক পাৰ্থিৱ জীৱনতে। সেইবাবে কবিয়ে শেষত কৈছে:

"সংসাৰ বনত ভ্ৰমো যতদিন
তোৰে গুণ গান গাম।"

মুঠৰ ওপৰত "কেতেকী"ৰ ক্ষেত্ৰত আমি ইয়াকে ক'ব পাৰোঁ যে কেতেকী কবিৰ "হৃদি বাসনাৰ ধন", ই "নিৰাশাৰ আশা", বিশ্ব বিয়পি থকা প্ৰেমৰ তৰঙ্গ। কবিয়ে তেওঁৰ জীৱন-দৰ্শন যেন "কেতেকী"ৰ মাজেদি ভাৱে,-ভাষাই, ব্যঞ্জনাই হৃদয়গ্ৰাহী কৰি পাঠকৰ আগত দাঙি ধৰিছে। অৱশেষত আমি এইটো স্বীকাৰ কৰিবই লাগিব যে অসমীয়া কাব্য-সাহিত্যত "কেতেকী" এপাহি মৰুভূমিৰ পাৰিজাত।

—

# সমাজ আৰু সংস্কৃতি

ভাৰতী গগৈ
প্ৰাক্তন ছাত্ৰী

সময় আগবঢ়াৰ লগে লগে বৰ্ত্তমান অতীত হয়, অতীত পাহৰণিৰ বালিচৰত পোত যোৱাৰ উপক্ৰম হয়। শিক্ষা-সংস্কৃতিৰ চৰ্চ্চাই বৰ্ত্তমানৰ বুকুত বিস্তৃতি লাভ কৰে। নতুন দৃষ্টিৰে অতীতলৈ ভুমুকিয়াই চোৱাৰ হেঁপাহ ওপজে। এই আপাহতে প্ৰত্যেক জাতিয়ে নিজৰ অতীত শৌৰ্য্য-সংস্কৃতি, ভাস্কৰ্য্য-স্থাপত্য, সঙ্গীত-নৃত্য, জাতি-উপজাতি, ৰজা-মন্ত্ৰীৰ পম খেদি—মূল্যায়ন কৰে, নিজে জানে আনক জনায়; আনৰ শিক্ষা-সংস্কৃতিৰে নিজৰখনি বিজায়। প্ৰত্যেক দেশে, প্ৰত্যেক জাতিয়ে নিজস্ব বৈশিষ্ট্যৰ সংস্কৃতিৰ ধাৰটো ভেঁটা লিপৰাকৈ ৰাখিবলৈ কৰা যত্ন আৰু চেষ্টায়েই হৈছে সংস্কৃতিৰ অধ্যয়ন। আধুনিক শিক্ষা-দীক্ষাই গা-কাৰ উঠাৰ দিনৰেপৰা বিদগ্ধ পণ্ডিতসকলে কৃষ্টি-সংস্কৃতিৰ নানান দিশত আলোকপাত কৰি আহিছে।

সংস্কৃতিক ব্যক্তিত্ব বিকাশৰ এটা স্তৰ বুলিব পাৰি। সামাজিক, আত্মিক, সকলো প্ৰকাৰৰ মুক্তিৰ বেদী বোলাও হয়। মুক্তিৰ বেদীতহে সংস্কৃতি জাতিস্কাৰ হোৱাটো সম্ভৱ। সংস্কৃতি প্ৰাণ-স্পন্দনৰ বস্তু। আচলতে সংস্কৃতি হৈছে সামাজিক প্ৰকাশ। কোনোৱে সংস্কৃতি আৰু সভ্যতা দুয়োটাকে একে বস্তু বুলি ক'ব খোজে। সংস্কৃতি সভ্যতাৰ পটভূমিত গঢ়ি উঠে যদিও উচ্চপৰ্য্যায়ৰ সংস্কৃতিবিহীন সভ্যতাৰ উদাহৰণো ইতিহাসত পোৱা যায়। সভ্যতাৰ অৰ্থ হৈছে সুশৃঙ্খল সমাজ সংগঠন—যাতে তাত সংস্কৃতিয়ে নিৰলে পোখা মেলি পত্ৰে-পুষ্পে সুশোভিত হ'ব পাৰে।

সাধাৰণতে সুকুমাৰ কলা-বস্তু আৰু মানসিক বস্তুসম্ভাৰৰ সমষ্টিকেই সংস্কৃতি বুলি কোৱা হয়। "Broadly speaking, culture may be described as the sum-total of a peoples achievements in aesthetics and other patterns of the mind." সামাজিক সচেতনতাই হৈছে সংস্কৃতিৰ প্ৰাণ। প্ৰাণহীন সমাজৰ সংস্কৃতি মৰিশালিৰ দৰেই নিষ্প্ৰাণ। কাৰণ সমাজৰ জীপ লৈ সংস্কৃতি জীয়াই থাকে।

এঙ্গেলছৰ মতে—"অৰ্থনৈতিক পদ্ধতিয়ে সংস্কৃতিৰ চানেকি নিৰ্ণয় কৰে।" কৃষিজীৱী সমাজৰ সাংস্কৃতিক চানেকি অন্য সমাজৰ সংস্কৃতিৰ সৈতে নিমিলে। কৃষিজীৱী সমাজৰ অৰ্থনৈতিক জীৱন প্ৰকৃতিৰ কৰুণাৰ ওপৰত নিৰ্ভৰ কৰে। ইয়াৰ অন্তৰালত আছে অদৃষ্ট শক্তিৰ হস্তলেখা। বৈজ্ঞানিক পদ্ধতিৰ ভৱিষ্যতে বহুখিনি পৰিৱৰ্ত্তন হলেও প্ৰকৃতিৰ অদৃষ্টবাদী পৰিণৰপৰা হাত সাৰিব পৰা নাই; কিন্তু উদ্যোগজীৱী সমাজ অদৃষ্টবাদী নহয়। কৃষিজীৱী মানুহ যিদৰে প্ৰকৃতিৰ দাস, উদ্যোগজীৱী মানুহৰ দাস হৈছে যন্ত্ৰ। সেয়ে উদ্যোগজীৱীৰ অৰ্থনীতি যন্ত্ৰ ব্যৱহাৰত নিৰ্ভৰ কৰে। সমাজৰ সাংগঠনিকস্বৰূপে সংস্কৃতিৰ স্বৰূপ নিৰ্ভৰ কৰে। সংস্কৃতি সমাজ মনৰ প্ৰতিচ্ছবি —এইষাৰ কথা সংস্কৃতিৰ বুৰঞ্জীত লিপিবদ্ধ হৈ আছে।

বৰ্ত্তমান সমাজ চানেকিৰ ৰূপ লৈ বৰ্ত্তমানৰ সংস্কৃতি গঢ়ি উঠিছে। অৰ্থনৈতিক, মানসিক বস্তু সম্ভাৰৰ ক্ষেত্ৰতো বৰ্ত্তমান সমাজত জটিলতা বাঢ়িছে। কিছুমান মানুহৰ ক্ষমতা বৃদ্ধি, সৰহভাগৰ দাৰিদ্ৰ্য আৰু অভাৱ-অনাটনৰ কবলত পৰি জনসাধাৰণ সংস্কৃতি সৃষ্টিৰ বৰ্দ্ধিত স্ৰোতধাৰাৰপৰা স্বাভাৱিকতে বিচ্ছিন্ন হৈ গৈছে। তাৰ পৰিৱৰ্ত্তে এমুঠি ক্ষমতা-

সম্পন্ন মানুহে সংস্কৃতি ৰক্ষাৰ দায়িত্ব বহন কৰিছে য'ত অন্তৰ স্পন্দন নাই ঃ ""The artist must have a defined place in society which the artist to-day is not having. This has inevitably produced a dissipating effect on art and culture." বৰ্ত্তমান অৱস্থাত সংস্কৃতিৰ জীৱন সঞ্জীৱিত কৰিবলৈ সামাজিক বিপ্লৱৰ প্ৰয়োজন হৈছে। ইয়াৰ ফলতহে সমাজৰ আমূল পৰিবৰ্ত্তন হোৱাৰ সম্ভাৱনা বেছি। লিঁয় ট্ৰটস্কিয়ে ক'বৰ দৰে "Under socialism solidarity will be the basis of society. Literature and art would be turned to diflerent key."

ধনতন্ত্ৰবাদী সমাজৰ সন্তান পতনমুখী সমাজত সংস্কৃতি সদায় নিম্নগামী হয়। বৰ্ত্তমান সংস্কৃতি ধনতন্ত্ৰবাদী সমাজৰ বস্তু হৈ পৰিছে। এনে সংস্কৃতিৰ জীৱন সামাজিক স্ৰোতধাৰাবপৰা বিচ্ছিন্ন হ'বলৈ বাধ্য। কমলা দেৱী চট্টোপাধ্যায়ৰ ভাষাত "It is rarely, and more by accident, that money goes hand in hand with love and beauty".

শিল্পী হৈছে উৰণীয়া চৰাইৰদৰে ; কোনো প্ৰতিবন্ধকে তেওঁলোকৰ সৃষ্টি প্ৰতিভাক বিকশিত নোহোৱাকৈ ৰাখিব নোৱাৰে। ব্যক্তিগত সৃষ্টি প্ৰতিভ আৰু সমাজ সচেতন মন — এই দুয়োটাৰে সামগ্ৰিক বিকাশৰ প্ৰভাৱতহে সাংস্কৃতিক মানদণ্ডৰ উন্নয়ন হোৱাটো স্বাভাৱিক আৰু সম্ভৱ। সংস্কৃতিক সেই বুলি প্ৰচাৰ মাধ্যমলৈ পৰিণত কৰাটো সমাজ চেতনাৰ উদ্দেশ্য হ'ব নোৱাৰে। সাংস্কৃতিক মানদণ্ডৰ অৱনতিৰ মাই কাৰণ হৈছে— বাধা। নগ্ন সৌষ্ঠৱহীন প্ৰচাৰৰ জৰিয়তে সমাজ জীৱনৰ স্পন্দন ঘনীভূত কৰি তুলিবলৈ গ'লে চাৰু-কলাৰ মৰ্য্যাদা হানি হোৱাৰ ভয় থাকে।

প্ৰাচীনপন্থীসকলে বৰ্ত্তমান জীৱনত অতীতক পুনৰুদ্ধাৰ কৰি প্ৰতিফলিত কৰিবলৈ বিচাৰে। সেইবুলি প্ৰগতিৰ বটা ৰুদ্ধ কৰিব নোৱাৰে। মানুহ গতিচঞ্চল আৰু সেইবাবেই মানুহ মহৎ। গতিচঞ্চলতা হেৰুৱাই যেতিয়া মানুহ স্থবিৰ হ'ব তেতিয়া মানুহ আৰু মানুহ হৈ নাথাকে। সংস্কৃতিৰো স্থবিৰতাপ্ৰাপ্ত হলেই মৃত্যু অনিবাৰ্য্য।

বৰ্ত্তমান সমাজত প্ৰয়োজন হৈছে এক সমলয়ী সুৰ স্পন্দনৰ, য'ত অতীত, বৰ্ত্তমান আৰু ভৱিষ্যতৰ ছবি প্ৰতিফলিত হ'ব পাৰে। বৰ্ত্তমান নিজস্ব সুৰ-স্পন্দনেৰে গতিচঞ্চল, অতীতৰ নিজস্ব সমৃদ্ধি আছে, মহিমামণ্ডিত ভৱিষ্যতে নতুনৰ দুৱাৰ মেলি আমাক ৰিঙিয়াই মাতিছে। এই আহ্বানেই সংস্কৃতিৰ সাৰ্থক আমন্ত্ৰণ।

সংস্কৃতিৰ আদৰ্শ হৈছে বোৱঁতী সুতিৰদৰে। এইবোৰক শাশ্বত অনুভূতিৰ আৰু বুদ্ধিমত্তাৰ বস্তু-স্বৰূপে আমি গ্ৰহণ কৰা উচিত। সাহিত্য, শিল্প, চাৰু-কলাৰ বুৰঞ্জীত ভাৰতৰ এক উন্নত সংস্কৃতিগত ঐতিহ্য আছে। দৰ্শনৰ পিনৰপৰাও এই ঐতিহ্য যে যথেষ্ট উন্নত সেই বিষয়ে সন্দেহ নাই। এনে পৰি-বেশত জন্মান্তৰবাদ, কৰ্ম্মফলবাদ — এনে তৰহৰ নিস্ফল দৰ্শনৰ ঠাই থাকিব নোৱাৰে। যেতিয়ালৈকে কৰ্ম্মফলবাদ আৰু জন্মান্তৰবাদৰ হেঁচাত সমাজ ভাৱাক্ৰান্ত হৈ থাকে তেতিয়ালৈকে কোনো অৰ্থনৈতিক মুক্তিয়েই যাদুকাঠীৰ কাম কৰিব নোৱাৰে ; কিয়নো নিস্ফল দৰ্শনেৰে ভাৱাক্ৰান্ত মনৰ দিগন্ত কেতিয়াও মুকলি হ'ব নোৱাৰে। সেইবাবে যিকোনো মুক্তিয়েই জন-সাধাৰণৰ অন্তৰ স্পন্দিত কৰিব পাৰিব লাগিব। সেইটোৰ অৰ্থ সুবিধাও ৰাখিব পাৰিব লাগিব।

মানৱ অন্তৰৰ মুক্তি স্পৃহাক জাগ্ৰত কৰিবলৈ হ'লে সচেতনতাৰ প্ৰয়োজন। উন্নত সাংস্কৃতিক ব্যৱস্থাইহে এই সুপ্ত অনুভূতি সম্পদ জাগ্ৰত কৰে। মুক্তি আদৰ্শৰ প্ৰতি জনসাধাৰণক জাগ্ৰত কৰি তোলাটো এমুঠি মানুহৰ কাম নহয়। সংস্কৃতিৰ মৰ্ম্ম-স্পন্দন হৈছে মুক্তি। উন্নত সংস্কৃতিয়ে মানৱ আত্মাৰ মুক্তি স্পৃহা তীক্ষ্ণ আৰু টনকিয়াল কৰি তোলে। বন্ধ সমজাৰ

সংস্কৃতিয়ে বিকাশৰ সুযোগ নোপোৱাৰ ফলত প'ঙ্গা লগা হ'বলৈ বাধ্য। যিখন সমাজত সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰতেই সততাৰ অপমৃত্যু হয়, যিখন সমাজত সাহিত্য-সংস্কৃতিয়েই ভাষা ৰস বোধ, মূল্যজ্ঞান, যুক্তি তথ্য চৰিত্ৰৰ বধ্যভূমিলৈ পৰিণত হয়, সেইখন সমাজত ৰাজনীতিৰ ক্ষেত্ৰত সত্যম্ শিৱম্ সুন্দৰমৰ আদৰ্শ বিচাৰি পোৱা নাযায়। যি সমাজত সংস্কৃতিয়েই Corrupt হয়, সেই সমাজত ৰাজনীতি বহুগুণে Corrupt হোৱাৰেই সম্ভাৱনা। সেইখন সমাজত সক্ৰিয়ভাৱে ৰাজনীতি কৰিবলৈ যোৱা মানুহৰ মনবোৰ স্থূল, অসুন্দৰ নহৈ নোৱাৰে। সমাজত ৰাজনীতিৰ লগত সাহিত্য-সংস্কৃতিৰ এক গভীৰ পৰ্য্যায়ৰ সম্পৰ্ক আছে।

মানৱ ইতিহাসৰ কোনো যুগেই সাংস্কৃতিক ব্যাধিৰপৰা মুক্ত নহয় আৰু সাংস্কৃতিক ব্যাধিৰ বিৰুদ্ধে যথাৰ্থ মানৱিক চেতনাই চলোৱা সংগ্ৰামৰপৰাও মুক্ত নহয়। যদিও এই মানৱিক চেতনাই বিভিন্ন ঐতিহাসিক পৰ্য্যায়সাপেক্ষ এটা বিৱৰ্ত্তনশীল বা পৰিবৰ্ত্তনশীল ৰূপ লৈ আত্ম প্ৰকাশ কৰিছে, তথাপি তাৰ এটা মৌলিক ৰূপো আছে। সংস্কৃতিৰ বিৱৰ্ত্তন হ'বই। এই বিৱৰ্ত্তন মানৱিক চেতনাৰ মৌলিক ৰূপটোক কেন্দ্ৰ কৰি প্ৰকাশ হ'ব পাৰিছেনে নাই এই প্ৰশ্নৰ উপলব্ধিয়েই মানৱিক চেতনাৰ মৌলিক ৰূপটোৰ কেন্দ্ৰ শিকলি ছিঙা এক যুগধৰ্ম্মৰ সোঁতত গা এৰি নিদিবলৈ প্ৰকৃত সংস্কৃতিবান চিন্তাশীললোকক সতৰ্ক কৰি ৰাখে। এনেতে সমাজৰ একোটা নতুন ঐতিহাসিক পৰ্য্যায়ত দেখা দিয়া মানৱ জীৱনৰ নতুন সম্ভাৱনা আৰু জ্ঞানৰ নবীন সংযোজনাৰ (addition) পোহৰতহে সমাজ আৰু সংস্কৃতিৰ পৰিবৰ্ত্তন হোৱাটো তেওঁলোকে বিচাৰিব আৰু আনহাতে সেই পৰিবৰ্ত্তনৰ প্ৰক্ৰিয়াটো যাতে মানৱিক চেতনাৰ মৌলিক ৰূপটোৰদ্বাৰা পৰিচালিত হয় তাৰবাবেই তেওঁলোকে সংগ্ৰাম চলাব। মানৱ সমাজৰ বিৱৰ্ত্তনশীল ৰূপটোৱে আজি মানৱিক চেতনাৰ মৌলিক ৰূপটোৰ লগত সংযোগ ছিন্ন কৰি একাধিক ৰূপত মানুহৰ সত্তাৰ মৌলিক ঐশ্বৰ্য্যখিনিকেই লুপ্ত কৰিবলৈ আৰম্ভ কৰিছে।

সমাজ বিৱৰ্ত্তনেই হওক বা সাংস্কৃতিক ক্ৰমবৃদ্ধিৰ মূলতেই হওক মানৱ আত্মাৰ মুক্তি স্পন্দন জীৱিকা অৰ্জনৰ পদ্ধতিবিশেষে সাংস্কৃতিক চানেকিক যুগে যুগে ৰূপ দি আহিছে। মানৱ আত্মাৰ মুক্তিস্পৃহাই এটা স্তৰৰপৰা আন এটা স্তৰলৈ মানুহক যাবলৈ শিকাইছে। মানুহৰ অন্তৰ্নিহিত যুক্তি আদৰ্শই এনেদৰেই অনুপ্ৰেৰণা যোগাই আহিছে। ইয়াৰ অভাৱত মানুহৰ জীৱনৰ গতিয়ে গতি সলাইছেঁতেন আৰু মানুহৰ সংস্কৃতি অভিযান নাইবা সমাজ বিৱৰ্ত্তনৰ আদৰ্শ জড়তাপ্ৰাপ্ত হৈ মৃত্যুমুখী হ'লহেঁতেন। সমাজত এক উচ্চ সংস্কৃতিৰ বোধ সক্ৰিয় হৈ নাথাকিলে জাতিপ্ৰেম, জনসাধাৰণৰ ৰাজনৈতিক, অৰ্থনৈতিক প্ৰগতি আদি ভাল আদৰ্শবোৰো একোটা সংস্কৃতিবিৰোধী শক্তিলৈ যে পৰিণত হ'ব পাৰে তাৰ উদাহৰণ প্ৰায়ে দেখা গৈছে। সমাজৰ গুণগত প্ৰগতিক সম্ভৱ কৰিবলৈ সাংস্কৃতিক মূল্যবোধসম্পন্ন বুদ্ধিজীৱীসকলে সমাজক সেৱা কৰিব লাগিব সংস্কৃতিক ৰক্ষা কৰিবলৈ কৰ্মপ্ৰয়াস চলোৱাৰ যোগেদিয়েই :

"Guarding the treasure of acquired culture, saving it whole for the generation of tomorrow" (The Modern Culture of Latin America,Society and the Artist: Jean Franco. P. 191)

উচ্চ সংস্কৃতিৰ প্ৰসঙ্গতেই সমাজত ধী শক্তিৰ বা বৌদ্ধিক চেতনাৰ এটা ঐতিহ্যৰ গুৰুত্বৰ লক্ষ্য কৰিব পাৰি। যিখন সমাজত এটা শক্তিশালী বৌদ্ধিক চিন্তাৰ ঐতিহ্য নাথাকে সেইখন সমাজ উচ্ছ্বাস, সুযোগ যুক্তিহীনতা, তথ্যহীনতা, collective hysteria ৰ সোঁতত উটি যাবলৈ বাধ্য। উদাহৰণস্বৰূপে অসমীয়া সমাজ প্ৰকৃত বৌদ্ধিক চিন্তাৰ

এটা ঐতিহ্যৰ অভাৱত আজি সেইভাৱে বিপন্ন হোৱা এখন সমাজলৈ ৰূপান্তৰিত হোৱাৰ উপক্রম হৈছে। উচ্চ শিক্ষাৰ বিভিন্ন সমস্যা, উচ্চ শিক্ষাৰ মাধ্যম সম্পৰ্কীয় সমস্যা, সকলোবোৰ গুৰুত্বপূৰ্ণ সমস্যাৰ ক্ষেত্ৰতে আজি চিঞৰ-বাখৰবোৰেই শেষ কথা হৈ পৰিছেগৈ। অসমৰ অনাতাঁৰ কেন্দ্ৰ, অসমীয়া বাতৰি কাকত, সাহিত্য সভা সকলোতেই এটা নিম্নখাপৰ মানসিকতাৰ ক্রিয়া পৰিলক্ষিত হৈছে। সমাজত দেখা দিয়া সমস্যাবোৰৰ জটিলতা বৃদ্ধিৰ সময়ত চিন্তা-চৰ্চ্চাৰ যি উৎকৰ্ষ সাধনৰ প্ৰয়োজন দেখা দিছেহি সেই প্ৰয়োজনৰ প্ৰতি সচেতনতা আমাৰ সমাজত জাগ্ৰত হোৱা নাই।

সংস্কৃতি বিকাশৰ বাবে অৰ্থনৈতিক আৰু ৰাজনৈতিক সমাজ ব্যৱস্থাৰ সুৰুচিপূৰ্ণ কল্যাণকৰ সংগঠনৰ প্ৰয়োজন। এই কথাষাৰ একেবাৰে মিছা নহয়। সাৰ্থক সাধনাৰ বাবে অৰ্থনৈতিক আৰু ন্যায় বিচাৰৰ যেনেদৰে প্ৰয়োজন, তেনেদৰে সুশৃংখল জীৱন স্পন্দিত সমাজ ব্যৱস্থাৰো অতি প্ৰয়োজন। এই সকলোবোৰ সুবিধা হোৱাৰ পিছতো সংস্কৃতিৰ মনোৰঞ্জক বিকাশ সম্ভৱ নহ'বও পাৰে। সেই কাৰণেই ব্যক্তিআত্মাৰ যুক্তি অনুৰাগ আৰু উপলব্ধি স্পৃহাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে।

> মানুহৰ সংস্পৰ্শত পৰি থকা শ্ৰেষ্ঠ ভাব কিছুমানৰ ইঙ্গিতেই সংস্কৃতি। এই সংস্কৃতিৰ জৰিয়তে মানুহে তেওঁৰ মমতা ভঙ্গ কৰা আৰু নিজত্ব বিসৰ্জন দিয়া যি কোনো প্ৰতিপত্তিশীল স্বভাৱৰ বিভীষিকা শাম কটাব পাৰে। — ডঃ বাণীকান্ত কাকতি



শ্ৰীঅৰুণা দত্ত
১৯৭৭ চনৰ প্ৰাক্-স্নাতক পৰীক্ষাত
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা
পঞ্চম স্থান লাভ কৰিছে।



শ্ৰীঅমলা দেৱী
৯১৭৭ চনৰ প্ৰাক্-স্নাতক পৰীক্ষাত
অষ্টম স্থান লাভ কৰিছে
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা ।



১৯৭৬-৭৭ চনৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ
ক্ৰীড়া মহোৎসৱত সৰ্বশ্ৰেষ্ঠা দলি
নিক্ষেপ কৰোঁতা শ্ৰীচন্দ্ৰমা দুৱৰী ।



১৯৭৬-৭৭ চনৰ ডিব্ৰুগড়
বিশ্ববিদ্যালয়ৰ ক্ৰীড়া মহোৎসৱত
'জেভেলিন থ্ৰ'ট' পূৰ্বৰ ৰেকৰ্ড
ভঙ্গ কৰোঁতা শ্ৰীদিব্য বৰুৱা ।



১৯৭৬-৭৭ চনৰ
কলেজৰ বাৰ্ষিক উৎসৱত
শ্ৰেষ্ঠা বিহু-কুঁৱৰীৰূপে পৰিগণিত হোৱা
শ্ৰীবিজয়া বৰুৱা।



১৯৭৬-৭৭ চনৰ
কলেজৰ বাৰ্ষিক উৎসৱত
শ্ৰেষ্ঠা গায়িকাৰূপে
গৰিগণিত হোৱা
শ্ৰীবিজুমণি দত্ত।



১৯৭৬-৭৭ চনৰ কলেজৰ বাৰ্ষিক উৎসৱত
শ্ৰেষ্ঠ বিহু-কোঁৱৰৰূপে পৰিগণিত হোৱা
শ্ৰীঅণু কলিতা।



১৯৭৬ ৭৭ চনৰ কলেজৰ বাৰ্ষিক
উৎসৱত একাংকিকা নাট প্ৰতিযোগিতাৰ
শ্ৰেষ্ঠ দল—
ক্ৰমান্বয়ে ঃ
বহি থকা বাঁওফালৰ পৰা – শ্ৰীমধুলেখা শৰ্মা ।
মঞ্জুৰী শৰ্মা, জোনালী বৰুৱা ।
থিয় হৈ থকা বাঁওফালৰপৰা—
শ্ৰীমণিকা স্মিথ, ছায়া বৰুৱা
জ্যোতি বৰঠাকুৰ, বীণু বড়া ।



১৯৭৬-৭৭ চনৰ কলেজৰ
বাৰ্ষিক উৎসৱত শ্ৰেষ্ঠ
সাহিত্য প্ৰতিযোগী
হিচাপে পৰিগণিত হোৱা
শ্ৰীঅনিমা বৰকাকতি ।



১৯৭৬-৭৫ চনৰ কলেজৰ
বাৰ্ষিক উৎসৱত শ্ৰেষ্ঠ
অভিনেত্ৰী হিচাপে পৰিগণিত
হোৱা শ্ৰীমঞ্জুৰী শৰ্মা

Executive Committee, Sibsagar Girls' College Students' Union. 1977



Ist Row (Sitting from L to R) Sri S. Baruah. Lecturer-in-charge, Magazine ; Sri. S. K. Bhattacharyee, Lecturer-in-charge, Cultural Affairs ; Sri A. C. Bairagi, Lecturer-in-charge Games & Sports ; Miss N. Baruah, Vice-President, S. G C. S. U ; Principal B. Borkataky, President, S. G. C. S. U ; Sri S. P. Sanyal, Lecturer-in-charge of the College Library ; Sri S. U. Ahmed, Lecturer-in-charge Debating & Symposium ; Sri S. B. Baruah. Lecturer-in-charge Music ; Sri D. Kalita, Lecturer-in-charge, Magazine ; Mrs. A. Duarah, Lecturer-in-charge, Social Service & N.S.S.
2nd Row (Standing from L to R) Miss Nazma Begum, General Secretary S. G. C. S. U. ; Miss Amala Devi, Class Representative, P. D. 2nd Yr. ; Miss Anima Borah, Secy. for Cultural Affairs ; Miss Bijumoni Bhagawati, Asstt. Secy. for Games & Sports ; Miss Podmini Borgohain. Asstt. Secy. for Music ; Miss Taru Dehingia, Secy. for Games & Sports ; Miss Rumi Phukon, Secy. for Debating & Symposium, Miss Dipali Sarmah, Class Representative for PDC Ist Yr. Miss Anurupa Duarah, Editor for Magazine.

# অসমীয়া সাহিত্যলৈ

# মহিলা লেখিকাৰ অৱদান

অঞ্জলীমা বৰুৱা
প্ৰাক্-স্নাতক দ্বিতীয় বাৰ্ষিক

নাৰী আৰু পুৰুষ লৈয়ে সমাজৰ সৃষ্টি আৰু সাহিত্যক যেতিয়া সমাজৰ দাপোণ বুলি কোৱা হয় তেনেক্ষেত্ৰত সাহিত্যত পুৰুষ আৰু নাৰী উভয়ৰে অৱদান থকাটো স্বাভাৱিক। বৰ্তমান বিশ্বত পুৰুষৰ লগত সমাজৰ বিভিন্ন ক্ষেত্ৰত নাৰীয়েও আগভাগ লোৱাৰ লগতে সাহিত্যতো নিজস্ব আসন গ্ৰহণ কৰিছে। পুৰুষ ৰচিত সাহিত্যৰ লগতে নাৰী সাহিত্যয়ো সমান জনপ্ৰিয়তা অৰ্জন কৰিছে। সাহিত্যত নোবেল পুৰস্কাৰৰ দৰে সন্মানিত পুৰস্কাৰেৰে বহুত নাৰীও ভূষিত হৈছে।

প্ৰাচীন গ্ৰীক সাহিত্যত উল্লেখ থকা চেফো নামৰ মহিলা কবিগৰাকীক বিশ্বৰ প্ৰথম মহিলা কবিৰ সন্মান কোনো কোনোৱে দিব খোজে। বৰ্তমান বিশ্বসাহিত্যত পাৰ্ল বাৰ্ক, জৰ্জ এলিয়েট, ভাৰ্জিনিয়া উলফ, এজৰা পাউণ্ড আদি মহিলা লেখিকাই বিশ্বৰ সকলো শ্ৰেণীৰ নাৰী-পুৰুষৰ মন জয় কৰিবলৈ সমৰ্থ হৈছে। ভাৰতীয় বিভিন্ন প্ৰাদেশিক সাহিত্যতো মহিলাসকলৰ সাহিত্যৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আছে। পাঞ্জাৱী সাহিত্যত অমৃতা প্ৰীতম, উৰিয়া সাহিত্যত সুজাতা প্ৰিয়ম্বদা, মালয়ালম সাহিত্যত কমলা দাশ, বাংলা সাহিত্যত প্ৰভাৱতী দেৱী সৰস্বতী, আশাপূৰ্ণা দেৱী আদিয়ে পুৰুষৰ সৈতে সাহিত্যৰ ক্ষেত্ৰত সমান জনপ্ৰিয়তা অৰ্জন কৰিছে। অসমীয়া সাহিত্যতো মহিলা লেখিকাই উল্লেখযোগ্য বৰঙনি আগবঢ়াইছে।

অসমীয়া সাহিত্যৰ প্ৰৱেশ পথৰ দ্বাৰ মহিলা-সকলৰ কাৰণে প্ৰথম উন্মোচন কৰিছিল—সাতসমুদ্ৰৰ ভেৰ নদীৰ সিপাৰে থকা বিদেশী খ্ৰীষ্টিয়ান মহিলা এগৰাকীয়ে। এই বিদেশী খ্ৰীষ্টিয়ান মহিলাগৰাকী হ'ল অসমলৈ খৃষ্ট ধৰ্ম প্ৰচাৰ কৰিবলৈ অহা মিছনেৰী চাহাব ও, টি, কটুৰৰ পত্নী শ্ৰীমতী কটুৰ। ১৯৪৪ খ্ৰীষ্টাব্দত প্ৰথম অসমীয়া মহিলা লেখিকা হিচাপে শ্ৰীমতী কটুৰৰ "অসমীয়া শব্দাৱলী আৰু খণ্ডবাক্য" প্ৰকাশ পায়। ইয়াৰ উপৰিও মিছনেৰী চাহাব ডঃ নাথান ব্ৰাউনৰ পত্নী শ্ৰীমতী এলিজা ব্ৰাউনেও অসমীয়া ভাষাত ল'ৰা-ছোৱালীৰ উপযোগীকৈ কিতাপ লিখে। সেইকেইখন কিতাপ হ'ল—সাধুৰ পুথি আৰু গণনা পুথি। এ, কে, গাৰ্ণীৰ পত্নী শ্ৰীমতী গাৰ্ণীয়ে অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অসমীয়া ভাষাত লিখা পুথিখন হ'ল—"ফুলমনি আৰু করুণা"। গতিকে অসমীয়া সাহিত্যৰ প্ৰথম মহিলা লেখিকা হিচাপে এইকেইগৰাকী বিদেশী

মহিলাৰ ওচৰত অসমীয়া লেখিকাসকল চিৰদিন ঋণী হৈ থাকিব।

অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগ আৰম্ভ হোৱাৰ সময়ৰপৰাই সাহিত্যৰ বিভিন্ন দিশত মহিলা লেখিকাই যথেষ্ট অৱদান আগবঢ়াইছে। কবিতা, উপন্যাস, গল্প, নাটক, সমালোচনা সাহিত্য, আলোচনী আদি সকলোতে মহিলা লেখিকাসকলে নিজৰ দক্ষতা আৰু "কুশল-হস্তত্বৰ" চিনাকি দিছে।

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ যুগৰপৰা কবি-যতীন্দ্ৰনাথ দুৱৰাৰ যুগৰ সময়ছোৱাত শ্ৰেষ্ঠা অসমীয়া মহিলা কবি হিচাপে খ্যাতি অৰ্জন কৰা কবি দুগৰাকী হ'ল— ৺ধৰ্মেশ্বৰী দেৱীবৰুৱানী আৰু পদ্মশ্ৰী নলিনীবালা দেৱী। কবি ৺ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ খণ্ড-কবিতাৰ পুথি দুখন হ'ল— "ফুলৰ শৰাই" আৰু "প্ৰাণৰ পৰশ।" ৺ধৰ্মেশ্বৰী দেৱীবৰুৱানীৰ ব্যক্তিগত জীৱন নানা দুখ-যন্ত্ৰণা আৰু কাৰুণ্যেৰে ভৰা, কাৰণ দেৱীবৰুৱানী শাৰীৰিকভাৱে অক্ষম আছিল; কিন্তু তেওঁৰ এই দেহগত অক্ষমতাক তেওঁ ভগৱানৰ আশীষৰূপে গ্ৰহণ কৰিছিল। ৺ধৰ্মেশ্বৰী দেৱী-বৰুৱানীৰ কবিতাসমূহ অতীন্দ্ৰিয়বাদী আছিল। দেৱীবৰুৱানীয়ে কবিতাৰ মাজেৰে ভগৱানৰ লগত মিলনৰ আকাংক্ষা তীব্ৰভাৱে ব্যক্ত কৰিছে। ধৰ্মেশ্বৰী দেৱীবৰুৱানীৰ কবিতাত জাতীয়তাবাদো প্ৰকাশ পাইছে। তেখেতে অসমৰ জাতীয়যোদ্ধা তৰুণৰাম ফুকন, হেমচন্দ্ৰ বৰুৱা আদিৰ বিয়োগত শোক কবিতাৰে তেখেতসকলৰ স্মৃতি-তৰ্পণ কৰিছে।

পাৰ্থিৱ বাসনা অতিক্ৰম কৰি চিৰসুন্দৰৰ লগত একীভূত হোৱাৰ বাসনা অসমীয়া কবিতাত যিগৰাকী মহিলা কবিয়ে ব্যক্ত কৰিছে তেৱেঁই হ'ল— পদ্মশ্ৰী নলিনীবালা দেৱী। নলিনীবালা দেৱীক অসমৰ সৰ্বশ্ৰেষ্ঠা মহিলা কবি বুলি দ্বিধাহীনভাৱে ক'ব পাৰি। নলিনীবালা দেৱীৰ খণ্ড-কবিতাৰ পুথিকেইখন হ'ল— "সন্ধিয়াৰ সুৰ", "সপোনৰ সুৰ", "পৰশমণি", "যুগদেৱতা", "জাগৃতি" আৰু "অলকানন্দা।" পদ্মশ্ৰী নলিনীবালা দেৱীৰ কবিতাসমূহত প্ৰধানকৈ আধ্যাত্মিকতাৰ, অতীন্দ্ৰিয়ভাৱে তন্ময়তাৰ সুৰ প্ৰতিধ্বনিত হৈছে। যদিও ৺ধৰ্মেশ্বৰী দেৱীবৰুৱানীৰ দৰে পদ্মশ্ৰী নলিনীবালা দেৱীয়েও তেওঁৰ জীৱনত পোৱা দুখ-যন্ত্ৰণাক ভগৱানৰ আশীষৰূপে গ্ৰহণ কৰিছে, তথাপি নলিনীবালা দেৱীৰ কবিতাত চিৰসুন্দৰৰ লগত মিলনৰ যি আকাংক্ষা সি তীব্ৰ আৰু সুস্পষ্ট। "সপোনৰ সুৰ" নামৰ কবিতাৰ পুথিত নলিনীবালা দেৱীৰ আধ্যাত্মিকতাৰ উজ্জ্বল নিদৰ্শন প্ৰকাশ পাইছে। নলিনীবালা দেৱীৰ "পৰম তৃষ্ণা" নামৰ কবিতাটিত তেওঁৰ চিৰসুন্দৰক পোৱাৰ কাৰণে যি অনন্ত হেঁপাহ, তাক সুন্দৰভাৱে প্ৰকাশ কৰিছে। নলিনীবালা দেৱীৰ কবিতাৰ বিষয়ে প্ৰসিদ্ধ সমালোচক ড° বিৰিঞ্চি কুমাৰ বৰুৱাই তেখেতৰ "History of Assamese literature" ত লিখিছে — "Running through all her poems there is the deep feeling of a heart lacerated by the sorrows and sufferings of life, and a marked characteristic of many of her poems is a purity of soul achieved through suffering". পদ্মশ্ৰী নলিনীবালা দেৱীৰ "যুগদেৱতা" নামৰ কবিতাৰ পুথিখনৰ সৰহখিনি কবিতাই স্বদেশানুৰাগেৰে বঞ্জিত। নলিনীবালা দেৱীয়ে তেওঁৰ "সন্ধিয়াৰ সুৰ" নামৰ কবিতাৰ পুথিখনৰবাবে 'পদ্মশ্ৰী' উপাধি লাভ কৰে। নলিনীবালা দেৱীৰপৰা অসমীয়া সাহিত্যই যথেষ্ট অৱদান পাইছে আৰু ভৱিষ্যতেও নতুন ধৰণৰ মানৱতাবাদী, আশাবাদী, শান্তিকামী সামাজিক মুক্তি চেতনাৰ কবিতা তেওঁৰপৰা আশা কৰিব পাৰে।

পদ্মশ্ৰী নলিনীবালা দেৱী আৰু ধৰ্মেশ্বৰী দেৱী-বৰুৱানীৰ সমসাময়িক অকালতে মৰহি যোৱা আন দুগৰাকী মহিলা কবি হ'ল ৺যমুনেশ্বৰী শইকীয়া আৰু ৺ৰাসেশ্বৰী খাটনিয়াৰ। এখেতসকলৰ কবিতাটো আধ্যাত্মিক ভাৱৰ প্ৰতিধ্বনি পোৱা যায়।

বৰ্তমান অসমীয়া সাহিত্যত জনপ্ৰিয়তা অৰ্জন কৰা মহিলা কবিসকলৰ ভিতৰত অন্যতমা হ'ল— ডঃ নিৰ্মলপ্ৰভা বৰদলৈ। শ্ৰীযুক্তা বৰদলৈৰ কবিতা-সমূহ অসমীয়া সাহিত্যৰ বিভিন্ন পুথি, বিভিন্ন আলোচনীত প্ৰকাশ পাইছে। শ্ৰীযুতা নিৰ্মল-প্ৰভা বৰদলৈয়ে বহুতো গীত ৰচনা কৰি গীতিকাৰ হিচাপেও খ্যাতি অৰ্জন কৰিছে। ইয়াৰ উপৰিও খ্যাতি অৰ্জন কৰা বৰ্তমান অসমীয়া সাহিত্যৰ মহিলা কবিসকল হ'ল—ডঃ লক্ষহীৰা দাস, আলিমুননিছা পিয়াৰ, এলি আহমেদ আদি। "ভাস্কৰ লগ্ন" হ'ল ডঃ লক্ষহীৰা দাসৰ এখন কবিতাৰ পুথি। কবি হিচাপে জনপ্ৰিয়তা অৰ্জন কৰাৰ উপৰিও ডঃ লক্ষহীৰা দাসে গীতিকাৰ হিচাপেও জনপ্ৰিয়তা লাভ কৰিছে। এইবিলাকৰ উপৰিও অসমীয়া বহুতো মহিলাই লোকগীত, আইনাম, বিয়ানাম আদিৰ সংগ্ৰহ কৰিছে। এইবিলাকৰ ভিতৰত "নামতী", "নামাঞ্জলি" আদি প্ৰধান।

কেৱল কবিতাৰ ক্ষেত্ৰতে নহয় গীতি-নাট্যৰ ক্ষেত্ৰতো— অসমীয়া মহিলা পিছপৰি থকা নাই। অৱশ্যে এই ক্ষেত্ৰত নাম উল্লেখ কৰিব পৰা একমাত্ৰ গীতি-নাট্যকাৰ হ'ল পদ্মশ্ৰী নলিনীবালা দেৱী। এখেতৰ গীতি-নাট্যকেইখন হ'ল—"পাৰিজাতৰ অভিষেক," "এমাষ্টমী" আদি।

বৰ্তমান বিশ্বৰ প্ৰায় সকলোবোৰ সাহিত্যতে উপন্যাসে এটি বিশেষ স্থান অধিকাৰ কৰিছে। অসমীয়া সাহিত্যতো উপন্যাসে এটি বিশেষ স্থান অধিকাৰ কৰিছে আৰু অসমীয়া মহিলাসকলেও আগভাগ লৈছে। ১৮৮০ চনত পদ্মাৱতী দেৱীফুকননীয়ে ৰচনা কৰা "সুধৰ্ম্মাৰ উপাখ্যান" নামৰ উপন্যাসখন যদিও কলা-কৌশলৰপৰা প্ৰকৃত উপন্যাসৰ শাৰীত উঠিব পৰা নাই তথাপি, অসমীয়া মহিলা লেখিকাই ৰচনা কৰা প্ৰথম উপন্যাস এইখনেই আছিল। ইয়াৰ পিছত ১৯২৩ চনত স্নেহলতা ভট্টাচাৰ্য্যৰ "বীণা" নামৰ উপন্যাস এখন প্ৰকাশ পায়। মহিলা ঔপন্যাসিক হিৰণ্যময়ী দেৱীৰ "জীৱন সংগ্ৰাম" নামৰ উপন্যাসখনৰদ্বাৰা তেওঁৰ সমাজৰ প্ৰতি থকা গভীৰ ভাব আৰু পৰ্য্যবেক্ষণশীলতাৰ পৰিচয় দিছে। বৰ্তমান অসমীয়া সাহিত্যত মহিলা ঔপন্যাসিক হিচাপে খ্যাতি অৰ্জন কৰা ঔপন্যাসিককেইগৰাকী হ'ল—"জীৱন ধুমুহা" নামৰ উপন্যাসৰ লেখিকা ভকলতা বৰা, "বা-মাৰলী"ৰ লেখিকা শুচিব্ৰতা ৰায়চৌধুৰী, "লুইতৰ পাৰে পাৰে" আৰু "ছীয়েন নদীৰ ঢৌ"ৰ লেখিকা উমা বৰুৱা, "অন্তঃস্ৰোতা," "সেই নদী নিৰবধি" আৰু "এজন বুঢ়া মানুহ" নামৰ উপন্যাসৰ লেখিকা নিৰুপমা বৰগোঁহাই আদি। এই মহিলা লেখিকাসকলৰ উপন্যাসতো সমাজৰ বিভিন্ন দিশ, বিশেষকৈ সহানুভূতি-শীল অন্তৰেৰে নাৰী-চৰিত্ৰৰ আশা-আকাংক্ষা সুখ-দুখ আদি চিত্ৰিত কৰা হৈছে। নিৰুপমা বৰগোঁহাইৰ উপন্যাসত বিশেষকৈ এই কথা খাটে। নিৰুপমা বৰগোঁহাইৰ উপন্যাসত নাৰীচৰিত্ৰৰ বিভিন্ন দিশত সূক্ষ্ম দৃষ্টি আৰু গভীৰ সহানুভূতিশীল মনৰ পৰিচয় পোৱা যায়।

অসমীয়া সাহিত্যৰ চুটিগল্পৰ ক্ষেত্ৰতো নিৰ্মালি দেৱী আৰু সুপ্ৰভা গোস্বামীৰ গল্পই পাঠক সমাজৰ দৃষ্টি আকৰ্ষণ কৰিছে। "অবিৰণা" সুপ্ৰভা গোস্বামীৰ এটা গল্প সংগ্ৰহ। বৰ্তমান যুগত অসমীয়া গল্পৰ ক্ষেত্ৰত অসমীয়া মহিলা পিছপৰি থকা নাই। অসমীয়া গল্প লেখিকাৰ ভিতৰত নিৰুপমা বৰগোঁহাই, নীলিমা দেৱী, স্নেহ দেৱী, অণু বৰুৱা, প্ৰীতি বৰুৱা, আলিমুননিছা পিয়াৰ, মামণি গোস্বামী, হিৰণ্যময়ী দেৱী, ভনী তালুকদাৰ, অনিমা ভৰালী, আৰতি দাস বৈৰাগী, দীপালী ডেকা, সাধনা লহকৰ, গায়ত্ৰী কোঁৱৰ আদিৰ নাম উল্লেখযোগ্য। মহিলা লেখিকাৰ প্ৰকাশিত গল্প সংগ্ৰহৰ ভিতৰত আলিমুননিছা পিয়াৰৰ "মাৰ্জনিশা তৰাই উচুপে" আৰু "জীৱন সাগৰত উপকূল নাই" উল্লেখযোগ্য। তদুপৰি গল্প, উপন্যাস উভয়তে মনোনিৱেশ কৰা লেখিকা নিৰুপমা বৰগোঁহাইৰ "অনেক আকাশ",

স্নেহ দেৱীৰ "কৃষ্ণা দ্বিতীয়াৰ জোন," হিৰণ্যময়ী দেৱীৰ "নিয়ৰ টোপাল", প্ৰীতি বৰুৱাৰ "নিৰৰ্থক" ডলী তালুকদাৰৰ "মধুলেখা", অনিমা ভ'ৰালীৰ "বেলি ফুলৰ সপোন", মামণি গোস্বামীৰ "চিনাকি মৰম" আদি উল্লেখযোগ্য। তদুপৰি "নদীৰ নাম তৃষ্ণা" আৰতি দাস বৈৰাগীৰ এখন গল্পৰ পুথি। এইচাম গল্প লেখিকাৰ প্ৰায়বোৰ গল্পতে বৰ্ত্তমানৰ সমাজখন সুন্দৰভাৱে প্ৰতিফলিত হোৱাৰ উপৰিও সমাজৰ বিভিন্ন স্তৰৰ ল'ৰা-ছোৱালী, পুৰুষ-স্ত্ৰীৰ কাৰ্য্যাৱলীও সুন্দৰভাৱে প্ৰকাশ পাইছে। মহিলা লেখিকাসকলৰ গল্প সংগ্ৰহবিলাকৰ উপৰিও বিভিন্ন অসমীয়া আলোচনী নতুন নতুন সম্ভাৱনাপূৰ্ণ বহুতো মহিলা লেখিকাৰ গল্পৰে সমৃদ্ধ হৈছে। ডলী তালুকদাৰ, সাধনা লহকৰ, গায়ত্ৰী কোঁৱৰ আদিয়ে তেওঁলোকৰ বিভিন্ন গল্প, বিভিন্ন আলোচনীত প্ৰকাশ কৰিছে আৰু তেওঁলোকৰ গল্পই পাঠক সমাজৰপৰা যথেষ্ট সঁহাৰি পাইছে। ভৱিষ্যতে আলোচনীৰ পাতত লিখি থকা এইসকল গল্প লেখিকাৰপৰা অসমীয়া সাহিত্যই বহুতো নতুন ধৰণৰ, ভাল গল্প লাভ কৰিব বুলি আশা কৰিব পাৰি। আগতে পুৰুষে নাৰী চৰিত্ৰ অঙ্কণ কৰা কাৰণে নাৰী চৰিত্ৰৰ দোষ-ত্ৰুটীত আশা-আকাংক্ষা সকলো পুৰুষৰ কল্পনাৰ মাজেৰে সাহিত্যত মূৰ্ত হৈ উঠিছিল ; কিন্তু নাৰী লেখিকাই লিখাৰ পিছৰপৰা নাৰী চৰিত্ৰবিলাকত কল্পনাতকৈ বাস্তৱৰ পৰশ বেছিকৈ পৰিছে। নাৰীয়ে নাৰীৰ মনৰ সঠিক খবৰ সাহিত্যত সজীৱভাৱে চিত্ৰিত কৰিছে। নিৰুপমা বৰগোহাঁইয়ে গল্পৰ মাজেৰে জীৱনৰ সৰু সৰু ঘটনাৰ মাজতো বিচিত্ৰতা বিচৰাৰ প্ৰয়াস কৰা দেখা যায়। অনিমা ভ'ৰালীৰ গল্পত নাৰী চৰিত্ৰৰ প্ৰতি থকা গভীৰ সহানুভূতিশীল মনৰ পৰিচয় পোৱা যায়। তদুপৰি স্নেহ দেৱীয়ে গল্পত নাৰী চৰিত্ৰ বিশ্লেষণত দক্ষতাৰ পৰিচয় দিছে।

যদিও বিদেশী গল্প অসমীয়া ভাষাত যথেষ্ট পৰিমাণে অনূদিত হোৱা নাই, তথাপি এই ক্ষেত্ৰত মহিলা লেখিকাই বৰঙনি যোগাইছে। এই মহিলা লেখিকাসকলে অনুবাদ কৰা গল্পসমূহ হ'ল—অনুপমা দেৱীৰ "এনুৱা জোনালী নিশা," লক্ষহীৰা দাসৰ "ওস্কাৰ ৱাইল্ডৰ গল্প," নিৰুপমা বৰগোহাঁইৰ "বিশ্ব গল্প চয়নিকা," অণু বৰুৱাৰ "প্ৰথম প্ৰেম" আদিয়েই প্ৰধান। আজলিতৰা নেওগে বিদেশী গ্ৰন্থৰপৰ অসমীয়া ভাষালৈ অনুবাদ কৰা শিশু উপন্যাস-কেইখন হ'ল—"আল্লাউদ্দিন আৰু দুকুৰি ডকাইত" আৰু "সিন্দবাদ"। অসমীয়া শিশু সাহিত্যলৈ মহিলা লেখিকা হিচাপে আগবঢ়োৱা শ্ৰীযুতা মিনি এমঞ্জৰ পুথিকেইখন হ'ল— "তীৰ্থযাত্ৰী," "বাইবেলৰ সৌৰভ" আৰু "মৰমী আইতা"।

অসমীয়া সমালোচনা সাহিত্যত মহিলা লেখিকা ভুৱনেশ্বৰী বৈশ্যই "বৈষ্ণৱ যুগৰ অসমীয়া সাহিত্য" নামৰ পুথিখন ৰচনা কৰি তাত অসমীয়া বৈষ্ণৱ সাহিত্যৰ এটি চমু আভাস দিছে। ইয়াৰ উপৰিও অসমীয়া সমালোচনা সাহিত্যত বৰ্তমান কেইগৰাকী-মান লেখিকাই বাতৰি কাকত, আলোচনী আদিৰ যোগেদি ভুমুকি মাৰিছে। এওঁলোকৰ ভিতৰত শ্ৰীমতী তুলতুল বৰুৱা, শ্ৰীমতী নিৰুপমা বৰগোহাঁই আদি উল্লেখযোগ্য। এই দুগৰাকীৰ উপৰিও বিভিন্ন আলোচনী, বাতৰি কাকত আদিত অসমীয়া মহিলাই বহুতো তত্ত্বগধুৰ প্ৰবন্ধ, সমালোচনা আদিৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে।

অসমীয়া আলোচনী সম্পাদনাতো মহিলাসকলে নিজৰ দক্ষতাৰ পৰিচয় দিছে। মহিলা লেখিকাৰ-দ্বাৰা সম্পাদিত হোৱা প্ৰথম আলোচনীসমূহ হ'ল—১৯২৮ চনৰ "অভিযাত্ৰী" "ঘৰজেউতি" আৰু "জোনবিবি"। বৰ্তমান আধুনিক যুগত মহিলা লেখিকা শ্ৰীমতী উমা বৰুৱাৰ সম্পাদনাত ওলোৱা আলোচনী "অজন্তা"ই অসমীয়া সমাজত জনপ্ৰিয়তা অৰ্জন কৰিছে। তদুপৰি উত্তৰ-পূব ভাৰতৰ একমাত্ৰ মহিলা লেখিকাৰ আলোচনী হ'ল এলি আহমেদৰদ্বাৰা

সম্পাদিত "ওৰণি"। এই 'ওৰণি' নামৰ একমাত্ৰ মহিলা লেখিকাৰ আলোচনীখনেও পাঠক-পাঠিকাৰ যথেষ্ট দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে।

এইদৰে সাহিত্যৰ প্ৰায় সকলোবোৰ দিশতে অসমীয়া মহিলাই অংশগ্ৰহণ কৰি নিজৰ দক্ষতাৰ পৰিচয় দিছে। কবিতা, গল্প, উপন্যাস, নাটক, সমালোচনা সাহিত্য, শিশু সাহিত্য, আলোচনী সম্পাদনা আদি সকলোতে অসমীয়া মহিলায়ো আগ-ভাগ লৈছে। তথাপিও এতিয়ালৈকে অসমীয়া সাহিত্যত সম্পূৰ্ণৰূপে নাৰীয়ে আধিপত্য বিস্তাৰ কৰিব পৰা নাই, এতিয়াও শ্ৰেষ্ঠ মহিলা ঔপন্যাসিক বা শ্ৰেষ্ঠ মহিলা গল্প লেখিকা আমাৰ সাহিত্যত বিচাৰি পোৱাটো টান; কিন্তু অসমীয়া মহিলায়ো নিজৰ সততা আৰু কৰ্তব্যনিষ্ঠাৰে চৈয়দ আব্দুল মালিক, বিৰিঞ্চিকুমাৰ ভট্টাচাৰ্য্য, নৱকান্ত বৰুৱা আদিৰদৰে সাহিত্যত নিজস্ব আসন লাভ কৰিবলৈ সমৰ্থ হ'ব। নাৰী আৰু পুৰুষক লৈয়েই যিহেতু সমাজ গঠিত হৈছে, তেনে ক্ষেত্ৰত সাহিত্যত নাৰীৰ অৱদানৰ বাহিৰে সেই সাহিত্য সমৃদ্ধ হোৱাটো অসম্ভৱ। সুখৰ বিষয় অসমীয়া লেখিকাসকল এই বিষয়ে সচেতন হৈছে। ১৯৭৬ চনৰ নৱেম্বৰ মাহত অনুষ্ঠিত হোৱা "লেখিকা সমাবেশ" আৰু তাত লেখিকাসকলৰ কৰ্তব্য আৰু দায়িত্বৰ বিষয়ে কৰা আলোচনাই এই কথা প্ৰমাণ কৰে। গতিকে অসমীয়া সাহিত্যত মহিলাসকলৰ যথেষ্ট অৱদান আছে আৰু ভৱিষ্যতেও মাত্ৰ গতানুগতিক, সস্তীয়া গল্প, উপন্যাস নিলিখি প্ৰকৃত সৃষ্টিধৰ্মী আৰু উন্নয়নীমূলক সাহিত্য ৰচনাত অধিক মনোনিৱেশ কৰিলে অসমীয়া লেখিকাসকলেও বিদেশী মহিলা লেখিকাসকল আৰু ভাৰতীয় আন প্ৰাদেশিক ভাষাত থকা মহিলা লেখিকাসকলৰ লগত সমান আসন লাভ কৰিব পাৰিব। অসমীয়া সাহিত্য কাননো নাৰী-পুৰুষ উভয়ে চয়ন কৰা সুগন্ধি, বৰ্ণময় সাহিত্য-কুসুমেৰে জাতিষ্কাৰ হৈ পৰিব।

প্ৰতিভা আৰু মনীষাৰ অভিমান বৰ বেছি। যি দেশত সিহঁতে পাবলগীয়া শ্ৰেষ্ঠ পূজা নাপায় তালৈ সিহঁত নাহে; আহিলেও গুচি যায়। দেশৰ সংস্কৃতি তেতিয়া তল খাপত পৰি থাকে।

—জ্যোতিপ্ৰসাদ আগৰৱালা

## দু টি ক বি তা

### (১) নতুন পূজাৰী

এদিন আছিল সিহঁত আমাৰ দৰেই
জ্ঞান-সত্ৰত, এজাক জ্ঞান পিপাসুৰ আবেষ্টনিত।
সময়ৰ, সুযোগৰ, যুগৰ আহ্বানে
একৰালে—সিহঁতক ক্ষেত্ৰচ্যুত কৰি,
অধিষ্ঠিত কৰালেহি—ক্ষমতাৰ ৰাজউঁৰালত—
য'ত
শক্তি আৰু সুবিধাৰ
লীলা খেলা হয়।
নতুন শত্ৰু সিহঁত হ'ল পুৰুহিত – সৰ্ব শক্তিমান।
ভোল গ'ল নতুনৰ ৰং ৰহণত,
অতীতক পেলালে পাহৰি।
নতুনক প্ৰাণৰ সমল বুলি ধৰিলে সাৱটি।
সিহঁতে পাহৰি গ'ল,
জ্ঞান-সত্ৰৰ অন্য দলটোক ;
অনাটন, অভাৱৰ টনাটনিখন,
ডুব গ'ল ৰং ৰহণ আৰু তোষামোদী বন্যাৰত ;
বঞ্চিত কৰিলে অন্যটো দলক—প্ৰাপ্ত 'বস্তুৰপৰা';
ক্ষমতাশালী দাতা-ত্ৰাতা-পূজাৰীস্বৰূপে।
অৰ্থ আৰু ক্ষমতাৰ টনাটনিৰ সিহঁত হ'ল—যোগ্য বিচাৰক।
যোগ্য-ভোগ্য এই পৃথিৱীত—
তেওঁলোক শক্তিমন্ত নতুন পূজাৰী।
পীড়িতক ভোগায় সদায় তিল তিল কৰি ;
তেওঁলোক মুখাপিক্ষা নতুন পূজাৰী।

অধ্যাপক দ্ৰোণ কলিতা

(২) ভাগ্য—

হে ভাগ্য—জীৱনসঙ্গিনী
সুখ-দুখ স্থিৰ কৰা কিহৰ মাপেৰে।
কাৰোবাৰ অনাটন, অভাৱ, দুৰ্য্যোগ
আৰু,
কাৰোবাৰ সীমাহীন শান্তিৰ আলয়—
ধন, দৌলত আৰু পুত্ৰ-কন্যা সমন্বিতে।
একেই মানৱ,
কিয়, কৰিছা বিবিধ ?
ইয়াৰ মূল সত্তা ক'ত ?
কিহৰ হিচাপ নিকাচ কৰি দিয়া তুমি,
কৰা ভাগ্যৱান, সুখী আৰু সন্তোষৰ ভাগী।

---

# আৰ্তনাদ

শ্ৰীনিৰ্মলা দেৱী হাজৰিকা
দ্বিতীয় বাৰ্ষিক, প্ৰাক্-স্নাতক

মানৱৰ মাজত—
শুনিছিলোঁ করুণ আৰ্তনাদ।
ভাবিছিলোঁ মই যাম আগুৱাই—
কিন্তু, নহ'ল যাবলৈ,—
এখোজ দুখোজ কৰি
আহিলোঁ মই পিছুৱাইহে,—
মোৰ লক্ষ্যক নেওচা দি।

এমুঠি অন্নৰ বাবে
হাহাকাৰ কৰা
আৰু—এডোখৰ বস্ত্ৰৰ বাবে
অন্ধকাৰ দেখা অসহায়

মানৱৰ করুণ আৰ্তনাদ
কিন্তু তাত আৰু নাই।

বিজয় গৌৰৱেৰে—
জাগ্ৰত হ'ল ভাৰত মাতৃ
শোষণকাৰীক সুন্দৰৰ পূজাৰ
বেদীত বলি দি,

সিইঁতৰ বঙা তেজেৰে,
জ্ঞানৰ বন্তি জ্বলাই,—
ভাৰত মাতৃ আহিল আগুৱাই॥

# আগমনি ঃ এটি নতুন পুৱাৰ

বেণু গগৈ
স্নাতক, ২য় বাৰ্ষিক

দৃষ্টিত সৃষ্টিৰ আকুলতাৰে ——
ৰৈ আছোঁ মই — ।
সুন্দৰৰ সমাগত এটি দিনৰ স্বপ্ন —
শুই আছে মোৰ হৃদকুণ্ড।
ৰৰষাৰ উৰুখা সৰু সৰু ঘৰবোৰৰপৰা
—ভাহি অহা শিশুৰ মিশ্ৰিত কোলাহ'ল
মই বহুদিন শুনিছোঁ
ভাত লাগে, ৰুটি লাগে
মাথোঁ লাগে।
সিহঁতৰ আৰ্তনাদত দৌৰি পলাৰ খোজা মাতৃবোৰ
থমকি ৰয় —
মৰম আকলুৱা দুখনি হাতে বুকুত সাৱটি
নিচুকনি গীত গায় —
"পোনাকণ নেকান্দিবা, শিয়ালী এ নাহিবি ৰাতি—"
বৃথা চেষ্টা ॥
"যুগান্তৰৰ পৃষ্ঠাত মই দেখুৱাইছিলোঁ সিহঁতক
নোদোকা শিশুৰ হাঁহিভৰা মুখ।
কৈছিলোঁ "নেকান্দিবা
তোমালোকেও এদিন হাঁহিবা এই হাঁহি।"
সিহঁতে মোহাৰি পেলাই দিলে, আৰু সুধিলে —
আমি হাঁহিম কেনেকৈ ?
আমাৰ ভোক লাগিছে — ।
মাকহঁতে মোলৈ কটাক্ষ দৃষ্টিৰে চালে।
মই বুজাই দিলোঁ শিশু আৰু মাতৃবোৰক
মোক ভুল নুবুজিবা।
মই থাকিম তোমালোকৰ দুৱাৰে দুৱাৰে —
মই থাকিম তোমালোকৰ আশাৰ কোঁহে কোঁহে।
হয়তো সিহঁতে বুজিলে আৰু হাঁহিলে।
মোৰ চকুৰ পতাত শুই থকা
স্বপ্নবোৰ সিহঁতৰ স'তে জগাই তুলিম।
সিহঁতে আশ্বাস দিলে,
প্ৰতিশ্ৰুতি দিলোঁ মই হৃদয়ৰ।
কদৰ্য্যতাৰ গৰ্ভত জন্ম হ'ল
এটি নতুন পুৱাৰ।
সময়ে সঁহাৰি জনালে,
পুৱাৰ সূৰুযৰ ৰং সানি
সমস্বৰে গীত গালোঁ আমি,
বাস্তৱ জীৱনৰ কঠিনতাতলিত —
আশা, হাঁহি আৰু সুন্দৰৰ। —

# খতিয়ান

অনিমা বৰকাকতী
২য় বাৰ্ষিক স্নাতক কলা

ব্যস্ততা কেৱল মাথো
অনৰ্থক কাল থাপনাৰ আকুতি
আৰু আকুলতা
আবিলতাৰে ভৰপূৰ
অনাবিল প্ৰাচুৰ্য্যৰ,
অমিত্ৰাক্ষ ছন্দ।
ঠিক যেন বন বিহংগৰ
মন-প্ৰাণ হৰি নিয়া,
কল কাকলি।
বন্দনা কেৱল মাথো
গঞ্জনাৰ পৰিপূৰক
ঘাটি মঞ্জুৰী
সেয়া যে এক মায়াৱী পৰশ
ভাব হয়— আমাৰ বাবে
সেয়া যেন শৰতৰ নিৰ্মল প্ৰশস্তি।
তৰালি আকাশ
অতনু মনৰ প্ৰাচুৰ্য্যত লুকাই থকা
বিচিত্ৰ ব্যঞ্জনাৰ এক
অলিখিত কাহিনী,
আৰু জীৱন যাত্ৰাৰ
টুকুৰা খবৰ ॥

——

# বিস্মৃতি

অঞ্জলীমা বৰুৱা
প্ৰাক্-স্নাতক দ্বিতীয় বাৰ্ষিক

কেতিয়াবা আয়নাত দেখা
নিজৰ প্ৰতিবিম্বকে মোৰ
অচিনাকি কোনোবা যেন লাগে,
মোৰ নিজৰ হাঁহিয়ে যেন—
সত্তাক প্ৰতাৰণা কৰিব খোজে।
কেতিয়াবা নিজৰ কথাকে মোৰ
সাধু যেন লাগে;
জীৱনৰ মজিয়াত বৈ যোৱা
সীমাহীন উজুটিৰ দাগে—
হৃদয়ক অহৰহ দংশন কৰে।
সপোন দেখা ৰংবোৰে—
প্ৰায়েই মনত মোৰ বোকা-পানী সানে,
মই কেতিয়াও ভৱা নাছিলোঁ।
হৃদয় হেৰোৱাৰ দুখে
এনেকৈ যে এন্ধাৰ আনে!

——

# প্ৰস্তুতি

শ্ৰীৰেণু গগৈ
দ্বিতীয় বাৰ্ষিক স্নাতক মহলা

ইতিহাসৰ বুকুত জিৰণি ল'লে
বহুতো শক্তিকাই সশব্দে—হয়তোবা নীৰৱে।
আজি এয়া, অদূৰত কাৰ আৱাহন ?
সময়ৰ।
সীমান্ত যুদ্ধৰ বিভীষিকা—
সেয়াতো নহয়।

শৰতৰ জোনাকে,
পুৱাৰ সূৰুযে ক'লে—
প্ৰস্তুতি নতুন যুগৰ।
সৃষ্টিৰ সীমাৰেখা বিৱৰ্তমান—
দুখন পৃথিবী—এখন শোষকৰ আৰু আনখন
শোষিতৰ।
নিঃস্ব জীৱনৰ বেদনাৰ চকুলো মচি
"সিহঁতে সোধে"--আমাৰ মুকুতি কেতিয়া ?
কোন কৱিয়ে ক'লে—
সৰু সৰু মানুহৰ প্ৰাণৰ মনৰ কথা !
কোন বিপ্লৱীৰ কণ্ঠত শুনো আজি
মানুহৰ বিজয়ৰ গান।

অনুভূতিহীন—আমিয়ে স্থবিৰ পৰ্বতৰাশি।
নহয় আমাৰ স্বপ্ন ভাগিছে—.
সময় আহিছে।
সময়ৰ অন্তত গতিত অৰাজক বন্যাৰে, আনি
উটিযোৱা বিহ মেটেকাৰ গতি-বেগ,
বোধ কৰিবলৈ ?
এয়া নতুন সূৰ্য্য।
আমি এই সূৰ্য্যৰ
অমিতাভ দৃষ্টিৰ
হাত বাউলত মত্ত।
লক্ষ্য আমাৰ চিৰসুন্দৰ—
লক্ষ্য আমাৰ নতুন পৃথিবী গঢ়াৰ ॥
সেইখন অতি পৱিত্ৰ আৰু
অতি পৰিষ্কাৰ—এখন নতুন পৃথিবী ॥

# নতুন প্ৰতীতি

কুমাৰী পূৰ্ণিমা কোঁৱৰ
দ্বিতীয় বাৰ্ষিক স্নাতক

দীঘল উকিটো মাৰি ট্ৰেনখন চলিছে
পূবলৈ ।
চকা চলিছে
অবিৰাম,
ঘৰঘৰ, ঝকঝক শব্দ ।
যাত্ৰী অগণন,
ক্লান্তি, অলসভৰা চকু
অসংখ্য ।
তাত মই আৱিষ্কাৰ কৰিছোঁ
একেটা প্ৰশ্নৰে ব্যাকুল চাৱনি
যাত্ৰাৰ আৰু কিমান বাকী ?
আন্ধাৰ নিশাৰ বুকুভেদি
দুৰন্ত গতিৰে চকা চলিছে,
সজোৰে বাজিছে সংকেটধ্বনি
অৰণ্য বিয়পা চিৎকাৰ ।
চকা চলিছে,
দ্ৰুতৰপৰা দ্ৰুততৰ
যাত্ৰাৰ নতুন অংগীকাৰ লৈ । পূবলৈ চালোঁ,
হেঙুলী আকাশত নতুন সূৰ্য্যৰ প্ৰতিশ্ৰুতি ।
নৱজাতক সূৰ্য্যৰ বিচ্ছুৰিত পোহৰত
ফাগুন ৰঙা মন প্ৰান্তৰত
উত্তাৰি উঠিছে
নতুন প্ৰতীতি
উত্তৰণৰ ॥

# স্বপ্ন এটা অতৃপ্ত আত্মাৰ

মোৰ কোঠাৰ দুৱাৰখন
অকস্মাৎ মেল খাই গ'ল।
গন্ধ গৰল যেন
এসোপা তিক্ত বতাহ
সিক্ত শূন্যত বিয়পি
কুৎসিৎ, কিম্ভূত কিমাকাৰ
কালদংশিনী বেশেৰে
লহ্ লহ্ কৈ জিভা উলিয়াই
আগবাঢ়ি আহিল।
সিহঁতে প্ৰতিবাদ কৰিছে
সিহঁতে বেৰি কৰিছে
সিহঁতক মুক্তি লাগে।
আৰু মই।
কিছুমান উদ্ধত আঁচনি
কিছুমান অমূল্য পাৰ্থিৱাশাত
বৈ আছোঁ। সিহঁতৰ মাজত
যেন সুনীল আকাশৰ বজ্ৰৰ গৰ্জনত
নাই অৱসৰ।
অনন্ত সংগ্ৰামৰ পিছত
মোৰ অজেয় শক্তিৰ চাপত
অভ্যাসক্ত সিহঁত গুচি গ'ল।
অকস্মাৎ স্বপ্নভংগ হ'ল।
কালৰ কীটাণুবোৰ
আহত অক্টোপাচবোৰ
পিয়াপি দিলে।
কিন্তু। এই স্বপ্ন আজি বৈ গ'ল
মোৰ মনত
ঠিক যেন কিছুমান ক'লা ৰংসনা
এখন অস্পষ্ট দাপোণ।

শ্ৰীঅমলা দেৱী
প্ৰাক্-স্নাতক ২য় বাৰ্ষিক

# অনুভূতি মোৰ মনৰ

শ্ৰীইন্দিৰা শইকীয়া
প্ৰাক্-স্নাতক ২য় বাৰ্ষিক

শৃংখলহীনভাৱে লৌহ পিঞ্জৰাত বন্দী হৈ,
উন্মুক্ত হোৱাৰ প্ৰতীক্ষাত
বৈ আছোঁ আমি,
বৈ আছোঁ বহুদিন ধৰি।
কিন্তু নহয়; আমি যে সদায় মুক্ত,
তথাপি কিয় জানো ভাৱ হয় মোৰ
অনুভৱ কৰোঁ,
অতৃপ্ত আন্ধাৰৰ সৰ্বগ্ৰাসী স্পৰ্শ।
মুক্ত বিহংগৰ দৰে, পোহৰ সন্ধানী মনে
নতুনৰ সন্ধানত উৰিবলৈ বিচাৰে,
কিন্তু, বৈ যায় সেই অতৃপ্ত আশা।
উথলি উঠে মন উপকূলত
জোৱাৰ ভাটা, পোৱা নোপোৱাৰ।
বিপ্লৱী মনটোৱে হাহাকাৰ কৰি উঠে
উত্তপ্ত তেজৰ কোৱাল সোঁতত।
অনুভৱ কৰোঁ, লাগে এক পৰিবৰ্তন।
তথাপি বৈ যাওঁ, ভাবোঁ,
সময়ৰ আহক আহ্বান।
নিশ্চিত মোৰ, লৌহ পিঞ্জৰাবদ্ধ এই মনে
বিচাৰি পাব এদিন
এই পৃথিৱীতে,
জীৱনৰ সঁচা হাঁহি
সঁচা মাদকতা।

# দুটা কবিতা

মোৰ কোঠাৰ
খোলা খিড়িকীৰ
সেউজীয়া পৰ্দাত
জুমি চোৱা জোনটোৰ
জোনাকী ধেমালি
তন্দ্ৰালস মোৰ
চকুৰ পতাত
কাবোবাৰ সাজুকী হাঁহিৰ
মাধুৰীমাই দিলে আঁকি
'ৰামধেনু ৰমৰম'।

ৰতাহৰ সেঁতে সেঁতে —
উটি অহা প্ৰভাতী পক্ষীৰ
মিঠা তন্দ্ৰাৰ অলসতা
নিলে আঁতৰাই ;
ৰাতিৰ জোনাকী সপোন
বঙাই তোলা
মোৰ হৃদয়ৰ
প্ৰতিটো কোণতে
আছে এতিয়াও
মিঠা আৱেগৰ
চঞ্চলতা।

শ্ৰীউষা দত্ত
প্ৰথম বাৰ্ষিক প্ৰাক্-স্নাতক্

## এক সচাঁ

# গল্পৰ কাহিনীৰে

কুমাৰী পূৰ্ণিমা কোঁৱৰ
স্নাতক্, ২য় বাৰ্ষিক

কিছুদিনৰ আগতে ভাবিছিলোঁ গল্প এটা লিখাৰ কথা। ভাবিছিলোঁ, মানুহৰ মনৰ কথা। মানুহৰ মনবোৰ যে কিমান বিচিত্র! কিছুমান মানুহে নিজৰ জীৱনৰ হাজাৰ বেদনা হাঁহিমুখে ঢাকি ৰাখি আনন্দ মনেৰে জীৱন কটাই দিব পাৰে। কোনোৱে আকৌ নিজৰ জীৱনত কোনো বিশেষ দুখ নাথাকিলেও আনৰ দুখেৰে নিজক দুখী কৰি এক অকাৰণ বেদনাত ভোগে। কবি, শিল্পী আদি অনুভূতিপ্ৰৱণ মানুহেই সৰ্বসাধাৰণতে এক অহেতুকী বেদনাৰে নিজৰ জীৱনক ভাবাক্ৰান্ত কৰি লয়। আনৰ কাৰ্য সমৰ্থন কৰিব নোৱাৰি নিজে মনোকষ্ট ভোগ কৰে। মই কিন্তু কবিও নহওঁ — অথবা শিল্পীও নহওঁ। মই চাইকৃ-লজিষ্ট ডাঃ অমানিশা চৌধুৰী। মানুহৰ গুহাবাসী মনৰ অতল তলিত থকা সুপ্ত ৰহস্যৰ সন্ধান পাবলৈকে মই অহৰহ চেষ্টা কৰি আহিছোঁ। ভাবিছিলোঁ মোৰ ব্যাখ্যাতে মানুহৰ মনৰ সংজ্ঞা মই দাঙি ধৰিম। নিৰিবিলি আহৰি সময়ত আজিও অলপ আগলৈকে মনৰ মাজত খেলিমেলি হৈ থকা প্লট গোটাই লৈ সুন্দৰকৈ লিখি পেলোৱাৰ কথাকে ভাবি আছিলোঁ; কিন্তু হঠাতে বাহিৰত বজা কলিংবেলৰ শব্দত তন্ময়তা ভাগি গ'ল। লৰালৰিকৈ বাহিৰলৈ ওলাই গলোঁ।

প'ষ্ট মেন (Post Man) জনে বাহিৰৰ টেবুলখনত খাম এটা থৈ ওলাই গৈছে। খামটো তুলি লৈ Sender's-Address চাই হঠাৎ যেন চমকি উঠিলোঁ। এয়া দেখোন ৰাঁচীৰ মেণ্টেল হস্পিটেলৰপৰা লিখা চিঠি!! এয়াতো তৃষ্ণাৰ চিঠি। মোৰ অতি মৰমৰ বান্ধৱী তৃষ্ণা কাকতিৰ, পাছলৈ যাৰ উপাধি হৈছিল চলিহা। সেই তৃষ্ণা চলিহাৰে চিঠি, যিজনী ছোৱালীৰ হৃদয় দাপোণৰ কাৰণ জানিবলৈ আজি অতদিনে মই উৎসুক হৈ আছোঁ। নানান চেষ্টা কৰিও মই কৃতকাৰ্য হোৱা নাছিলোঁ। আৰু আজি হঠাতে অপ্ৰত্যাশিত-ভাৱে এই চিঠি আহিছে মোলৈ ৰাঁচীৰপৰা। মনটো এহাতে ভাল লাগি গ'ল। অন্যহাতে বিমৰ্ষ, শংকা আৰু বেদনাত হৃদয়ৰ কোনোবা ডোখৰ বিষাই উঠিল। মানুহৰ মনৰ নোকোৱা কথাখিনিৰ সম্ভেদ মোক লাগে। তথাপি নাজানো কিয়, এই সময়ত — যিটো সময়ত আজি মই মোৰ মৰমৰ তৃষ্ণাৰ জীৱন আৰু মনৰ কথা বিশদভাৱে জানি উঠিম, সেই সময়ত মোৰ সমগ্ৰ সত্তা কঁপি উঠিছে। এনে লাগিছে মই যেন ইয়াৰ পিছত কিবা এটা হেৰুৱাই পেলাম। তৃষ্ণাই কোনো ভুল নকৰেতো? জীৱনৰ স্বীকাৰো-ক্তিত অন্ততঃ তৃষ্ণাই কোনো ভয়লগা সিদ্ধান্ত

নলয়তো ? চিঠিখন মেলি ল'লোঁ। এখন দীঘলীয়া চিঠি। নীলা চিয়াঁহীৰে লিখা। গোট গোট বৰ মৰম লগা তৃষ্ণাৰ আখৰ। এসময়ত এই ধুনীয়া আখৰৰ বাবে তৃষ্ণাক, সঁচা হিংসাই কৰিছিলোঁ মনে মনে। সেই গোট গোট আখৰেৰেই তৃষ্ণাই লিখিছে। মই পঢ়ি গ'লোঁ—

মৰমৰ অমা,

আজি হঠাৎ তোমালৈকে এই চিঠি লিখিছোঁ। তুমি বৰ্তমান ক'ত আছা নাজানোঁ, কিন্তু আগৰ থকা ঠাইৰ ঠিকনাতে লিখিলোঁ। তুমি নিশ্চয় জানা যে সম্প্ৰতি মই ৰাঁচীৰ মেণ্টেল হস্পিটেলত (Mental Hospital) আছোঁ। মোৰ হিচাপেৰে ইয়ালৈ অহা প্ৰায় ডেৰবছৰেই হ'ল। আজি মোৰ তোমালৈ মনত পৰিছে। মনত পৰিছে অতীতৰ সুষমামণ্ডিত দিনবোৰলৈ। সেই সুন্দৰ দিনবোৰ যে আৰু কাহানিও উভটি নাহে! অমা, মই হেনো পাগলী হৈছিলোঁ। তোমালোকে মোৰ দুৰ্ভগীয়া জীৱনটোৰ বাবে নিশ্চয় দুখুনিয়াও পোৱাইছিলা, যেনেদৰে মোৰ সৌভাগ্য দেখি এদিন আনন্দত উৎফুল্লও হৈছিলা। এৰা, সেইবোৰ দিনত মোক বহুতে চাগে হিংসাও কৰিছিল। আৰু আজি সকলোৱেই কিজানি মোক পুতৌ কৰিছে।

এই চিঠি কিন্তু মই সুস্থ মগজুৰে লিখিছোঁ। বিশ্বাস কৰিবা অমা, আজি মোৰ জোনলৈ মনত পৰিছে। তাৰ মৰমলগা মুখখন মোৰ কল্পনাপটত ভাঁহিছে। মৰম লগা মাত-কথাবোৰে মোৰ বুকুত খুন্দিয়াইছে। কোনে বাৰু তাৰ তত্ত্বাৱধান লৈছে অমা ? মই যে ব্যাকুল হৈ পৰিছোঁ জোনক চাবলৈ!

কিন্তু, কোনে মোক এই অন্ধকাৰ চেল (cell) টোৰপৰা, এই দুৰ্দান্ত সংগীবোৰৰপৰা উদ্ধাৰ কৰি নিবলৈ আহিব ? মই কেতিয়াবা উন্মাদ হৈছিলোঁনে নাই সন্দেহ ; কিন্তু এতিয়া এই কাৰাগাৰৰপৰা কেনেকৈ উদ্ধাৰ পাওঁ তাকে চিন্তা কৰিছোঁ অহৰহ। মা-দেউতাক হেৰুৱালোঁ। দাদা-হঁতৰ মৰম শুকান বালি। সিহঁতে মোক পাহৰিলে অমা। এৰা। কিয়নো মোক মনত পেলাব ? সিহঁতৰ যে এখন ধুনীয়া সংসাৰ আছে। আছে একোটা ব্যস্ত জীৱন। মোৰবাবে সিহঁতৰ জীৱনত ঠায়েই বা ক'ত ?

সকলোৰেপৰা সুন্দৰ সুস্থ—মই ভৱাতকৈ সুস্থ মানুহজনী এদিন বলিয়া হৈ গৈছিলোঁ কিয় ? তোমালোকে ভাবিছানে ? ইয়াৰ কাৰণ কোনো মনোবৈজ্ঞানিকে উলিয়াব পৰা নাই—নোৱাৰেও। তোমালোকে মনোবৈজ্ঞানিকবোৰোতো মানুহহে! মগজুৰে যিমানলৈকে ঢুকি পোৱা, নিজৰ দৃষ্টিৰে যিমান দূৰলৈকে দেখা পোৱা, দহজনৰ লগত আলোচনা কৰি যিমান দূৰলৈকে দৌৰা, সেইখিনিলৈকেহে তোমালোকৰ জ্ঞানৰ দৌৰ ; তাৰ পিছৰখিনিত অন্তৰ্হিত কি সত্য আছে একো কব নোৱাৰা। ভুৱা আশ্বাস, সান্ত্বনাৰে তোমালোকে পৰিস্থিতিৰ গুৰুত্ব লঘু কৰিবলৈ বিচাৰা মাথোন। তথাপি অমা, সকলোৰেপৰাই তুমি মোক নিবিড়ভাৱে জানা, বুজি পোৱা। আজি সেইজনী তৃষ্ণাৰেই জীৱন তোমাৰ মনৰ লেবৰেটৰীত এটা 'গিনিপিগ্'। তুমি চোৱাঁ, ভাবা আৰু চোৱাঁ। মই জানো পাগল হৈছিলোঁ সঁচাই ? ? ?

অমা, জোনলৈ মনত পৰিলে তাৰ ওচৰলৈ যাবলৈ যেনেদৰে ধাউতি হয় তেনেদৰে সৌৰীবলৈ মনত পৰিলে ঘৃণাত মোৰ সৰ্বশৰীৰ কঁপি উঠে। মৰি যাবৰ মন যায়। এৰা, মই মৰি যোৱাটোৱেই সৌৰীৰৰ বাবে বাঞ্ছনীয় আছিল। এদিন এইটো মযো ঠিক কৰিছিলোঁ। আজি কিন্তু কৰা নাই। নকৰোঁ। এই ধুনীয়া পৃথিৱীখনৰ মৰম আজি আৰু মই নেওচা দিব নেখোজোঁ। সাপ এডালকো আজি মই কিছুসময়ৰ বাবে যেন ফুল বুলি ভাবিব খোজোঁ।

এম, বি, বি-এছ ডাক্তৰ সৌৰীৰ চলিহাৰ

সৈতে মোৰ বিয়া হৈছিল । সেয়া তুমিও জানা । সঁচাই মই ভাবিছিলোঁ অমা, নির্মল আৰু উদাৰ হৃদয়েৰে মোক অভিভূত কৰি পেলোৱা সুদর্শন সৌবীৰৰসৈতে মই সুখী হ'ব পাৰিম । সৌবীৰৰ ব্যক্তিত্বৰ মাজত মই দেখা পাইছিলোঁ নৈতিকতাৰ হীৰা-প্ৰবাল লাৱণ্য । অমা, সৌবীৰৰ দৃঢ়কৃত মই মাণিকৰ ৰশ্মি দেখিছিলোঁ । মোৰ দিগন্তভৰা কল্পনা-বোৰ আৰু বহুদূৰলৈ যেন প্ৰসাৰিত হৈছিল । কিন্তু অমা, কোনোবাখিনিত কিবা এটা ভুল হৈ গ'ল । আমি চকুৰে দেখা পোৱা সকলো বস্তু বা মানুহকেই যেনে দেখোঁ সেইটোৱেই তাৰ আচল ৰূপ নহয় । তাৰ আঁৰতো এটা ৰূপ থাকে । সেই ৰূপ কেতিয়া কেনেকৈ, কি পৰিবেশত ফুটি ওলায় তাৰ কোনো নিশ্চয়তা নাই । এই কথা মই বুজিলোঁ । কিন্তু বুজাত মোৰ পলম হৈ গ'ল অমা! বহুত পলম হৈ গ'ল ।

পঢ়াশুনাতো মোৰ বেছি দূৰ আগ নাবাঢ়িলেই । প্ৰি. য়ুনিভাৰছিটি পাছ কৰি আৰু পঢ়াৰ ইচ্ছা আছিল যদিও মনৰ ইচ্ছাবোৰ মনতে দমাই ৰাখিলোঁ । মোৰ প্ৰথম আৰু প্ৰধান কথা—সৌবীৰ সুখী হওক ; সৌবীৰে মনত কাহানিও কোনো কথাতে বেয়া নাপাওক ! সেয়ে তেওঁ বেয়া পায় বুলিয়ে পঢ়াৰ কথা কোনো দিনে নকলোঁ । সঁচাই এজনী প্ৰতিব্ৰতা নাৰীৰদৰে মই অহৰহ স্বামী সেৱা কৰিছিলোঁ । মোৰ ঐকান্তিক সেৱা-শুশ্ৰূষাত সৌবীৰ সুখী হৈছিল নে নাই নাজানো, কিন্তু তেওঁৰ মৰমৰপৰা অৱশ্যে কোনোদিনেই বঞ্চিত হোৱা নাছিলোঁ । সৌবীৰৰ মৰমেই আছিল মোৰ শিৰৰ মুকুট । এই মৰম মৌচুমি সিঁচি জোনক লৈ আমাৰ আমাৰ কিমান দিগন্তভৰা কল্পনা । জোন জানো ৰবীন্দ্ৰনাথ হ'ব নোৱাৰিব ? অথবা গ্ৰেগৰিণ হ'ব নোৱাৰিব ? সৌবীৰে কৈছিল—জোনক সুন্দৰকৈ শিক্ষা দিয়াৰ লাগিব ; আৰু বহুত কথা কৈছিল সৌবীৰে । মই তেতিয়া মনে-প্ৰাণে সদায় কামনা কৰেঁা—সৌবীৰৰ যেন আৰু বেছি উন্নতি হয় ।

ভগৱানে যেন সঁচাকৈয়ে মোৰ প্ৰাৰ্থনা শুনিছিল অমা । সৌবীৰৰ প্ৰমোশ্যন হ'ল । সৌবীৰ ছিভিল-ছাৰ্জন হ'ল । বন্ধুবৰ্গই দাবী কৰিলে পাৰ্টি দিব লাগে । আমি আয়োজন কৰিলোঁ । সেই দিন আহি পালেহি । দিনৰ ব্যস্ততাৰ অন্তত সন্ধ্যা আহিল । আমাৰ ড্ৰয়িংৰুম নিয়ন লাইটৰ পোহৰত উজ্বলি উঠিছিল । ফুলদানীত বেঙুনীয়া ডালিয়া আৰু ক্ৰিছেনথিমামে হাঁহিছিল । 'ফৰ গেট্ মি নটছ' কেইথোকাৰ অৱস্থিতিয়ে ড্ৰইংৰুমৰ সৌন্দৰ্য্য দুগুণে বঢ়াইছিল । অতিথিবোৰ আহিছিল । সৌবীৰে চিনাকি কৰি দিছিল এয়া মিষ্টাৰ শইকীয়া, এয়া মিছেছ শইকীয়া, মিষ্টাৰ চক্ৰৱৰ্তী, মিছ দত্ত ইত্যাদি বহুতক । সকলো আজি মনত পৰিছে অমা ; সেইদিনা তুমিওতো আহিছিলা ; তুমি মোক কাণে কাণে কৈছিলা — 'তোৰ সৌভাগ্য দেখি হিংসা হয় তৃষ্ণা !' মই কি উত্তৰ দিছিলোঁ মোৰ মনত নাই । সিদিনা মোৰ মনত উঠিছিল নীল সাগৰৰ জোৱাৰ । তাতেই চিনাকি হৈছিলোঁ মিচ্ বিমঝিম বৰুৱাৰ লগত । সৌবীৰে চিনাকি কৰি দি কৈছিল—"এওঁ এইবাৰ এম, বি, পঢ়িবলৈ বম্বেলৈ যাব ।" মোৰ প্ৰতি বিমঝিম বৰুৱাৰ চাৱনিটো সেই প্ৰথম চিনাকিতে ভাল লগা নাছিল জানা ? কিবা এটা যেন অৱজ্ঞাৰ চাৱনি । যেই নহওক, হাঁহি-ধেমালিৰ মাজেৰেই পাৰ্টি শেষ হৈছিল । বন্ধুবৰ্গ ঘৰাঘৰি গৈছিল । হাতত এথোক 'ফৰগেট্ মি নটছ' লৈ বিমঝিম ওলাই গ'ল । সিদিনা বিমঝিমক সৌবীৰে গাড়ীৰে ঘৰত থৈ আহিছিলগৈ । মই একো ভবা নাছিলোঁ অমা । আজি কিন্তু ভাবিছেঁা । সেই-বোৰ কথাইহে আজি মোক ভাবিবলৈ বাধ্য কৰাইছে ।

দিন বাগৰিছিল । পৃথিৱীত বসন্ত-শীত নামিছিল । চোতালত সেউজীয়া দুবৰি গজিছিল । হিমালয়ত বৰফ পমিছিল আৰু জোনৰ মাতবোৰ মৰমলগা হৈছিল ।

সৌবীৰৰ কামৰ বোজা গধুৰ হৈছিল । দায়িত্ব

বঢ়াৰ কাৰণেই বোধকৰোঁ। এই দায়িত্ব আৰু ব্যস্ততাই আমাৰ জীৱন বিভ্ৰান্ত কৰি দিলে। কোনে জানে ইয়াৰ গইনা লৈয়ে সৌৰীৰে হয়তো নিজেই পাতিলে এক অদৃশ্য মায়াৰ জাল। সৌৰীৰ সলনি হ'ল। বহু নিশাৰ গভীৰতাত কামৰ অজু-হাতত সৌৰীৰ ঘৰলৈ ওভটে। কেতিয়াবা নিশা আহি ভাত খায়। কেতিয়াবা টেবুলত সজোৱা ভাত টেবুলতে থাকে।

তথাপি, মোৰ মানত সৌৰীৰ দেৱতা আছিল। কিন্তু অমা— মানুহক দেৱতা বুলি ভবাটোতেই মোৰ ভুল হ'ল।—মানুহ কেতিয়াও দেৱতা হ'ব নোৱাৰে। অসুন্দৰতা আৰু নিৰ্মমতাৰে সৰহ মানুহ কদৰ্য্য। মানুহ হিংস্ৰ। অন্ততঃ সিদিনাৰ অভিজ্ঞতাই মোক এইদৰেই ভাবিবলৈ শিকাইছে। সিদিনাও সৌৰীৰ বহু ৰাতিলৈকে কামৰপৰা উভটি অহা নাছিল। বাহিৰত দিগন্তভৰা জোনালীৰ মধুৰ অভিসাৰ। সৰল বনবাজিৰ মাজেৰে মুঠি মুঠি জোনাক সৰিছিল। ব্যস্ত শুকুলা ডাৱৰে দৌৰিছিল হিমগিৰিৰ আৱেষ্টনীৰ মাজলৈ। দূৰণিত দুই এটা কুকুৰে ভুকিছিল। হঠাতে মোৰ টোপনি কেতিয়া আহিল ক'ব নোৱাৰোঁ। মাজনিশা এবাৰ মটৰৰ শব্দ শুনি সাৰ পালোঁ। সৌৰীৰ তেতিয়ালৈকে আহি নোপোৱা বাবে নানা দুঃচিন্তাৰে মন ভৰি পৰিছিল। আকৌ টোপনি গলোঁ; কিন্তু কিবা এটা শব্দত যেন সাৰ পাই গলোঁ। বাৰাণ্ডাৰ লাইট নুমুৱা দেখি ভাবিলোঁ—সৌৰীৰ আগে আহিল। মোৰ অনুমান শুদ্ধ নাছিল। কিন্তু সৰ্বসাধাৰণতে সৌৰীৰেই আহি বাৰাণ্ডাৰ লাইটটো নুমায়। মনটোত দুঃচিন্তাৰ আউল লাগিল। আকাশত তেতিয়াও জোন জ্বলি আছিল অজস্ৰ অনুকম্পা লৈ। মই বাহিৰলৈ ওলাই গলোঁ। নিঃশব্দে—আহি মই কি দেখিলোঁ অমা?? প্ৰশস্ত বাৰান্দাৰ সিমূৰত দুজন মানুহৰ সৰু সৰু কিছুমান কথা। সেই ভয়ংকৰ মুহূৰ্তটোত মোৰ বুজিবলৈ বাকী নাথাকিল যে সেয়া সৌৰীৰ আৰু সেয়া সৌৰীৰৰ কোনো বান্ধৱী—অভিসাৰিকা।

"তুমি উভতি অহালৈ বাট চাম ৰিমঝিম—" মোৰ কাণত পৰিছিল সৌৰীৰৰ কণ্ঠস্বৰ। হয়, মোৰ অনুমানেই ঠিক, সেয়া ৰিমঝিম বৰুৱা। অমা, মোৰ দৃষ্টিত নামিছিল তেতিয়া পম্পিয়াইৰ প্ৰলয়। পৃথিৱী-খন মোৰ ভৰিৰ তলৰপৰা আঁতৰি যোৱা যেন অনুভৱ কৰিছিলোঁ। হিমালয়ৰদৰে অবিচলিত ভক্তিৰে মই পূজা কৰিছিলোঁ সৌৰীৰক আৰু তেৱেঁই ভয়ংকৰভাৱে মোক প্ৰতাৰণা কৰিলে।

ভয়ংকৰ সেই পৰিবেশৰ মাজত মই তেওঁলোকৰ নিচেই কাষত থিয় হলোঁ। 'সৌৰীৰ'! মই চিঞৰি দিছিলোঁ। সৌৰীৰে উচপ খাই উঠি মোৰ হাতত ধৰি কৈছিল—'অমা', এওঁ মোৰ ভন্টীৰ দৰে—তুমি ভুল.........

'ভন্টীৰ দৰে'! —সৌৰীৰৰ মুখৰ মাত মই বন্ধ কৰি দিবলৈ মই চিঞৰি কলোঁ। "এই মাজনিশা এন্ধাৰৰ আঁৰ লৈ তোমাৰ ভনীয়েৰাৰ সৈতে কথা পাতিছা? তোমাৰ এই অশ্ৰাব্য উচ্চাৰণে ভাতৃ-ভগ্নীৰ মাজত কালিমা সানে। তুমি ইমান চৰিত্ৰহীন বুলি মই ভবা নাছিলোঁ সৌৰীৰ!"

'আৰু তুমি ৰিমঝিম। আনৰ সংসাৰ জ্বলাই' .........মোক আৰু ক'বলৈ নিদি সৌৰীৰে ভিতৰলৈ টানিছিল। মোৰ বিবেক শূন্য হৈ গৈছিল। মই মাত্ৰ চিঞৰিছিলোঁ—'প্ৰৱঞ্চক। প্ৰতাৰক।'

তাৰ পাছত ক'ব নোৱাৰোঁ, মই বাঁচো কেনেকৈ পালোঁহি। অমা, মোৰ জীৱনৰ জোনাক শেষ হ'ল। হৃদয়ৰ স্পন্দনৰ গতি ৰুদ্ধ হ'ল। সপোন ভাঙি গ'ল। আজি মই সুস্থ হৈও মেণ্টেল হস্পিটেলৰ নিষ্ঠুৰ জীৱনৰ মাজত নীৰৱে চকুলোঁ টুকিছোঁহি। সেউজীয়া ধৰণীও যে ধূলিময় আৰু এই ধূলিৰ ধৰণীত যে বেদনাৰ চিতা জ্বলে সেই কথা মৰ্মে মৰ্মে উপলব্ধি কৰিছোঁ।

সৌৰীৰলৈ খবৰ দিব নালাগে। বিশ্বাসঘাতকৰ

মুখ মই নাচাওঁ। উচ্চ শিক্ষাৰে শিক্ষিতাও মই নহওঁ—তথাপি বিমঝিমৰ দৰে মোৰ মন ভেঙ্গাল নহয়। সৌৰীৰৰ হৃদয়ৰ গভীৰতা বিচাৰি মই ভুল কৰিলোঁ অমা—। মই ভুল কৰিলোঁ হৃদয়ৰ গভীৰতাৰ মাজত হীৰা অথবা প্ৰবাল লাৱণ্য বিচাৰি। তাৰ বাবে মোৰ কোনো আক্ষেপ নাই অমা'। মানুহৰ মনৰ বিচিত্ৰ গতিপথ অনুধাৱন কৰাটো সহজ কথা নহয়; এই কথা নিশ্চয় তুমিও উপলব্ধি কৰিছা। মনৰ চকুৰে দেখা আৰু মনৰ উপলব্ধিয়ে সঁকিয়াই দিয়া মানুহৰ কাৰ্য্যৰ পৰিণতিও কিজানি সঠিককৈ ক'ব নোৱাৰি।

আজি তোমাৰ ওচৰত মোৰ এটাই মাত্ৰ অনুৰোধ আছে। এবাৰ তুমি মোক জোনক চোৱাৰ ব্যৱস্থা কৰি দিব পাৰিবানে? তাৰ পাছতেই ইয়াৰপৰা মই যাম। দেশৰক্ষাৰ কামত অবিহণা যোগাম। এজন বিশ্বাসঘাতক কাপুৰুষ সৌৰীৰৰ বাবে জীৱন আহুতি দিয়াতকৈ হেজাৰজন সাহসী জোৱানৰ হকে প্ৰাণ দিম। এই সিদ্ধান্তই আজি মই কৰিছোঁ।

এয়া বাঁচীৰ আকাশ। বাহিৰত পদ্মগন্ধা জোনাক। যুগ যুগান্তৰৰ বেদনাৰে নীলা হোৱা আকাশখনক মুঠি মুঠি জোনাকে পোহৰাই তুলিছে। আকাশৰ জোন, তৰা, জোনাকেও আজি মোক শিকাইছে পৃথিবীত নোপোৱাৰ বাবে নাকান্দি দিয়াৰ বাসনাৰে আগবাঢ় যাবলৈ। ইয়াতেই মোৰ জীৱন সাৰ্থক হ'ব; মোৰ জীৱনৰ জোনাক নামিব—হয়তো আকৌ কৃষ্ণচূড়াৰ ৰঙেৰে মোৰ মন ভৰি পৰিব—ধৰণী আকৌ সেউজীয়া হ'ব। আজি এই পথেই মোৰ প্ৰাণৰ পথ। প্ৰাণৰ পথত ভৰি দিলে মেই পথ আৰু ভুল হোৱাৰ আশা নাই।

—মোৰ হেজাৰ মৰমেৰে

ইতি —

তোমাৰ মৰমৰ

'তৃষ্ণা'

চিঠিখন পঢ়ি শেষ কৰি মই স্তব্ধ হৈ গলোঁ। যি অজান আশংকাৰে অলপ.. আগলৈকে মনটো ভৰি পৰিছিল নিমিষতে সি আঁতৰি গ'ল। এদিন তৃষ্ণাৰ বেদনাৰে দগ্ধ জীৱনৰ খবৰ শুনি মৰ্মাহত হৈছিলোঁ–সেইদিনা মই কামনা কৰিছিলোঁ—তৃষ্ণাৰ জীৱনৰ দিনবোৰ খু-উ-ব চুটি হৈ যাওক। কিন্তু আজি মই তৃষ্ণাৰ জীৱনৰ দিনবোৰ দীঘল হ'বলৈহে কামনা কৰিছোঁ। তৃষ্ণাৰ এই জীৱন যাত্ৰা—জয়যাত্ৰা। তৃষ্ণ সফল হওক। জীৱন আকাশত তাইৰ ন প্ৰভাত উদয় হওক এমোকোৰা বাগুলী হাঁহিৰে। হাঁহি আৰু বেদনাৰ সমষ্টিয়েই আমাৰ জীৱন। সংঘাতৰ অনলেৰে যিটো জীৱন দগ্ধ হোৱা নাই..সেইটো জীৱনেই নহয়। মোৰ বিশ্বাস, দগ্ধ জীৱনৰ ছাই ভস্মৰ পৰাহে সোণালী জীৱনৰ বীজকণা মহিকাহ হয়—যেনেদৰে হৈছে তৃষ্ণাৰ। এয়া তৃষ্ণাৰ 'বিচাৰেকশ্যন্' ক স্বীকৃতি দিবলৈ তৃষ্ণাই আত্মাৰ শক্তি অটুত ৰাখিছে। তৃষ্ণা মহীয়সী— অনন্যা।

আলফুলে চিঠিখন জাপি থলোঁ। খোলা খিড়িকীৰে বাহিৰলৈ চাই পঠিয়ালোঁ। বাহিৰত সন্ধ্যাৰ পাততে ছাঁয়াৰ অৱগুণ্ঠন। মোৰ চাৰিওকাষ জুৰি এক মায়াভৰা নিৰ্জনতা। ইমান সময় কেতিয়া যে পাৰ হ'ল ক'ব নোৱাৰিলোঁ।

লিখিম বুলি ভবা মোৰ গল্পটো আৰু লিখিম জানো? এয়া যে মোৰ কাষত তৃষ্ণাৰ জীৱনৰেই এক সঁচা কাহিনী—যাক অজানিতেই গল্পৰ আকাৰে তুলি ধৰিছোঁ পাঠকৰ আগত।

এইজনী ছোৱালী, যিজনী ছোৱালীয়ে এখন হৃদয়ৰ সঁচা মৰম বিচাৰিলে, কিন্তু সেই বিচৰা ব্যৰ্থ হল। পৃথিবীখন সোণ-হীৰাৰে উৰি পৰক—কোনো লাভ নাই, যদি হৃদয়ৰ সংঘাত হৃদয়ে, মানুহে বুজিবলৈ চেষ্টা নকৰে। হৃদয়ৰ কথা আজিৰ পৃথিবীত মানুহে পাহৰি গৈছে। আমি মানুহবোৰ হৈ পৰিছোঁ 'একচেচ্ বীজ'। তথাপি আশা আৰু অপেক্ষাৰ শেষ হোৱা নাই। নহ'বও। জীৱনৰ স্বপ্নও

আমি নেহেকৰাওঁ। সমূখত তাৰ সাক্ষী তৃষ্ণা—তৃষ্ণাই যেন অদৃবৰপ্ৰৱা ৰিঙিয়াব লাগিছে—'টছ্‌ড য়েট উই হেভ দ্যা টেপষ্ট্ৰিজ অব লাইফ' (Tossed yet we have the tapestries of life)……আমি সঁচাকৈয়ে বিক্ষিপ্ত হৈয়ো জীৱনৰ সূত্ৰ ৰচোঁ।

আজি মনোবিশ্লেষণৰ নীতিৰে মই—ডাঃ অমানিশা চৌধুৰীয়ে তৃষ্ণা চলিহাৰ জীৱনৰ ধুমুহা বিশ্লেষণ কৰিব খোজা নাই। হৃদয়ৰ সহস্ৰ আবেগেৰে মোৰ মন ভৰি পৰিছে। মোৰ মৰমৰ তৃষ্ণাৰ এই বেদনাৰ গভীৰতম সত্য মোৰ প্ৰাণৰ একান্ত কাষত উপলব্ধি কৰিছোঁ। একান্ত গভীৰ, অফুৰন্ত উপলব্ধি। উকা চকুৰে দেখা সকলো সুখ, সকলো আনন্দৰ মাজতো অন্তঃসলিলা ফল্গুৰদৰে দুখৰ কণা থাকিব পাৰে। অথবা দুখৰ মৰুভূমিৰ মাজতো ক'ৰবাত সুখৰ মৰীচিকা থাকিব পাৰে; আচলতে প্ৰত্যেকৰে অনুগামী সাধক। এয়াও পাৰ্চপেকটিভৰ (Perspective) কথা; উপলব্ধিৰ কথা।

মোৰ মনটো এই মুহূৰ্তত অতীতৰ সুষমামণ্ডিত দিনবোৰলৈ উৰা মাৰিছে। দুৰন্ত সময়ৰ অবিৰাম গতি; নিশ্চল যেন আমি। এয়া মই দেখোন তাহানিতে পঢ়া কোনোবা কবিৰ কবিতাৰ গুঞ্জন তুলিছোঁ।

Time Merches on but memory stays
·· Torturing silently the rest of our days···

মনটো যেন হঠাৎ গধুৰ হৈ পৰিছে, কিয়?—নহয়, এই গধুৰতাৰ কোনো হেতু থাকিব নোৱাৰে; তৃষ্ণাই জীৱনৰ কান্দোনখিনি সংগোপনে হাঁহিৰ ঢাকোনেৰে ঢাকি ৰাখি স্বাৰ্থহীনভাৱে আনৰ বাবে নিজক শেষ কৰি দিবলৈ ওলাইছে—মই যেন দেখিছোঁ চকুৰ আগত বিজয়িনী তৃষ্ণাৰ হেজাৰ হাঁহিৰ উল্লাস। মই তৃষ্ণাৰ এই জয়যাত্ৰাক স্বাগত জনাম। তৃষ্ণাৰ অফুৰন্ত হাঁহিয়ে হঁহুৱাব মোক, আমাক, পৃথিৱীক।

— খিড়িকীখন আৰু বহলকৈ খুলি দিলোঁ। এয়া এজাক মৃদু বতাহে খিৰিকিৰ পৰ্দা ঠেলি আহি নাম নজনা কোনোবা ফুলৰ মিঠা সুবাস মোৰ চৌদিশে বিলাই দিছেহি।

আজিৰ জগতখনত মানুহ হৈছে কাৰিকৰ আৰু সমাজ হৈছে ঠগ। এনে জগতত ওখ থাপৰ কলা সাহিত্য তিষ্ঠিব নোৱাৰে।

ডঃ ৰাধাকৃষ্ণণ

# ভাগ্যৰ লিখন

শ্ৰীমুনু পাঠক
স্নাতক, ২য় বাৰ্ষিক

"পানী, পানী, বানপানী কেউফালে প্ৰলয়ৰ বিভীষিকা। সোঁফালে পানী, বাঁওফালে পানী ই কি চাৰিওফালে পানী। ব্ৰহ্মপুত্ৰৰ ইমান শক্তি। বাৰিষাকালৰ যৌৱন ভৰা ব্ৰহ্মপুত্ৰই যেন সকলোকে উটুৱাই নিব। ওফন্দি অহা ব্ৰহ্মপুত্ৰক বা কোনে দমাব পাৰে? ৰাতিপুৱাৰ একাঠু পানী এতিয়া এডিঙি হ'ল।" এইদৰে সৰুকণে মনৰ ভিতৰতে গুণগুণালে। সি লৰালৰিকৈ মাক আৰু ভনীয়েকক নাৱত ভৰাই মথাউৰিলৈ পঠিয়াই দিলে। এটা চিন্তাৰপৰা তেওঁ দূৰ হ'ল। সৰুকণে লৰালৰিকৈ আন এখন নাও আনি চৌপাশৰ ঘৰলৈ বুলি যো-জা কৰিলে; কিন্তু কাৰো মাত ক'তো নুশুনি, পানীৰ কোবাল সোঁতৰ ধ্বনি, কাৰোবাৰ করুণ আৰ্তনাদ। হয়! ৰূপহীঞনী বাৰু ক'ত আছে? ভাবি সি অস্থিৰ হৈ যায়। আৰে ৰূপহীৰ ঘৰত দেখোন কোনোবাই চিঞৰিছে। কোনো উদ্ধাৰ কৰোঁতা নাই। ঘৰৰ চালৰপৰা সৰুকণে চিঞৰিলে 'হেৰ ককাইটি, নাও লৈ আহ। লৈ আহ! নাই! আৰু ৰূপহী, আইতা জীয়াই থকা নাই।' ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতত সিহঁত বৈ থকা নাই। এয়া-চোন ৰূপহীহঁতৰ ঘৰ। এইদৰে সি চিঞৰোঁতে তাক কেতিয়া উটুৱাই লৈ গ'ল সি ক'বই নোৱাৰে। সৰুকণে জীৱনৰ আশা এৰি দিলে, শেষবাৰৰ কাৰণে নিজৰ জন্মভূমিত সি চকু ফুৰালে। তাৰ পিছত অজ্ঞান হৈ পৰিল।

অন্যহাতেদি ৰূপহীহঁতক গাঁৱৰ কেইজনমান সদাশয় লোকে নাৱত আনি মথাউৰিত থ'লেহি। ৰূপহীৰ অন্তৰেও সৰুকণৰ কথা চিন্তা নকৰাকৈ থকা নাই। তাই আহিয়েই সৰুকণহঁত থকা বুলি আঁক-ডাক সুধিছে। 'হেৰ, ককাইটিহঁত, কচোন সৰুকণ ককাইটি আহিল নে?' সৰুকণৰ মাকক ৰূপহীৰ মাকে সোধাত নাই অহা বুলি ক'লে।

নহাৰ বাতৰি পাই ৰূপহীৰ অন্তৰে কান্দিলে, উচুপিলে। সান্ত্বনা দিবলৈ যে কোনো নাই। মনৰ কথা ক'বলৈ তাইৰ মৰমৰ ককাইটি তাইৰ কাষত নাই। "হায় ভগৱান। ককাইটিক সোনকালে মোৰ কাষলৈ লৈ আনা।" এদিন দুদিনকৈ কেইবাদিনো ৰূপহীয়ে সৰুকণৰ কাৰণে বাট চালে। নাই কোনো খবৰেই নাই। সৰুকণ ককাইটি বাৰু কেনি গ'ল? উটি গ'ল নেকি? নাই নাই, তাই আৰু ভাবিব নোৱাৰে। চকুলো বাগৰি আহিল, যেন বিশাল ব্ৰহ্মপুত্ৰইদি দুটি শাখানদীহে বৈ গৈছে। সৰুকণৰ মাকেও আজি কেইবাদিনো ভাত-পানী খোৱা নাই। বাৰে বাৰে ৰূপহীকেই দোষ দিছে। —'এয়েহে মোৰ ল'ৰাটোক সিহঁতৰ ঘৰৰ বস্তু কঢ়িয়াবলৈ কে পানীত উটুৱাই পঠিয়ালে। মোৰ বোপাই তেনেই ভোদা ল'ৰা।' সৰুকণৰ মাকৰ এনে হিয়াবিদাৰক গালি খাই ৰূপহীয়ে কান্দি কান্দি চকু উখহালে। মনৰ একোণত এটা বস্তুৰ শূন্যতাই হাহাকাৰ কৰি উঠিল। কিয় বুজিও নুবুজি মোক দোষাৰোপ কৰিছে? ককাইটিক মই এবাৰো দেখা নাই। এষাৰো মাত মাতি নেপালোঁ। ভগৱান ককাইটিক যেন আঁতৰাই নিনিবা। শেষবাৰৰ কাৰণে ভগৱানক ৰূপহীয়ে তাইৰ হৃদয় দেৱতাৰ কাৰণে খাটিলে।

সৰুকণ অজ্ঞান অৱস্থাত থাকোঁতে খুব বিচাৰি অহা এজাক মানুহে তাক পাই লৈ গ'ল। দুই-তিনি ঘণ্টামান গাত সেক দিয়াৰ পিছত তাৰ চেতনা আহিল। সি চেতনা ঘুৰাৰ পিছত ৰূপহী ৰূপহী বুলি চিঞৰিবলে—কান্দিলে—"হঁায়। ৰূপহী, তই মোক এৰি কেনি গলি? তোক চাগে পানীয়ে উটুৱাই নিলে।" তাৰ এনে কথা শুনি মানুহকেইজনে তাক ধমক দিলে "হেৰ, ৰূপহীক চিঞৰিব নালাগে, কিবা খাই ল।" তেতিয়াহে তাৰ চেতনা আহিল। সি অনুভৱ কৰিলে তাৰ গাটো একেবাৰেই দুৰ্বল হৈ গৈছে।

ৰূপহীৰ মাকে ৰূপহীক দোষ দিয়া কথাটো মুঠেই পছন্দ কৰা নাছিল। এদিন, নহয় দুদিন নহয়, নিতৌ গালি পাবিবলৈ ধৰিলে, সহ্যৰো এটা সীমা আছে। এনে গালি শুনি শুনি ত্যক্ত লাগি এদিন ৰূপহীয়ে কৈ দিলে "আপোনাৰ পুতেকৰ হতুৱাই বস্তু আনিবলৈ মোৰ কোনো প্ৰয়োজন নাই। আমাৰ বস্তু আনি দিওঁতা মানুহৰ অভাৱ হোৱা নাই। আমাক যেনেবা, কলিয়া ককাইটিহঁতে থৈ গ'লহি। মিছাতেই দোষ দি নাথাকিব।" —"ছিঃ কটা এনে মিছা মাতিবলৈ নাহিবি। লোকৰ হতুৱাই কিমান কৰাই কৰাই খাইছ দেখিছোঁ নহয়। এতিয়া তহঁতেই তাৰ মূৰ খালি।"

ৰূপহী আৰু তাইৰ মাকে মাতিব নোৱাৰিলে। তাৰ পৰিবৰ্তে তাইঁত দুইজনীয়ে কান্দি-কাটি শুই থাকিল। সৰুকণৰ প্ৰতি মৰম, স্নেহে তেওঁলোকক বাকৰুদ্ধ কৰি পেলালে।

সৰুকণৰ মাকৰ গালি খাই ৰূপহী আৰু ৰূপহীৰ মাকৰ অসহ্য হৈ আহিছে। এফালে পেটত কলমজলি, আনহাতে গালি, তাইঁতি বাৰু কাক লৈ জীয়াই থাকিব? মাক নোহোৱাহৈঁতেন তাই সৰুকণৰ পথকেই ল'লেহেঁতেন। সৰুকণৰ মাকেও উৰহৰ খং ভগা ঢাবিত সাবিছে। হোৱাই নোহোৱাই ৰূপহীক গালি, মাকক গালি আৰু তাইঁতৰ বদনাম সকলোতে ৰটি ফুৰিছে।

অন্যহাতেদি সৰুকণেও মাকৰ কথা, ভনীয়েকৰ কথা, ৰূপহীৰ কথা ভাবি কান্দে। কালি খবৰ কাগজত সি পাইছে চৌনাতলি, ভীমপাৰা বনগাঁও আদি গাঁৱৰ খিবিলাক মানুহে যথাউচিত, আশ্ৰয় লৈছে, সেইবিলাকৰ প্ৰায়বিলাকেই কলেৰা ৰোগত মৰিছে। সৰুকণে মাক, ভনীয়েকৰ কথা ভাবিছে। সিহঁতৰ অৱস্থা বা কি হৈছে? চিন্তা

কৰি কৰি সি পাৰ নাপায়। সি কপালকেই দোষে। সিহে দুৰ্ভগীয়া- নমৰি জীয়াই আছে।

যোৰহাট টাউনৰ এঘৰ চহকী মানুহৰ ঘৰত সি থাকে। কাম-বন কৰে, পইচা পায়। পোৱা পইচা সি সাঁচি থয়—বহুত আশা বুকুত বান্ধিলৈ। এইদৰে তাৰ জীৱনৰ আশাক লৈয়ে বন্দী হৈ আছে।

পানী লাহে লাহে শুকালে। কিন্তু সিহঁতৰ অন্তৰৰ দুখ শুকাই যোৱা নাছিল, বাঢ়িলহে। সিহঁতৰ মাটি-বাৰীৰ চিন-চাঁব নাই। বাঁহনি, কাঠনি আদিৰ ঠাইত বালি-বোকাৰ পলস। সকলো গ'ল। জীৱনৰ আশা সকলো মৰিষমূৰ হ'ল। মথাউৰিৰ ওপৰতে ঘৰ সাজি সক্ষকণৰ মাক. ভনীয়েক, ৰূপহী আৰু মাক থাকে। এইদৰে কিমান দিন থাকিব ?

এনেতে এদিন খবৰ আহিল সিঁহতে যোৰহাটলৈ গৈ এছ, ডি, ছিৰ ওচৰত চহী কৰিব লাগে। মাটি হেনো সিহঁতে পাব। ইয়াকে শুনি ৰূপহীয়ে এখন নাৱত উঠি কলিয়াৰ লগত যোৰহাটলৈ গ'ল। সকলো কাম কলিয়াই তাইক কৰি দিলে।

এছ, ডি. ছি অফিছৰপৰা আহিছেহে মাথোন, চিনাকি চিনাকি মানুহ এজনে তাইলৈকে লক্ষ্য কৰি চাই আছে। উজ্জ্বল চকু, শকত আৰু ধুনীয়া। বাঃ বাঃ তাইৰে দেখোন সেয়া সক্ষকণ ককাইটি। তাই আৱেগত বশীভূত হৈ সক্ষকণৰ হাতত ধৰিলে। দুয়ো ক্ষন্তেকলৈ একো ক'ব পৰা নাই। শেষত নীৰৱতা ভংগ কৰি ৰূপহীয়ে ক'লে—"ককাইটি আজি তোমাক পাই মই হেৰোৱা ৰতন ঘূৰাই পাইছোঁ। ব'লা ঘৰলৈ যাওঁ।" সিও তাইকে অনুসৰণ কৰিলে।

ঘৰত দেখে মাকৰ বেমাৰ—কলেৰা।

সক্ষকণ মাকৰ কাষলৈ গ'ল। মাকে হেৰুৱা ৰতনক পাই আনন্দৰ চকুলো টুকিলে। পিছদিনা ৰূপহীহঁতৰ ঘৰলৈ বুলি সি গ'ল। গৈ দেখিলে কি ? ৰূপহীয়ে কান্দিছে, কাষত এটা মৰা শ। কাৰ ? কি ? আদি বহুতো প্ৰশ্নই তাক আগুৰি ধৰিলে। সি আচৰিত হৈ ভাবিলে হাঁয় - আইতা মৰিল নেকি বাৰু ? সঁচাই আইতাই মৰিব। সিও হিয়াঢাকুৰি কান্দিলে। ৰূপহীৰ মাকৰ এষাৰ মাতো সি শুনিবলৈ নাপালে। যি কি নহওক, সি কান্দিলে একো কাম ন'হব। লৰালৰিকৈ সি গাঁৱৰ অন্য মানুহক মাতি আনিলে খৰি দিবলৈ।

ৰূপহীৰ মাকৰ দহাৰ কাজ-কাম কৰিলে। এতিয়া সকলো শেষ হ'ল। ৰূপহী নিৰাশ্ৰয়া। ওচৰৰ পেহীয়েকৰ ঘৰতে কিছুদিনৰ কাৰণে থাকিবলৈ গওঁৱা ৰাইজে অনুমতি দিলে। দিন যাবলৈ ধৰিলে, ৰাইজে মিলি-জুলি কলিয়ালৈকে ৰূপহীক বিয়া দিব খুজিলে ! ধনী, শকত-আৱত ল'ৰা কলিয়া। তাৰো আগৰেপৰা ৰূপহীৰ ওপৰত চকু আৰু তাইক মনে মনে বিয়া কৰাবলৈ ইচ্ছা কৰিছিল। গতিকে শুভ কাম হৈ যাওক।

বিয়াৰ দিন পালেহিয়েই। মাজতে এসপ্তাহ মানহে বাকী। ৰূপহীয়ে কান্দিবলৈ ধৰিলে, মাকলৈ মনত পৰি অন্তৰ্হাভেদি তাইৰ মনে বিচৰা ককাইটিৰ লগত তাই বিয়া সোমাব পৰা নাই। কাকনো ক'ব মনৰ বতৰা। কয়েই বা কাক, পতিয়াবই বা কোনে ? নাই নাই তাই কেতিয়াও সক্ষকণৰ বাদে বিয়া সোমাব নোৱাৰে ; কিন্তু তাই মুখ খুলি কাক ক'ব ? তাই সম্পূৰ্ণ পৰাধীন।

সক্ষকণেও ভাবিলে সি কি কৰিব। ৰূপহীৰ

পেহীয়েকৰ ঘৰলৈ সি নাযায়। ভাবি ভাবি উপায় নাপালে। তথাপি সি ৰূপহীক দেখিব বুলি সিহঁতৰ পদূলিত থিয় দিলেগৈ। ৰূপহীয়ে বেৰৰ বিন্ধাইদি তাক দেখি দৌৰি আহিল কোনেও গম নোপোৱাকৈ। আহিয়েই তাই ক'লে — "মোৰ বিয়া। মোক উদ্ধাৰ কৰা ককাইটি। নহ'লে মই মৰিম।" এই বুলি তাই কান্দি পেলালে। "ব'ল তেন্তে এতিয়াই",—এই বুলি সৰুকণে তাইক লৈ গ'ল। চিকিমিকি বেলিকা। আঘোন মাহ। জাৰ পৰিল। সিহঁতো আন্ধাৰৰ বুকুত বিলীন হৈ গ'ল এক প্ৰাণ এক মন লৈ।

এটি শিশুক কেৱল ভদ্ৰলোক বা ভদ্ৰ মহিলা হ'বলৈকে শিক্ষা দিয়া অনুচিত। ইয়াৰ লগে লগে তেওঁক উপযুক্ত নাৰী বা পুৰুষ হ'বলৈও গঢ় দিয়া উচিত।

—হাৰ্বাৰ্ট স্পেন্সাৰ

# তেজে ধোৱা টকা

শ্ৰীসম্পূৰ্ণা চলিহা
দ্বিতীয় বাৰ্ষিক, প্ৰাক্-স্নাতক

'আজি বিলৰ পেমেণ্ট সুজাতাই কৰিব লাগিব—' মুকুলৰ কথাত সকলোৱে সন্মতি জনালে। সুজাতা নীৰৱে থাকিল। সঞ্জয়ে ক'লে "দিবই লাগিব সুজাতাই। আমাৰতো জেপ উদং। সুজাতাৰ মনি অৰ্ডাৰ আহিলে নহয়। দিবানে নিদিয়া সুজাতা?" মন্দিৰাই সুধিলে। 'দিম' বুলি সুজাতাই সন্মতি জনালে; লগে লগে মুকুলে বয়টোক মাতি আনি অৰ্ডাৰ দিলে। ভতাতৈয়াকৈ বয়টোৱে খোৱা বস্তুৰ প্লেট আনি...সিহঁতৰ আগৰ মেজত দিলেহি। খোৱা বস্তু আগত লৈ সিহঁতৰ আলোচনা আৰম্ভ হ'ল। কোনোবা এজন বোলছবিৰ অভিনেতাৰ শেহতীয়া প্ৰেমৰ বাতৰিয়ে সিহঁতৰ আলোচনা মুখৰ হৈ উঠিল। চাহ কাপৰ উৰি যোৱা ধোঁৱাবোৰলৈ চাই চাই সুজাতা তন্ময় হৈ আছিল আপোন চিন্তাত। চাহ কাপ তাই ল'লে। চাহ কাপৰ মাজত তাই এখন মুখ দেখা পালে। মুখখন স্পষ্টৰপৰা স্পষ্টতৰ হৈ তাইৰ চকুৰ আগত জিলিকি উঠিল। এইখন মুখ তাইৰ দেউতাকৰ মুখ। এইখন এখন কৰ্মব্যস্ত কেৰাণীৰ মুখ। এইখন এখন আদৰ্শবান ব্যক্তিৰ মুখ। এইখন এখন সংসাৰৰ ভাৰ গধুৰ বোজাই হাঁহি শেষ কৰি দিয়া এজন সংসাৰীৰ মুখ। এইখন এখন আশাবাদী মুখ। মানুহজনৰ চকু দুটা খুউব জিলিকিছে। ভৱিষ্যতৰ সুখৰ স্বপ্নত চকু দুটা তিৰ-বিৰাই উঠিছে। সুজাতাৰ এনে লাগিল—চকু দুটা যেন ক্ৰমে ৰঙা হৈ উঠিছে। প্ৰচণ্ড খঙেৰে যেন সুজাতালৈ চাইছে। চকু দুটাৰপৰা যেন জুই ওলাইছে।

:"উত্তৰ মিলা-নিমিলা অংকবোৰ কৰি কৰি ভাৱো। জীৱনৰ সঁচা অংকটোৰ উত্তৰ মিলিলেই হ'ব।" দেউতাকৰ উক্তি।

:'আমাৰ আইজনীয়ে আমাৰ দুখ আঁতৰ কৰিব''—মাকৰ উক্তি।

:'বাইদেৱে কাম কৰিলে মোকো তইঁতৰ নিচিনা ছুৰেটাৰ আৰু চোলা দিব''—ভায়েকে লগৰ ল'ৰা-বোৰৰ আগত কোৱা কথা।

: "বাইদেউ, তই কাম কৰিলেই আমি ঘৰখন ধুনীয়াকৈ সজাম দেই'' ভনীয়েক কমিতাই কৈছিল সুজাতাক।

: "মোৰ ছুৱেটাৰটো তয়ে লৈ যা। মই যেনে-তেনে জাৰটো কটাম। তোক যে লাগিবই।" সুজাতাৰ হাতত ছুৱেটাৰটো দি কৈছিল ভনীয়েক সৰিতাই।

এই প্ৰত্যেকটো কথা সুজাতাৰ কাণত বাজি উঠিল। তাৰ লগতে বাজি উঠিল দেউতাকৰ আওপুৰণি চাইকেলখনৰ কেৰ কেৰ শব্দটো। মাকৰ তাঁতশালৰ খট্ খট্ শব্দটো।

সুজাতাই জানে, সুজাতাই বুজে। দেউতাকৰ

কঠোৰ পৰিশ্ৰম—তাই ভাৱে, উপলব্ধি কৰিব পাৰে। মনত থকাৰেপৰা অতি দুখ আৰু কষ্টত ডাঙৰ হোৱা সুজাতাই জীৱন সংগ্ৰাম কাক কয় ভালকৈ জানে। সেয়ে তাই সৰুৰেপৰা বৰ হিচাপী। দেউতাকৰ কষ্ট লাঘৱ কৰিবলৈ তাই আপ্ৰাণ চেষ্টা কৰি আহিছে। বৃত্তিৰ টকাৰে সেয়েহে কাপোৰ-কানি নিকিনি তাই প্ৰয়োজনীয় কিতাপ-পত্ৰহে কিনে। তাই বি, এ, পাছ কৰাৰ দিনা দেউতাক-মাকৰ আনন্দখিনি মনত পৰিলে আজিও তাইৰ চকুপানী ওলাই আহে। বুকুখন বিষাদত বিষাই উঠে। কিতাপ-পত্ৰৰ অভাৱৰ মাজত পঢ়িও তাই ইমান ভাল ৰিজাল্ট কৰিলে, আনন্দ নাপাব কিয়? দেউতাকে মাকক সগৌৰৱে কৈছিল—"চোৱাঁ, ছোৱালীয়ে মোৰ কষ্টৰ মূল্য কেনেকৈ দিছে। ভগা ঘৰত থাকিও আজি মই বৰ সুখ পাইছোঁ।" এইষাৰ কথা শুনি হুক্-হুক্কৈ কান্দি দিছিল সুজাতাই।

বিদ্যাৰ প্ৰাণকেন্দ্ৰ বিদ্যালয়লৈ আহি এয়া তাই কি কৰিছে? অভিনেতাৰ প্ৰেম কাহিনীৰ সমালোচনা কৰি তাই দেউতাকৰ কষ্ট আৰু ঘৰখনৰ আশাখিনিৰ মূল্য দিব খুজিছেনেকি? দেউতাকে হয়তো এতিয়া অঙ্কৰ উত্তৰ উলিওৱাত ব্যস্ত। তেওঁৰ ঘাম টোপাটোপে সৰিছে নিশ্চয়। মাকে চাগে' তাঁতৰ-পাতত বহি কাপোৰ যোৰ সোনকালে উলিওৱাৰ কথা ভাৱিছে। কাৰণ সুজাতাৰ কাপোৰ এযোৰ ফটা কথা মাকে জানে। সুজাতা থিৰেৰে থাকিব নোৱাৰিলে। হাতৰ চেঁচা হৈ যোৱা চাহ কাপ একে সোহাই খাই পেলালে। বেগৰপৰা টকা দহটা তাই উলিয়াই ল'লে। টকাটোত তাই কেঁচা তেজৰ গোন্ধ পালে। দেউতাকে মগজুৰ শক্তি ক্ষয় কৰি পোৱা টকাটোত যে দেউতাকৰ শৰীৰৰ তেজ মিহলি হৈ ৰঙা হৈ আছে। নীৰৱে টকাটো মেনেজাৰৰ হাতত তুলি দি তাই কেন্টিনৰপৰা ওলাই আহিল। আগদিনা, দেউতাকৰপৰা পোৱা চিঠিখনৰ প্ৰত্যেকটো আখৰ তাইৰ চকুৰ আগত ভাহি উঠিল। 'এই মাহত টকা কমকৈ পঠিয়ালোঁ। চলিবলৈ অসুবিধা হৈছে ... ....।"

——

# প্ৰতিবাদ

শ্ৰীঅগ্ৰ শৰ্মা
স্নাতক্-১ম বাৰ্ষিক

ঘটি যোৱা ঘটনাবিলাকৰ কথা মনত পৰিলেই ডাঃ প্ৰণৱ বৰুৱাই কি কৰিব, কি নকৰিব এইবিলাক ভাৰি ভাৰি অজ্ঞানৰ দৰে হৈ পৰে আৰু লগে লগে তেওঁৰ মানস-পটত মাত্ৰ এখন ছবিয়ে দোলন দি উঠে, সেইখনেই হ'ল তেওঁৰ অতি মৰমৰ, অতি আপোন ৰীতাৰ ছবি। ৰীতা আছিল এগৰাকী অতি নম্ৰ আৰু শান্ত প্ৰকৃতিৰ ছোৱালী। দেখিবলৈ যদিও তাই সিমান ধুনীয়া নাছিল তথাপি তাইৰ মুখমণ্ডলত আনক সহজে আকৰ্ষণ কৰিব পৰা এক আকৰ্ষণীয় শক্তি আছিল। ৰীতাই তেতিয়া প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ মহাবিদ্যালয়ৰ দুৱাৰ গচকিছে মাথোন, ঠিক সেই একে সময়তেই ডাঃ প্ৰণৱ বৰুৱায়ো 'মেডিকেল' পাচ কৰি ৰীতাইঁতৰ ঘৰৰ ওচৰৰ চৰকাৰী হস্পিটেলখনত নতুনকৈ কামত সোমাইছে। হঠাৎ এদিন ৰীতা আৰু প্ৰণৱ বৰুৱাৰ মাজত চিনা-পৰিচয় হ'ল আৰু এইদৰে চাৰিচকুৰ মিলন হোৱাৰ পিছত দিন বাগৰাৰ লগে লগে ৰীতা আৰু প্ৰণৱে পৰস্পৰে পৰস্পৰক ভাল পাই পেলালে আৰু দুয়ো দুয়োকে লৈ বচিবলৈ ধৰিলে ৰং-বিৰঙৰ হাজাৰ স্বপ্ন।

ৰীতাইঁতৰ ঘৰৰ অৱস্থা সেই সময়ত আছিল পানীত হাঁহ নচৰা। তিনিটা ভায়েক, এজনী ভনীয়েক, কণীয়া দেউতাক আৰু মাকৰে সৈতে গঠিত হৈছিল সিহঁতৰ সংসাৰ। খেতিৰ মাটি আছিল যদিও ঘৰত খেতি কৰা মানুহ নথকাৰবাবে মাটিখিনি গাঁৱৰে লোক মৌজাদাৰ দেৱজ্যোতি বৰদলৈৰ ঘৰত আধি কৰবলৈ দিয়ে। যিখিনি ধান পায়, সেই ধানে কোনোমতে বছৰটো খাবলৈ হয়হে মাথোন। অন্যহাতেদি ৰীতাকে আদি কৰি ভায়েক-ভনীয়েক-কেইটাৰ স্কুল-কলেজৰ খৰচ দিবলগা হোৱাটোৱেই ৰীতাৰ দেউতাকক এক বিৰাট সমস্যাৰ সন্মুখীন কৰায়; কিন্তু অৱশেষত এদিন ৰীতাৰ দেউতাকৰ সন্মতিক্ৰমে প্ৰণৱেই ৰীতাৰ কলেজৰ সকলো খৰচ বহন কৰাৰ দায়িত্ব গ্ৰহণ কৰিলে। এইদৰে দুটা বছৰ উকলিল, প্ৰণৱ আৰু ৰীতাৰ মাজৰ সম্বন্ধ আগতকৈ সুদৃঢ় হ'ল।

পৰস্পৰে পৰস্পৰক গভীৰভাৱে ভাল পাই পেলালে; কিন্তু এই সময়তেই 'গৱেষণাৰ' কামত প্ৰণৱ সম্পূৰ্ণ দুটা বছৰৰ বাবে লণ্ডনলৈ যাব লগা হ'ল। প্ৰণৱে খবৰটো ৰীতা তথা তাইৰ মাক-দেউতাকক জনালে। যদিও ৰীতাই প্ৰথমে প্ৰণৱক তাইৰ কাষৰপৰা দূৰ দেশলৈ এৰি পঠাবলৈ মন নকৰিছিল; কিন্তু অৱশেষত একমাত্ৰ প্ৰণৱৰ মান-যশৰ বাবেই তাই এইক্ষেত্ৰত হাঁহিমুখে সন্মতি প্ৰদান কৰিলে। নিৰ্দিষ্ট দিনত প্ৰণৱ লণ্ডনলৈ যাত্ৰা কৰিলে আৰু যাবৰ সময়ত ৰীতাক নানা ধৰণৰ উপদেশ দি নিজৰ কৰ্তব্যৰপৰা বিচলিত নহ'বলৈ কৈ সঘনে চিঠি-পত্ৰ দি থাকিবলৈ ক'লে।

লণ্ডনলৈ গৈয়ে প্ৰণৱে ৰীতা আৰু ৰীতাৰ মাক-দেউতাকলৈ এখন চিঠি দিলে। সময়মতে ৰীতায়ো তাইৰ ব্যক্তিগত তথা ঘৰুৱা সকলো খা-খবৰ জনাই প্ৰণৱৰ চিঠিৰ উত্তৰ পঠালে। এইদৰে প্ৰায় সাত-আঠ মাহমান ৰীতা আৰু প্ৰণৱৰ মাজত চিঠি-পত্ৰৰ

আদান-প্ৰদান হৈ থাকিল; কিন্তু অৱশেষত এদিন বীতাৰ চিঠি এখনে প্ৰণৱক বৰ বেয়াকৈ আঘাত দিলে। বীতাই সংক্ষেপতে লিখিছিল ঃ

মৰমৰ প্ৰণৱদা,

সৰ্বপ্ৰথমে মংগল কামনা কৰিলোঁ। আশাকৰোঁ বৰ্তমান তোমাৰ ভাল। মোৰ শাৰীৰিক অৱস্থা ভাল যদিও মানসিকভাৱে একেবাৰে অসুস্থ হৈ পৰিছোঁ। জানা প্ৰণৱদা, এইখনেই হয়তো তোমালৈ লিখা মোৰ শেষ চিঠি। প্ৰণৱদা মোৰ কল্পনাবোৰ কল্পনা হৈয়ে ৰ'ল, তাক মই বাস্তৱত ৰূপ দিব নোৱাৰিলোঁ। তুমি তোমাৰ মনৰ মাজৰ যিজনী বীতাৰ প্ৰতিচ্ছবি অতি সযত্নে খোদিত কৰি ৰাখিছা, হয়তো সেই বীতাৰ অতি সোনকালে অপমৃত্যু ঘটিব। প্ৰণৱদা তুমি মোক ভুল নুবুজিবা, পৰিস্থিতিয়ে মোক তোমাৰ কাষৰপৰা আঁতৰাই আনিছে। প্ৰণৱদা, দৈহিকভাৱে মোক তোমাৰ কাষৰপৰা আঁতৰাই আনিলেও পৃথিৱীৰ কোনো শক্তিয়েই মোক মানসিকভাৱে তোমাৰ কাষৰপৰা আঁতৰাই আনিব নোৱাৰিব। পুনৰ মংগল কামনাৰে—

তোমাৰেই অভাগিনী
—বীতা

বীতাৰ চিঠিখন পঢ়ি প্ৰণৱে বীতাৰ যে কিবা অমংগল ঘটিছে তাক সহজে বুজিব পাৰিলে; কিন্তু প্ৰণৱৰ একো উপায় নাছিল। গৱেষণাৰ কাম এৰি ঘৰলৈ ঘূৰি আহিলেও সকলোৰে হাঁহিয়াতৰ পাত্ৰ হ'ব লাগিব, সেইবাবে প্ৰণৱে ঘূৰি নহাটোকেই মনস্থ কৰি বাৰ্তা আৰু বীতাৰ দেউতাকৰ ঠিকনাত কেইবাখনো চিঠি লিখিলে কিন্তু; এখনৰো প্ৰত্যুত্তৰ নাপাই অৱশেষত তেওঁ নিৰাশ হৈ পৰিল।

নিৰ্দিষ্ট সময়ত প্ৰণৱ ঘৰলৈ ঘূৰি আহিল আৰু তেওঁ শুনিবলৈ পালে যে আজিৰপৰা প্ৰায় চৈধ্য-পোন্ধৰ মাহৰ আগতেই বীতাৰ বিয়া হৈ গ'ল, গাঁৱৰে মৌজাদাৰ দেৱজ্যোতি বৰদলৈৰ পুত্ৰ শৰৎ বৰদলৈৰ লগত। শৰতে হেনো বীতাক তাইৰ অজ্ঞাতে গোপনে ভাল পাই পেলাইছিল আৰু এদিন তেওঁৰ মনৰ কথা জনাই বীতালৈ এখন চিঠি লিখিলে। বীতাই কিন্তু শৰতৰ ভালপোৱাক প্ৰত্যাখ্যান জনালে। অন্যহাতেদি শৰৎ সিমানতে ক্ষান্ত নাথাকি মাক-দেউতাকৰ হতুৱাই বীতাৰ মাক-দেউতাকৰ ওচৰত ৰীতাৰ বিবাহৰ বাবে প্ৰস্তাৱ উথাপন কৰালে। বীতাৰ মাক-দেউতাকে কিন্তু এই ক্ষেত্ৰত সন্মতি প্ৰদান নকৰিলে। শৰৎ তথা সিহঁতৰ গোটেই ঘৰখনেই এই কথাত অপমান বোধ কৰিলে আৰু বীতাক যেইকোনো প্ৰকাৰে হ'লেও সিহঁতৰ ঘৰৰ বোৱাৰী কৰি নিবলৈ সংকল্প গ্ৰহণ কৰিলে। সকলো ধৰণৰ প্ৰচেষ্টাতেই পৰাজয় স্বীকাৰ কৰি অৱশেষত মৌজাদাৰে দীৰ্ঘদিন ধৰি আধিলৈ ৰুই থকা বীতাহঁতৰ মাটিখিনি চৰকাৰে প্ৰৱৰ্তন কৰা "ছিলিং এক্ট" আইন মতে নিজৰ নামত পট্টা কৰাই লোৱাৰ ভয় দেখুৱালে। বীতাৰ দেউতাকে কথাটো শুনিয়েই নিজৰ সৰ্বস্ব হেৰোৱাৰ ভয়ত বীতাক নানাভাৱে বুজাই-বঢ়াই শৰতলৈকে বিয়া দিবলৈ মনস্থ কৰিলে। নিৰ্দিষ্ট দিনত উচ্চশিক্ষিত ল'ৰা শৰতৰ লগত বীতাৰ বিবাহকাৰ্য্য সম্পাদন হৈ গ'ল। বিয়াৰ কিছুদিনৰ পিছতেই শৰতে কোনোবা এখন বাগানৰ মেনেজাৰৰ পদত নিযুক্তি লাভ কৰে। যদিও প্ৰথম অৱস্থাত শৰতৰ লগত বীতা সিমান সুখী হ'ব পৰা নাছিল তথাপি প্ৰথম তিনিটামান মাহ ভাল মিল-প্ৰীতিৰ মাজেৰেই বৈবাহিক জীৱন অতিবাহিত কৰিছিল; কিন্তু লাহে লাহে বীতাৰ প্ৰতি শৰতৰ ব্যৱহাৰ বেয়া হৈ আহিবলৈ ধৰিলে। শৰতে ক্লাবলৈ গৈ মদ খাবলৈ শিকিলে আৰু ৰাতি প্ৰায় ১২-১ বজাত ঘৰ সোমাবলৈ আৰম্ভ কৰিলে। অন্যহাতেদি শৰৎ ইমানতে ক্ষান্ত নাথাকিল, দিনে দিনে বীতাৰ ওপৰত নানা ধৰণৰ অত্যাচাৰ আৰম্ভ কৰি দিলে। বীতাই কিন্তু এই সকলোবিলাক একমাত্ৰ ভগৱানবেই

আশীৰ্বাদ বুলি নীৰৱে চকুলো টুকিলে। ইতিমধ্যে ৰীতাৰ এটি কন্যা সন্তান উপজিল। ইয়াৰ কিছুদিনৰ পিছতেই এদিন এটা ঘটনাই ৰীতাক বৰকৈ আচৰিত কৰি তুলিলে আৰু সেইদিনাৰপৰাই ৰীতাৰ এক নতুন জীৱনৰ সূত্ৰপাত হ'ল। এদিন গভীৰ নিশা, শৰতে লগত এজনী সুন্দৰী যুৱতী লৈ আহি ৰীতাক ঘৰৰপৰা ওলাই যাবলৈ আদেশ দিলে। সেই সময়ত শৰতৰ ঘৰৰপৰা নীৰৱে ওলাই অহাৰ বাদে ৰীতাৰ আন একো উপায় নাছিল আৰু কেঁচুৱাটো লৈ তাই ঘৰলৈকে উলটি আহিছিল। ৰীতাৰ আগমনত সিদিনা গোটেই ঘৰখনে নীৰৱে চকুলো টুকিলে।

'ৰীতা'ৰ বিষয়ে সকলো শুনাৰ পিছত প্ৰণৱ আৰু স্থিৰেৰে থাকিব নোৱাৰিলে। এক অজান বেদনাত প্ৰণৱৰ অন্তৰখনে কান্দি উঠিলে আৰু ৰীতাক লগ কৰাৰ এক প্ৰবল হেঁপাহ তেওঁৰ মনত জাগি উঠিল। প্ৰণৱে লগে লগে ৰীতাহঁতৰ ঘৰলৈ যাত্ৰা কৰিলে। সিদিনা ৰীতাহঁতৰ ঘৰত একমাত্ৰ ৰীতা আৰু ৰীতাৰ নৱজাত শিশুটিৰ বাদে কোনোৱেই নাছিল। হঠাৎ প্ৰণৱৰ উপস্থিতিয়ে ৰীতাক অসম্ভৱ ভাৱে আচৰিত কৰি তুলিলে আৰু লগে লগে এক অনামী বেদনাই ৰীতাৰ অন্তৰখন গ্ৰাস কৰি পেলালে। ৰীতাই মুখেৰে প্ৰণৱক একোকে ক'ব নোৱাৰিলে আৰু হুকুহুকাই কান্দি উঠিল। ৰীতাৰ কোলাত থকা কেঁচুৱাটো যে শৰতৰ সন্তান প্ৰণৱৰ বুজিবলৈ বাকী নাথাকিল। অৱশেষত ৰীতাই দুগালে দুধাৰী বাকী নাথাকিল। অৱশেষত ৰীতাই দুগালে দুধাৰী ভপত অশ্ৰুৰেখা বোৱাই কৈ গৈছিল তাইৰ জীৱনৰ ইতিহাস, মানুহৰূপী পশু শৰতৰ অত্যাচাৰৰ কথা। ৰীতাৰ মুখলৈ চাই থকাৰ সাহস সেই সময়ত প্ৰণৱৰ হেৰাই গৈছিল আৰু প্ৰণৱে মাত্ৰ ৰীতাক সুধি পেলাইছিল তেওঁ এতিয়া কি কৰিবলৈ বিচাৰে। প্ৰণৱে স্পষ্টভাৱেই ৰীতাৰ আগত কৈ পেলাইছিল যে ৰীতাৰ অবিহনে প্ৰণৱৰ প্ৰেমৰ মন্দিৰৰ সুপ্ত শিখা পুনৰ প্ৰজ্বলিত হৈ নুঠে, ৰীতাৰ অবিহনে প্ৰণৱৰ ভৱিষ্যৎ জীৱন অন্ধকাৰ। ৰীতাই কিন্তু কোনোমতেই প্ৰণৱৰ কথা মানি ল'বলৈ মান্তি নহ'ল। ৰীতাই কেতিয়াও আনৰদ্বাৰা পৰিত্যক্তা এগৰাকী যুৱতীক প্ৰণৱৰ জীৱন সঙ্গিনী কৰি ল'বলৈ দিব নোৱাৰে, ৰীতাই প্ৰণৱক কেতিয়াও সমাজৰ হাঁহিয়াতৰ পাত্ৰ হ'বলৈ নিদিয়ে। অৱশেষত প্ৰণৱে সিদিনা ৰীতাক একোকে ক'ব নোৱাৰি এক ভগ্ন হৃদয় লৈ ঘৰলৈ ঘূৰি আহিছিল।

প্ৰণৱৰ অন্তৰখনে হাহাকাৰ কৰি উঠিছিল কিবা এক নোপোৱাৰ বেদনাত। ৰীতাৰ অবিহনে প্ৰণৱ যেন পংগু হৈ পৰিব, ৰীতাৰ অবিহনে প্ৰণৱৰ জীৱন যাত্ৰা কেতিয়াও সম্ভৱ নহয়; কিন্তু হঠাৎ প্ৰণৱে যেন চেতনা ঘূৰাই পালে, তেওঁ নিজকে নিজে কৈ উঠিল,— যিকোনো প্ৰকাৰে হ'লেও তেওঁ ৰীতাক বিয়া কৰাবই। কাৰোবাৰ হৃদয়ে কাৰোবাৰ হৃদয়ক আপোন কৰি ল'বলৈ হাহাকাৰ কৰি ফুৰিব আৰু তাক বাস্তৱত ৰূপায়িত কৰিবলৈ যাওঁতে সমাজে হাঁহিব, ই কেতিয়াও সত্য হ'ব নোৱাৰে। তেওঁ ৰীতাৰ যুক্তিৰ সাপেক্ষে 'প্ৰতিবাদ' কৰি ৰীতাক বিয়া কৰাবই।

# গৰীৱৰ সংসাৰ

শ্ৰীনীলিমা ভূঞা
প্ৰাক্-স্নাতক,২য় বাৰ্ষিক

"এনেকৈনো আৰু কিমান দিন কটাবাহে ?" এই বুলি নবেনে কয়। নবেন আৰু হৰেনৰ সৰুকালৰে-পৰা বন্ধু ভাৱটো গাঢ় হৈ আছিছে। সেই কাৰণেই আজিও সিহঁতে অন্তৰ খুলি কথা পাতে। হৰেনৰ আৰ্থিক অৱস্থা সিমান ভাল নহয়। বৃদ্ধা মাক, ভনীয়েক আৰু সি, এই তিনিটা প্ৰাণীৰেই সিহঁতৰ সংসাৰখন। কালৰ কুটিল গতি। হৰেনৰ বাপেক আজিলৈকে যদি জীয়াই থাকিলে-হেঁতেন তেতিয়া তেওঁৰ আদৰৰ লাডু পুতেক-জীয়েকে বিলাসিতাৰে জীৱন কটাব পাৰিলেহেঁতেন।

নবেন ধনীৰ দুলাল ......। বাপেক কেইবাখনো বাগানৰ মালিক। তদুপৰি তেখেত হেনো চোৰাং ব্যৱসায়তো ওস্তাদ্। আধুনিক সমাজত তেখেতৰ স্থান উচ্চ। উচ্চ হ'বৰে কথা, কিয়নো বৰ্ত্তমান সংসাৰখন হৈছে ধনীৰ।

পকী দালান, লৰী-মটৰ, চাকৰ-নাকৰ আদিৰে গোটেই ঘৰখন ভৰপূৰ। দেখিলে নবেন আৰু হৰেনৰ বন্ধুত্বটো ভ্ৰান্তি যেনহে লাগে; কিন্তু বাজ-ভোগ কৰিবলৈ পায়ো নবেন আৰু মাকৰ মনত শান্তি নাই। বাপেকৰ কিছুমান অস্বাভাৱিক পৰিবৰ্ত্তনে তাৰ মনটো ব্যতিব্যস্ত কৰি তোলে।

হৰেনে প্ৰবেশিকা পাছ কৰা দুবছৰ হ'ল। উচ্চ শিক্ষা লাভ কৰাৰ ইচ্ছাতো তাৰ খুব প্ৰবলেই আছিল। কিন্তু টকা ......? বাপেকৰ জীৱিত অৱস্থাতেই সি আৰ্থিক অৱস্থাৰ বাবে ভাৱিব লগা হৈছিল; কিন্তু হঠাতেই বাপেকৰ মৃত্যু হোৱাত অভাৱ-অশান্তিয়ে তাৰ অন্তৰখন আৱৰি ধৰিলে। বাপেকৰ যি সঞ্চিত টকা আছিল সেই টকাখিনিও বেঙ্ক দেৱলীয়া হোৱাত তাঁবো ভিকাচন ভাগিল।

আজি হৰেন অকলশৰীয়া। আও-ভাও নুবুজা সংসাৰখন পৰিচালনাৰ ভাৰ তাৰ ওপৰত পৰেহি। বাধা-বিঘিনিবিলাক অতিক্ৰম কৰি দৃঢ়ভাৱে সি সংসাৰ ক্ষেত্ৰত আগুৱাই গৈ থাকে। মুখাপিন্ধা উন্মত্ত সংসাৰখনলৈ তাৰ ভয় লাগে। সিহঁতৰ উপদেশত সি বহুতোবাৰ ঠেকত পৰিছে। এতিয়া সি কাকো বিশ্বাস নকৰে, আনকি নবেনৰ উপদেশ-বোৰ শুনিবলৈও সি কেতিয়াবা কুণ্ঠিত হয়; কিন্তু সি যেতিয়া তাৰ বন্ধু নবেনৰ সজ উপদেশবিলাক বুজি উঠে, তেতিয়াই হৰেনে বন্ধুৰ প্ৰতি অজ্ঞাত-সাৰেই এটি ওলগ জনায়।

টং, টং, টং। ওচৰৰ পুলিচ থানাত ৰাতি দহ বজাৰ ঘণ্টা বাজি উঠে। হৰেনৰ মাক আৰু

ভনীয়েক নীলিমে ৰন্ধা-বঢ়া কাম শেষ কৰি হৰেনৰ অপেক্ষাত জুহালৰ গুৰিতে বহি কালি চাই অহা "কথাছবি"খনৰ বিষয়ে দুই-এষাৰ কথা পাতি আছে। এনেতে পদুলিমুখত মটৰৰ হৰ্ণ শুনি নীলিমে খিড়িকীয়েদি জুমি চাই কৈ উঠে, "মা অ' মা, কালি আমাক চিনেমা দেখুৱাবলৈ নিয়া নবেন দাদাৰ দেউতাক আহিছে।" মাকে ওৰণিখন টানিলৈ চ'ৰাঘৰলৈ আহি তেখেতক এটি নমস্কাৰ জনাই চকীখন মোহাৰি বহিবলৈ দিয়ে। তেখেত বহিয়েই সহানুভূতিৰ সুৰত সোধে "হৰেন নাই নেকি?" মাকে কয় "হয় নাই, বৰবকৰা হাইস্কুলৰ চেক্ৰেটৰীৰ ওচৰলৈ নবেনৰ লগত চাবি বজাতেই ওলাই গ'ল। এতিয়ালৈকে আহি পোৱাহি নাই। তাত হেনো শিক্ষকৰ পদ এটি খালী হৈছে। কিবা এটা চাকৰি-নাকৰি নিবিচাৰিলেতো অন্য উপায় নাই। পঢ়ুৱাবলৈতো অৱস্থাই নুকুলাই .........।"

নবেনৰ বাপেকৰ নাম ধীৰেন। এই পঞ্চাছ বছৰীয়া বুঢ়া ধীৰেনৰ কুঅভিপ্ৰায় কি সেইটো পাঠক-পাঠিকাসকলে লাহে লাহে বুজি পাব।

"ঘৰত কোনোবা আছেনে?" "অ" আপুনি আহক, আহক," এই বুলি নীলিমে চকীখন আগবঢ়াই দিয়ে ধীৰেনক। ধীৰেন তাতে বহি পৰে। ইতিমধ্যে মাক আহি ধীৰেনৰ লগত কথা-বাৰ্তা হয়হি। নীলিমে চাহ-তামোল আনি দিয়েহি। কথাৰ লাচতে ধীৰেনে কয়— "সেইদিনা আপুনি হৰেনক পঢ়াব নোৱৰা বুলি মোৰ আগত মন্তব্য কৰিছিল। অৱশ্যে আপোনালোকৰ পক্ষে তাক কলেজত পঢ়োৱাটো অসম্ভৱ। আনহাতে বৰ্তমান যুগত নামমাত্ৰ শিক্ষাৰে চলাটো টান হৈ পৰিছে। তাৰ নিচিনা চোকা ল'ৰা এটাই ইমানতে শিক্ষাৰ সামৰণি মৰাটোও দুখৰ বিষয়। বাৰু, কাইলৈ তাক মোৰ ওচৰলৈ পঠাবচোন। তাক মই মোৰ নবেনৰ দৰেই ভাবোঁ। নিজৰ ল'ৰাই সকলো সুবিধা দিয়া সত্ত্বেও পঢ়িব নোৱাৰিলে। হৰেনৰ ইচ্ছা আছে যেতিয়া সিয়েই পঢ়ক।" একেবাহে ধীৰেন এককৰাই কথাখিনি কৈ যায়। ইয়াৰ পিছত নীলিৰ লগত দুআষাৰ কথা পাতি তেওঁ ঘৰমুৱা হ'ল।

* * *

সকলো ঠিকঠাক হৈ গ'ল। অজানিতেই হৰেনৰ অন্তৰখন কঁপি উঠিল। কলেজত নাম লগোৱা শেষ দিন পালেহি। কালিলৈ সি গুৱাহাটীলৈ যাব লাগে। যোৱাৰ আগতে মাক আৰু নীলিমাৰো কিবা এটা ব্যৱস্থা কৰিব লাগিব। সি ভাৱি ভাৱি বিমোৰত পৰিল। শেষত নবেনৰ ওপৰতেই সেই দায়িত্ব দিবলৈ স্থিৰ কৰিলে।

ডিব্ৰুগড় ষ্টেচন। আঠ বাজিবলৈ এতিয়াও আধাঘণ্টা বাকী। "আগবঢ়াবলৈ আহিলা যেতিয়া এই আধাঘণ্টা বৈ ট্ৰেনত তুলি থৈ যোৱা।" হৰেনৰ কথাষাৰত নবেনে "নিশ্চয়" বুলি কৈ দুয়ো "ওৱেটিং ৰুম"লৈ আগবাঢ়ি গৈ বেঞ্চ এখনত বহি পৰিল। কোঠাটোত দহ-বাৰজনমান মানুহ আগৰপৰা বহি আছে। সকলোৱেই কথাত ব্যস্ত। "নাই নাই, আমাৰ আৰু ইবোৰ দিন উকলিল। ইয়াতকৈ বেয়া নহ'লেই ৰক্ষা।" "মোৰ যে ভয়েই লাগিছে। বাৰ হেজাৰ টকাৰ ষ্টক আছে। দিনক দিনে এনেকৈ দাম কমি গ'লে মোৰ বৃহৎ 'লচ' হ'ব।" "মঞ্জু ভনীক ইমান ভাললাগে পায়। কালি আমাৰ ঘৰলৈ গৈছিল। অলিতাই গান গাবলৈ কোৱাত তাই এনে ভাল গান এটা গালে মোৰ এতিয়াও মনত পৰি আছে।" "অ" হয় নেকি? তোৰহে ভাল। মোৰ যদি ভনী এজনী থাকিলেহেঁতেন তেতিয়া হলে মইয়ো তোৰ দৰে ভাল গান শুনিবলৈ পালোহেঁতেন নহয়?" "পিছে তই আকৌ গান শুনিয়ে মঞ্জুৰ প্ৰেমত পৰিছি নেকি?" ইমান পৰে হৰেন আৰু নবেন নিয়াত আছিল। কণা মগনিয়াটোৰ "বাবু দুপইচা" বোলা কথাষাৰে সিহঁতক

চক্ খুৱাই দিলে। শেষত হাতভৰাই পইচা চাবিটো দি নবেনে তাক বিদায় দিলে। সি আঁতৰি গ'ল।

"বুইছা হৰেন, তুমি বেয়া নোপোৱা যদি কথা এষাৰ সোধোঁ—দেউতাই তোমাক পঢ়ুৱাবলৈ লোৱাত কি স্বাৰ্থ আছে বুজিব পাৰিছানে?" এইবুলি হৰেনে সোধে। "একো স্বাৰ্থ নাই। তোমাৰ লগত বন্ধুত্ব স্থাপন কৰাই মূল উদ্দেশ্য বুইছা।" হৰেনে ক'লে। সিইঁতৰ কথাৰ অন্ত পৰিল। ইতিমধ্যে গাড়ী আহি পালেহি। হৰেনক গাড়ীত তুলি নবেন ঘৰলৈ উভতিল।

দিনবোৰ গৈ থাকে। নীলিৰ বয়স এতিয়া ষোল বছৰ। দেখাত বয়সতকৈ ডাঙৰ যেনহে লাগে যৌৱনৰ বতাহছাটিয়ে তাইৰ সকলোবিলাক অংগ-প্ৰত্যংগতেই এটা মাদকতা আনি দিছে। তাইক অলংকাৰবোৰে ৰূপত বং চৰাইছে। নবেনৰ দেউতাক প্ৰায়ে নীলিইঁতৰ ঘৰলৈ আহি থাকে আৰু হাতত দুই-এটা ভাল বস্তু লৈ আহে। বুঢ়া ধীবেনৰ গাত এতিয়া বাৰকৈয়ে বিশ্ বছৰীয়া ডেকাৰ যৌৱনৰ বা লাগিছে। অৱশ্যে হৰেন গুৱাহাটীলৈ যোৱাৰপৰা নবেনে খবৰ-খাতি কৰিয়ে থাকে। কিন্তু কি হ'ব?

নীলিয়ে আজি কিছুদিনৰপৰা স্কুললৈ নোযোৱা হ'ল। লগৰ ছোৱালীবোৰে নানান মন্তব্য দিব ধৰিলে। কিছুমানে কয় "তাইৰ কিবা অসুখ হৈছে। নহলে কৰবাত ফুৰিবলৈ গৈছে" ইত্যাদি। সিইঁতৰ ভিতৰত অৰুণা আছিল বৰ দুষ্ট। তাইৰ কথাবিলাক ৰসাল। মুখত এটা হাঁহি মাৰি তাই ক'লে "থোৱা থোৱা, তোমালোকৰ কথাবোৰহে। তাই কাৰোবাৰ প্ৰেমত পৰিছে। দাদাকো ঘৰত নাই। কি যে সুযোগ।" আটাইকেইজনীয়ে খিল্ খিল্ কৈ হাঁহে।

……নবেনৰ মাকৰ চিঠিৰ উপৰি চিঠি। মনত শান্তি নাই। মাকৰ মানসিক অশান্তি আৰু বাপেকৰ কাৰ্যকলাপ নবেনে বাৰকৈয়ে উপলব্ধি কৰিলে। তাৰ মনটো বিদ্ৰোহী হৈ উঠিল। সি ভাৱিব নোৱাৰা হ'ল।

"মাকৰ গাতহে দোষ। ল'ৰাটোও ঘৰত নাই যেতিয়া মাকে ছোৱালীজনীৰ তত্ত্বাৱধান ল'ব লাগিছিল।" "আপুনিনো কিবোৰ কয়। চকু দিলতহে ইমানখিনি পালেগৈ। হাতত সুবিধাটো পালে কোনেনো বাৰু এৰি দিব? ধীবেন বৰুৱাৰ যদিও বয়স হৈছে তথাপি আৰ্থিক অৱস্থালৈ মন কৰক। বৰ্তমান যুগত ধনৰ আগত সকলো হাৰ মানে।" "অৱশ্যে হয়। ধীবেন বৰুৱাই বিয়া কৰালে বুলি ভাবিছে নেকি? কলংক এটাহে চপাই ললে।" নবেনে এনেদৰে দেউতাকৰ সমালোচনা গাঁৱৰ মানুহবপৰা শুনিবলৈ পালে। তেতিয়া সি বহুত কথা ভাবি তাৰ বন্ধু হৰেনলৈ এখন চিঠি দিয়াকে ঠিক কৰিলে।

"মৰমৰ হৰেন,

ভুল-নুবুজিবা। সংসাৰখন বৰ জটিল। মই আৰু নিজৰ কাৰণে জীয়াই থাকিবলৈ ইচ্ছা কৰা নাই। লোকৰ কাৰণেহে জীয়াই আছোঁ। তোমালৈ বহুত লিখিম বুলি ভাবিছিলোঁ; কিন্তু নিলিখোঁ। তোমাক দেউতাই পঢ়ুওৱাৰ কাৰণ বুজিব নোৱাৰিলোঁ। এতিয়া বুজিবা যে ভনীয়েৰক দেউতাই পত্নীৰূপে গ্ৰহণ কৰিছে। আৰু যে…।

ইতি—

তোমাৰ বন্ধু—নবেন

…আই, এ পৰীক্ষালৈ আৰু পাঁচদিন বাকী। সকলো ল'ৰা পঢ়াত ব্যস্ত। হৰেন কেইখনমান কিতাপ আগত লৈ পঢ়িব ধৰিছে। এনেতে পিয়নে এটাই এখন চিঠি দি গ'ল। চিঠিখন পঢ়ি সি মাটিত

ধাচ্ কৰে বাগৰি পৰিল। অন্য ল'ৰাবোৰে তাক ধৰি সান্ত্বনা দিলে··· ; কিন্তু নিয়তিৰ কি পৰিহাস ······নিশালৈ তাৰ দেহাটো এজোপা গছত ওলোমা খালে। পিছদিনা বাভিপুৰা কলেজৰ ল'ৰাবোৰে গোটেই হুলস্থূল লগাই দিলে। হৰেনৰ আত্মাই এই ধনীৰ অত্যাচাৰৰপৰা মুক্তি পালে। হৰেন ধনীৰ পুতলা হ'ব লগা হ'ল। ফলত তাৰ প্ৰাণপক্ষীয়ে চিৰশান্তি লাভ কৰি উচ্চ শিক্ষাৰ নামত ধনীৰ বলি হ'ব লগা হ'ল।

দৈনন্দিন জীৱনত মই অতি শান্ত, বা আইন,নেতা বা কোনো প্ৰতিষ্ঠিত সংস্থাৰ কাষত শত্ৰু সদৃশ। মোৰ কাষত মধ্যবিত্ত সমাজ বিৰক্তিকৰ। মই ভালপাওঁ তেওঁলোকক—যি জিৰণি ল'বলৈয়ো অসমৰ্থ বা অসুখী। তেওঁলোক শিল্পীয়েই হওক বা কোনো অপৰাধীয়েই হওক। —পেব্লো নেৰুডা

# দুৰ্ঘটনা

অনিমা বৰকাকতী
দ্বিতীয় বাৰ্ষিক, স্নাতক কলা

এয়া — মাত্র এঘণ্টাৰ আগতে হাস্পটালৰ ছয় নম্বৰ পেয়িং ৱাৰ্ডত মোৰ ছাত্ৰ জীৱনৰ বন্ধু দেৱজিৎ শইকীয়াক দেখা কৰি আহিলোঁ। বিছনাত পৰি খিড়িকীয়েদি আকাশত উৰি যোৱা নীড়মুখী শেষ চৰাইৰ জাকটো চাই ভাৱিছেঁ। দুৰ্ঘটনাটোৰ বাবে সঁচাকৈয়ে কাৰোবাক দোষ দিব পাৰি জানো? শইকীয়াৰ ওচৰতে বহি থকা দহবছৰীয়া ভতিজাক-জনীৰপৰা শুনা কথাখিনিয়ে মোক স্তম্ভিত কৰিছিল। এতিয়াও ভাৱি ভাৱি ওৰ পোৱা নাই।

সেইদিনা শইকীয়াৰ ভ্ৰাতৃস্থানীয় বন্ধুজনক গুৱাহাটী অভিমুখে আহি জাগিৰোডত চাহ খাবলৈ সোমাওঁতে হঠাতে লগ পাই বাছত আহি আমনি লগা শইকীয়াই তেওঁৰ মটৰতে আৰামত বাকীছোৱা পথ অহাৰ কথা ভাৱি সুধিলে।

"আপোনাৰ গাড়ীত আৰু কোনোবা আছেনেকি ?"

ড্ৰাইভাৰৰ লগত ইমান দূৰ বাট নিমাও-মাওকৈ বহি অহা বন্ধুজনে আন কোনো নাই বুলি শইকীয়াক তেওঁৰ গাড়ীলৈকে মাতিলে।

আধামাইলমান আহিয়েই ড্ৰাইভাৰজনে দুজন ৰাজস্থানী মানুহে হাত দঙা দেখি গাড়ী ৰাখি তেওঁৰ লগতে তুলি ল'লে।

গাড়ী চলিল। শইকীয়াই বন্ধুৰ খা-খবৰ লোৱাৰ পিছত নিজৰ অভাৱ-অনাটনৰ কথা কৈ দুখ কৰা দেখি বন্ধুজনে হতাশ নহ'বলৈ আৰু দৃঢ়তাৰে সৈতে সকলো সমস্যাৰ সন্মুখীন হ'বলৈ পৰামৰ্শ দিলে। অমায়িক ড্ৰাইভাৰজনেও এই কথাত ভাগ লৈ ভগৱানৰ ওপৰত ভাৰসা ৰাখিবলৈ ক'লে।

নিবৰতাৰ মাজেদি গাড়ী আগবাঢ়িল। পাঁচ মিনিট দহ মিনিটকৈ প্ৰায় বিশ মিনিট সময় অতি-বাহিত হ'ল। হঠাতে ভীষণ জোৰে জোকাৰ খাই গাৰড়ীখন ৰৈ গ'ল। আচলতে আগে আগে আহি থকা লৰী এখন ৰাস্তাৰ প্ৰায় মাজভাগতে ৰৈ যোৱাত শইকীয়াৰ বন্ধুৰ ড্ৰাইভাৰজনে থত্-মত্ খালে আৰু আপ্ৰাণ চেষ্টা কৰিও দুৰ্ঘটনাটোৰ হাত সাৰিব নোৱাৰিলে। ফলত গাড়ীখনৰ সমুখৰ ভাগে লৰী-খনৰ পিছফালে খুন্দা খালে। বাঁওফালটো একেবাৰে চূৰ্ণাকৃত হ'ল আৰু ড্ৰাইভাৰৰ বাদে চাৰিওজন আৰোহী আহত হ'ল। শইকীয়া আৰু সমুখৰ আৰোহী দুজন গুৰুতৰভাৱে আহত হোৱাত, বাটৰ দাঁতিৰ গাঁও এখনৰ ৰাইজে দাং-কোলাকৈ গাড়ীৰ-পৰা নমাই নি চিঞৰ-বাখৰ কৰে আৰু ৰাটেদি অহা আন গাড়ী ৰখাবলৈ যত্ন কৰে।

শইকীয়াৰ বন্ধুজনৰ কেইবা ঠাইতো জখম হৈ তেজ বৈ আছিল যদিও হাত-ভৰি নভগাত বাটত গাড়ীখনৰ কাষত থিয় হৈ আছিল। তেওঁৰ পৰামৰ্শ মতে ওচৰৰ থানাত খবৰ দিবলৈ ড্ৰাইভাৰজন আন এখন লৰীত গৈছিল। এনে সময়তে একেফালৰপৰা

এখন মটৰ-গাড়ী অহা দেখি গোটখোৱা ৰাইজৰ লগতে শইকীয়াৰ বন্ধুজনেও ৰখাবলৈ চেষ্টা কৰি বিফল হয়। গাড়ীখনৰ গতিবেগ কিছু মন্থৰ কৰি পুনৰ তীব্ৰ গতিত চলাই দিলে। আহতকেইজনক গৰু বা ম'হৰ গাড়ীতে এমাইল নিলগত থকা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটোলৈ নিব পৰা যাবনেকি প্ৰশ্নৰ উত্তৰত উপস্থিত দৰ্শকৰে মুখীয়াল যেন লগা এজনৰ-পৰা উত্তৰ আহিল—

"গাড়ী ভিতৰ গাঁৱতহে আছে আৰু এই সময়ত অনাটো সম্ভৱ নহ'ব।"

অলপ সময় সকলো নিস্তব্ধ হ'ল। এনেতে কিছু সময়ৰ আগতে গতিবেগ মন্থৰ কৰি পুনৰ তীব্ৰ গতিত গুচি যোৱা গাড়ীখন আকৌ উভতি অহা দেখা গ'ল। লগে লগে নামি আহিল শইকীয়াহঁতৰ গাড়ীখনৰ ড্ৰাইভাৰজন আৰু পিছে পিছে দুজন ভদ্ৰলোক। এজনৰ কপালত চন্দনৰ ফোঁট তেতিয়াও জিলিকি আছিল। শইকীয়া বন্ধুজনক থিয় হৈ থকা দেখি বিশেষ গুৰুতৰভাৱে আহত হোৱা নাই বুলি ধৰি লৈ লৰালৰিকৈ শইকীয়াহঁতৰ ওচৰ পালেগৈ। খা-খবৰ লৈ আৰু নিজে অনুমান কৰি দুয়োজনে বুজিব পাৰিলে যে তিনিজনৰ জখম বেছিয়েই আৰু বিশেষকৈ শইকীয়াৰ অৱস্থা সংকটজনক। বাটত বৈ থকা শইকীয়াৰ বন্ধুজনক ফোঁট লোৱা ভদ্ৰলোকজনে ক'লে—

"আমি এই অলপ আগতে এফালেদিয়েই গৈছোঁ জানে। মানুহে হৈ-চৈ কৰাত ৰাখিব খুজিও আমি গাড়ীখন নাৰাখিলোঁ। থানাৰ সমুখত আপোনাৰ ড্ৰাইভাৰজনক লগ পাইহে দুৰ্ঘটনাটোৰ সবিশেষ শুনিলোঁ। আমাৰ গাড়ীত আৰু মানুহ আছে। নহলে আপোনালোকক লৈ যাব পাৰিলো-হেঁতেন। নহলে বেয়া নাপায় যদি আপুনিয়ে বলক।"

"মই এতিয়া নগলেও হ'ব। আচলতে তেখেত-সকলৰহে "ইমিডিয়েট ট্ৰিটমেণ্টৰ" দৰকাৰ। তদুপৰি মোৰ এটা দায়িত্ব আছে। লগত অহা মানুহকেইজনক এনে অৱস্থাত এৰি থৈ যোৱাটো মোৰ বিবেকে কেতিয়াও সমৰ্থন নকৰে। অগত্যা নিব খোজে যদি আমাৰ ড্ৰাইভাৰজনকে নিয়ক, চাব যাতে তেওঁ গাড়ী এখন লৈ আমাক নিবহি পাৰে।"

শইকীয়াৰ বন্ধুজনৰ ধন্যবাদসূচক উত্তৰ শুনি এক মুহূৰ্তও নষ্ট নকৰি ভদ্ৰলোক দুজন বৈ থকা গাড়ীখনত উঠিলগৈ। পাছে পাছে গৈ শইকীয়াই ড্ৰাইভাৰজনো গাড়ীখনত উঠিলগৈ।

ক্ৰমে নিশা গভীৰ হৈ আহিল। শইকীয়াৰ কেঁকনি তীব্ৰ হৈ উঠিল। সমবেত কৌতূহলী ৰাইজৰ ভিৰো ক্ৰমে হ্ৰাস পাই আহিল। নিজৰ ঘড়ীটো দুৰ্ঘটনাৰ ফলত অচল হৈ পৰাত শইকীয়াৰ বন্ধুজনে গাড়ীখন ৰাখি থকা চিপাহী এজনক কিমান বাজিছে সুধিলে। চকুটো মোহাৰি এঙামুৰি এটা দি তিনি বাজি গ'ল বুলি কৈ টোপনি ভাঙিবৰ কাৰণেই বোধকৰোঁ চিপাহীজনে গাড়ীখন দুবাৰ প্ৰদক্ষিণ কৰিলে। ড্ৰাইভাৰো নাই, কোনো গাড়ীও নাই। হতাশাত শইকীয়াৰ বন্ধুজন ৰাস্তাতে বহি পৰিল। সময় গৈ আছে।

"আইতেছে—অ-ই—একটা গাড়ী আইতেছে।" সৰু ল'ৰা এটাৰ মাতত মূৰ তুলি চোৱা শইকীয়াৰ বন্ধুজনে বহুত দূৰৈত মটৰৰ দুটা লাইট দেখা যেন পালে আৰু কেইমিনিটমানৰ পিছত সঁচাকৈয়ে এখন (ছুবাৰবান) বাছ ৰলহি আৰু দুৱাৰ খুলি জাপ মাৰি নামি অহা আন এজন চিপাহীয়ে (যিজনে শইকীয়াৰ বন্ধুজনক ভালদৰে চিনি পায়) খৰধৰকৈ কলে—

"ককাইদেউ, আপোনাৰ ড্ৰাইভাৰ বোধকৰোঁ পলাল আৰু সেই ফোঁটলোৱা ভদ্ৰলোকজনক মহান কৰ্তব্য পালন কৰিলোঁ বুলি ভাৱি হয়তো এতিয়া গভীৰ নিদ্ৰাত মগ্ন। এইখন গাড়ীয়ে আজি আবেলি মানুহ এজন খুন্দিয়াই মৰা বাবে গাড়ীখন "ছিজ"

কৰি ড্ৰাইভাৰজনক থানাত আটক কৰি থোৱা হৈছিল। ইমান সময়েও আপোনাৰ গাড়ী নহা দেখি আৰু আমাৰ বৰবাবুইঁতে ডকাইতি কেছ এটাত থানা এৰি গুচি যোৱাত মই নিজৰ চাকৰিৰ ৰিস্ক লৈ ড্ৰাইভাৰটো উলিয়াই গাড়ীখন লৈ আহিছোঁ। ব'লক, যেনেতেনে ওচৰৰ হস্পিটালখনলৈকে লৈ যাওঁ।"

লগে লগেই বাছখন ঘূৰোৱাৰ ব্যৱস্থা কৰিলেই। আগৰ ভদ্ৰলোকজনৰ কপালৰ ফোঁট-চিপাহীজনৰ চকুৰ উজ্জলতাত লাহে লাহে হেৰাই যোৱা যেন লাগিল।

মানুহখিনিৰ সহায় লৈ আহতকেইজনক বাছত তোলাৰ ব্যৱস্থা কৰি নিজে আন এজনৰ কান্ধত ভৰ দি লেঙেৰাই কোনোমতে বাছখনত উঠি এবাৰ গাড়ীখনলৈ ঘূৰি চালে।

এইখন গাড়ীৰ কথাকে কৈ ৰাতিপুৱা যাওঁতে ড্ৰাইভাৰজনে কৰা নানা আঁচনিৰ কথাবোৰ তেওঁৰ মনলৈ আহিল। অদৃষ্টত বিশ্বাস কৰা তেওঁৰ মনটো আজি যেন আৰু নিসন্দেহ হ'ল। কেতিয়া, ক'ত, কি ঘটিল সকলো যেন ঘড়ীৰ কাঁটাৰ আগত মিলোৱাদি কোনোবাই কৰবাত মিলাই থৈছে। গাড়ীখন হাস্পটালত সোমাই ৰৈ যোৱাত চিন্তাৰ সূতাডাল ছিগি গ'ল। পুৱতি নিশাৰ টোপনিৰপৰা উঠি আহি অকণো ভাল নোপোৱা ডাক্তৰজনে অনিচ্ছাসত্বেও বাছখনত উঠি সোধ-পোছ কৰিলে। এসময়ত একেলগে পঢ়া ডাক্তৰজনে শইকীয়াক চিনি পাই উদ্বিগ্ন হৈ পৰা দেখা গ'ল। লৰালৰিকৈ প্ৰাথমিক চিকিৎসা দিয়াৰ ব্যৱস্থা কৰিলে; যদিও তেতিয়া প্ৰকৃতপক্ষে চূড়ান্ত চিকিৎসাৰে সময় উকলি গৈছে। বাছখনে পুনৰ কঢ়িয়াই আনি এইবাৰ থানা পোৱালেহি। তেতিয়া গাঁৱৰ মানুহ হাল লৈ পথাৰলৈ ওলাইছে। এটা সম্পূৰ্ণ ৰাতি পাৰ হৈ গল; অথচ শইকীয়াইঁতৰ ড্ৰাইভাৰজন আৰু ঘূৰি নাহিল। খা-খবৰ কৰি এখন টেক্সি যোগাৰ কৰি শইকীয়াইঁতৰ ঘৰলৈ আহিল আৰু ডাক্তৰৰ পৰামৰ্শ মতে শইকীয়া মেডিকেল কলেজত ভৰ্তি হ'ল। সৰু চহৰখনত অলপ-অচৰপ পৰিচিত শইকীয়াৰ বন্ধুজনৰ মটৰ দুৰ্ঘটনাৰ খবৰ পাই কিছু মানুহে খা-খবৰ ল'লে। তেওঁৰ মুখৰপৰাই শইকীয়াৰে আঘাত গুৰুতৰ বুলি শুনি বহুতে শইকীয়াৰো খবৰ ল'লে। সকলো মানুহৰ এটাই প্ৰশ্ন আহত লোক কেইজনক এনেদৰে বাটতে পেলাই থৈ অহা তথাকথিত ভদ্ৰলোকজনৰ কপালত লোৱা 'ফোঁটটোও' তথাকথিত নেকি? অহুকাণে-পহুকাণে কথাটো ভদ্ৰলোকজনৰ কাণত পৰাত হেনো নিজৰ অমানৱীয় কাৰ্য্যৰ যুক্তিযুক্ততা প্ৰমাণৰ বাবে ইজন ভদ্ৰলোকৰ সৈতে গোট খাই প্ৰচাৰ কৰিলে বোলে শইকীয়াইঁতৰ গাড়ীখনৰ আটাইকেইজন আৰোহীয়ে মদ খাই ক'ব নোৱৰা হৈ আহিছিল। তেওঁলোকক তুলি অনাৰ প্ৰশ্নই নুঠে।

তাৰ মানে ভদ্ৰলোকজনে মদ খোৱা মানুহৰ অকাল বা আকস্মিক মৃত্যু কামনা কৰে। অৰ্থাৎ তেওঁ পাপতকৈ পাপীকহে ঘিণ কৰে। এই প্ৰচাৰটো আচলতে সঁচা নহয় বুলি কওঁতে শইকীয়াৰ চকুৰপৰা দুধাৰি পানী বৈ অহাত মোৰ মনটো সেমেকি উঠিল। আচলতে কোনটো দুৰ্ঘটনা? দিনটো গাড়ী চলোৱাত ভাগৰৰ সুবিধা লৈ ক'ব নোৱৰাকৈয়ে দুচকুৰ পতালৈ নামি অহা টোপনিৰ ফলত গাড়ীখনে নলীখনত খুন্দা মৰাটো যে ফোঁট পিন্ধা তথাকথিত ভদ্ৰলোকে নিজৰ ঘৃণনীয় কাৰ্য্য ঢাকিবৰ বাবে প্ৰচাৰ কৰা কাল্পনিক ঘটনাটো? ইয়াৰ উত্তৰ হয়তো সময়ে দিব; কিন্তু তেতিয়ালৈ জানো কৌতূহলী ৰাইজৰ মনত থাকিব? জনতাৰ স্মৃতিশক্তি ক্ষণস্থায়ী বুলি এনেয়ে কয় জানো? শইকীয়া বা আন দুজন আৰোহী মটৰ দুৰ্ঘটনাত বেছি আহত হ'ল যদিও শইকীয়াৰ বন্ধুজনক কিন্তু অপপ্ৰচাৰৰ দুৰ্ঘটনাটোৱে

সাময়িকভাৱে হলেও অধিক ক্ষতি কৰিব পায়; কাৰণ কৌতূহলী ৰাইজৰ সৰহ সংখ্যকেই তেওঁকহে লগ পোৱাৰ সুযোগ পাইছিল।

"আন্ধাৰে-মুধাৰে কি কৰিছে দাদা?" কথাষাৰৰ লগে লগে পট্টকৈ মমডাল জ্বলি উঠাত চকু মেলি দেখিলোঁ। হাতত ধূমায়িত একাপ চাহ লৈ আছে বনমালী আমাৰ মেছৰ "কুক্"—"গাৰ্ডেন। "কেছিয়াৰ আৰু পৰামৰ্শদাতা।"

> ধৰ্মচেতনাক বাদ দি ধৰ্ম যেনেকৈ খোঁড়া, বিজ্ঞান-চেতনাক বাদ দি ধৰ্ম তেনেকৈ কণা।
>
> —আইনষ্টাইন

# মানুহৰ চকু

শ্ৰীজীনাৰাণী দত্ত
দ্বিতীয় বাৰ্ষিক,স্নাতক শ্ৰেণী

ৰম্যৰচনা

নকৈও নোৱাৰোঁ ফটামুখ, ক'লেও লাগে ৰাইজৰ দোষ। ৰাইজৰ চকুৰ বিষয়ে আজি বকলা মেলিব খুজিছোঁ। আপোনালোকে বেয়া নেপায় যেন। মোৰ দহোকুৰি অনুৰোধ।

মানুহ নামৰ প্ৰাণীবিধৰ চকুৰ বিষয়ে ক'বলৈ গ'লে এখন মহাভাৰত হ'ব ; মানে এখন মহাকাব্য বুলিয়েই ধৰি লওক ! এই পৃথিবীত জীয়াই থকা মানুহ নামৰ জীৱশ্ৰেষ্ঠ প্ৰাণীৰ কেইবা প্ৰকাৰৰো চকু থাকিব পাৰে যেনে ঃ অমৰাগুটীয়া চকু, ডঁহা চকু, গোঁসানীৰ চকু, টেলেকা চকু, পোতখোৱা চকু, টিপকলি চকু, কণা চকু, শেন চকু, শালচকু অৰ্থাৎ শালমাছৰ নিচিনা চকু, বেটেৰী চকু, কেঁৰা চকু, পাথৰ চকু, সৰু চকু. (সৰু চকু মানে সৰু ল'ৰা-ছোৱালীৰ ডিঙিত মাছৰ কাঁইট লাগিলে মতা বেজিনী-জনী নহয় আক' এইটো মেকুৰীৰ চকুতকৈ নামমাত্ৰ ডাঙৰ )।

চকুৰ ভিতৰত এটা মাৰ্বল আছে। এই মাৰ্বল-টোক মণিও বোলে। সেইবুলি ডিঙিত পিন্ধা মণি নহয়। চকুৰ ক্ষেত্ৰত পুংলিংগ স্ত্ৰীলিংগও আছে। যেনে ঃ—টেলেকা-টেলেকী, কণা কাণী ইত্যাদি। এটা চকু কণা মানুহক এবেটেৰীয়াও বোলে।

চকু নামৰ ইন্দ্ৰিয়টোত অসংখ্য নদ নদী, উপনদী শাখানদী আছে। এই নদীবিলাকৰ ক্ষেত্ৰত বাৰিষা খৰালি নেখাটে। যেতিয়া মানুহৰ অন্তৰত দুখ লাগে এই নদীবিলাকে গাল নামৰ সমভূমিয়েদি বৈ যায়। সমভূমিত শালমন আদি থাকিলে বেঁকাবেঁকিকৈ গতি কৰি ঠায়ে ঠায়ে অশ্ৰুখুৰা হ্ৰদৰ সৃষ্টি কৰিব পাৰে। এইদৰে গঠিত হোৱা অশ্ৰুখুৰা হ্ৰদ এতিয়ালৈকে অসমৰ মুনিহ-তিৰোতাৰ শতকৰা নিৰান্নৈব্বৈজনৰ গালত দেখিবলৈ পোৱা যায়। এই চকুৰপৰা প্ৰবাহিত হোৱা নদীবিলাকৰ পানী লুণীয়া। পানীবিলাক জিভাত লাগিলে নিমখীয়া লাগে। এই নদীবিলাক ইমান বহল যে, এজনী ওকণীৰ এবেঙাহে হয়। মতা মানুহৰ চকুৰপৰা ওলোৱা নদীবিলাকে গালত থকা দাড়ি অৰ্থাৎ হাবিবিলাকত বাধা পায়। এই নদীবিলাকক কণ্ঠশিল্পীয়ে অশ্ৰুধাৰা বুলিছে। সেয়েহে শিল্পীয়ে গাইছে ঃ

আজিনো নেমাতা কিয় ৰজনীগন্ধা
কিয়নো নিৰৱে বয় অশ্ৰুধাৰা॥

মানুহে কান্দিলে "চকুৰ পানী" বৈ গৈ মুখ নামৰ চেপাটোত সোমাই পৰে। তেতিয়া ৰাইজে নিজেই সোৱাদটো পায় নিশ্চয়! ওপৰ চকুৱা মানুহো এই পৃথিবীত আছে। সেইবুলি গেলাপানীত নামিলে ভৰিত হোৱা ওপৰচকুৱা নহয়। "শেনচকুৱা মানুহ-বোৰক আঁতৰতে দেখিলেই ভয় লাগে। মই যদি তাহানিৰ বিশ্বকৰ্মা হলোঁহেঁতেন মানুহৰ কপালতো এটা চকু দিলোঁহেঁতেন। যেনেকৈ দুটা বেটেৰীয়ে টৰ্চলাইটৰ পোহৰ কম দিয়ে ; কিন্তু তিনিটা বেটেৰীৰ টৰ্চলাইটে বেছি পোহৰ দিয়ে।ঠিক সেইদৰে মানুহৰ তিনিটা চকু হোৱাহ'লে দৃষ্টিশক্তি বেছি হ'লহেঁতেন। কিন্তু আজি মানুহৰ দুটা চকু হোৱাৰ বাবে শতকৰা নিৰান্নৈব্বৈজনেই চশ্মাৰ অধিকাৰী হৈছে।

চকুৰ দৃষ্টিৰদ্বাৰা প্ৰেমিকাই প্ৰেমিকক দেখি, ডালিমগুটীয়া দাঁত উলিয়াই লাজকুৰীয়া মিচিকীয়া হাঁহি আজি মাৰিব পাৰিছে। প্ৰেমিকেও চকুৰ দৃষ্টিত প্ৰেমিকাক ধৰা পেলাইছে। সেয়েহে মহম্মদ ৰফিয়ে গাইছে —
মোৰ দৃষ্টিত তুমি ধৰা পৰিলা
আৰু দৃষ্টিৰে মনলৈ আনিলা
যদি এয়ে মৰম হয়
এই মৰম কিমান ভাল।

চকুৰ জৰিয়তে চোৰেও মানুহৰ ঘৰত সিন্ধি খান্দি বস্তু চুৰ কৰি জীয়াই থকাৰ সপোন দেখে। "চকু স্বৰ্গলৈও যায়, নৰকলৈও যায়।" এই কথাষাৰ সঁচা। নহ'লেনো মনটোৰে চাবলৈ মানা কৰা বস্তুও চকুৱে চাই তৃপ্তি পাব লাগেনে? বেটৈৰীচকুৱা মানুহে ধাতু পাতল মানুহলৈ চাই পঠিয়ালে ধাতু পাতল মানুহৰ জীৱ উৰিযোৱা যেন হয়।

চকুত দুখন দুৱাৰ আছে। এই দুৱাৰত সৰু সৰু নোমেৰে ফেনচিং আছে। এই ফেনচিঙৰ কাৰণেই চকুৱে ডাঙৰকৈ দেখে। চকুৰ মণিটোৰ ঢাকোনখনক বাদু বোলে। এই বাদু কঠালৰ বাদুতকৈ অলপহে বেলেগ। অ'...... আৰু এটা কথা কওঁ। চকুৰ পতাত বালিচন্দা ছটিয়াই, কাজল আৰু আইলেনা লগালে বোলে বান্দৰীও সুন্দৰী হয়। এই কথাষাৰ সঁচানেকি বাৰু??? যদি সঁচাই হয় তেন্তে কাজিৰঙাকে আদি কৰি গোটেই পৃথিৱীৰ চিৰিয়াখানাৰ বান্দৰীবোৰে নিজৰ ঘৰসংসাৰ বাদ দি চকুত আইলেনা, কাজল আৰু বালিচন্দা লগাই চিনেমাৰ হেলেন সুন্দৰীৰ লগত কঁকাল ভাঙি ভাঙি নাচি দৰ্শকক আমোদ দিব পাৰিলেহেঁতেন দেখোন। কিন্তু সেইখিনি বান্দৰীহঁতে নেজানে বোধকৰোঁ।

কিছুমান মানুহৰ চকু কেঁৰা থাকে। এই কেঁৰা চকুৱা মানুহ বোলে বৰ লক্ষী। ধনে ধানে চহকী হয়। ভালেই হ'ল গোটেই পৃথিৱীৰ মানুহ সোপা যে কেঁৰা-চকুৱা নহ'ল। নহ'লে গোটেই পৃথিৱীত কেঁৰাচকুৱা মানুহৰ ধন-সোণৰ পাহাৰে আকাশ চুলেগৈহেঁতেন। "চকু কেঁৰা ল'ৰাৰ ছোৱালী চাবলৈ বৰ সুবিধা; যেন "গাখীৰতে মহ'ৰ খুটিছে"। কাৰণ, কেঁৰাচকুৱা মানুহে কালৈ চাইছে ধৰিব নোৱাৰি। কেঁৰাচকুৱা ছোৱালীৰ ক্ষেত্ৰতো সেই একে কথা। চকু এনে এটা আকৰ্ষণীয় সম্পদ যে, চকু এটা টিপ মাৰি দিলেই ছোৱালী জোকাব পাৰি। এইদৰে জোকোৱাৰ পিছত ল'ৰা আৰু ছোৱালীৰ দুয়োটাৰে মিলনো হৈ যাব পাৰে। গতিকে চাওক। চকু দুটাৰদ্বাৰাই দুখন অন্তৰৰ মিলনত সুমধুৰ দাম্পত্য জীৱনো অকস্মাৎ সৃষ্টি হৈ যাব পাৰে। কেতিয়াবা ছোৱালীয়েও সুবিধা পালেই ল'ৰালৈ চকু টিপ মাৰে।

বাঁও চকুৱে প্ৰেয়সীৰ মনলৈ প্ৰেমিকৰ আগমনৰ বাতৰিও বোলে কেতিয়াবা আনি দিয়ে। কথাটো সঁচানেকি বাৰু? সেইটো সঁচা যদি নহয়েই তেন্তে এনেয়েনো নীলিমা খাতুনে গাইছেনে?-
বাঁও চকু লৰিছে তুমি চাগে আহিবা
মনে মনে মনে আহি চকু মুদাই ধৰিবা।

মহাৰাজ দুষ্মন্ত বজাৰ কণ্ব মুনিৰ আশ্ৰমলৈ সোমাই যাওঁতে যদি সেঁ চকুটো নলৰিলহেঁতেন, তেন্তে দুষ্মন্ত শকুন্তলাৰ মাজত প্ৰণয়-প্ৰীতি নহ'ল-হেঁতেন আৰু আজি পৰ্য্যন্ত তেওঁলোকৰ মিলনো নহ'লহেঁতেন। গতিকে এইটো নিশ্চয় সঁচা কথা।

অপমান নকৰাকৈ সন্মানিতভাৱে ক'বলৈ গলে চকুৱেই হৈছে ইন্দ্ৰিয়ৰ ভিতৰত বজা। চেলাউৰি নামৰ মুকুট পিন্ধি চকুৱে স্বৰ্গৰপৰা নৰকলৈকে চাই ফুৰে। আজি-কালি ছোৱালীবোৰে চকুৰপৰা চেলা-উৰি নামৰ মুকুটটো উঠাই দি কাজলেৰে দুডাল বক্ৰৰেখা টনা দেখা যায়। এই বক্ৰৰেখা ধেনু-ভিৰীয়া। পিছে চেলাউৰি উঠাই দিয়াৰ ফলত চকুৰ দৃষ্টিশক্তিহে কমে।

চকু নহ'লে মানুহ জীয়াই থকাই মিছা। এই চকু নামৰ ৰজাজনৰ জৰিয়তে আমি এই পৃথিৱীৰ দৃশ্যবোৰ উপভোগ কৰিছোঁ। চকুৰদ্বাৰাই বেয়া

দৃশ্য দেখিলে মানুহৰ তৎক্ষণাৎ চকুৰ পানী ওলায়। চকুৱে হাঁহি উঠা দৃশ্য দেখিলে পেটৰ নাড়ী ডাল ডাল হয়।

মানুহৰ হাঁহি থকা চকুহাল তৎক্ষণাৎ মানুহক আকর্ষণ কৰিব পাৰে। এই আকর্ষণৰ ফলত বন্ধুৱে বান্ধৱীক বিচাৰি পায়, প্রেয়সীয়ে প্রিয়তমক বিচাৰি পায়, প্রেমিকে প্রেমিকাক বিচাৰি পায়। গতিকে এই মিলনবোৰৰ মূল হৈছে "হাঁহি থকা চকুহাল"। আৰু এটা কথা দকৈ ভাবিবলৈ গ'লে লেখত ল'বলগীয়া। এগৰাকী বোৱাৰীয়ে ৰবজনাকৰ আগত দীঘলকৈ ওৰণিখন ল'বলগীয়া হয়। ইয়াৰ মূলতে হৈছে ৰবজনাকৰ চকুদুটাৰে দেখিব বুলিহে। গতিকে চাওক, শৰীৰৰ আন আন ইন্দ্রিয়তকৈ চকু দুটাৰ কিমান বাহাদুৰী। বোৱাৰীয়েকৰ ওৰণিয়েই প্রমাণ পালেই নহয়।

চকুৱে ভাল খোৱা বস্তু দেখিলে সেই বস্তু খাবলৈ ভিতৰত থকা মনটো লিকলিকাই উঠে। উদাহৰণস্বৰূপে :

চাৰিজন বন্ধুৱে এটা ঘৰ ভাড়া কৰি আছিল। ওচৰৰ মানুহ এঘৰত মাংস ৰন্ধা দেখি সিহঁতৰ জিভাৰ পানী পৰিবলৈ ধৰিলে। চাৰিওজনে আবেলি মাংস আনি ৰান্ধিলে। আধাখাই আধা ৰাতিপুৱালৈ থৈ দিলে। তাৰে এজনে খোৱাৰ আগতে ক'লে যে, ৰাতি যিজনে ভাল সপোন দেখিব সেইজনেই ৰাতিপুৱা মাংসখিনি খাবলৈ পাব। এক নম্বৰ বন্ধুজনৰ চকু দুটা মাংসৰ লোভত গোটেই ৰাতিটো মেলখায়েই থাকিল। ৰাতিপুৱালত দ্বিতীয়জনে দেখা সপোন বর্ণনা দিবলৈ ধৰিলে— "মই আজি সপোনত দেখিলোঁ হজৰত মহম্মদে মোক মক্কালৈ নি ধুনীয়া ধুনীয়া ঠাই দেখুৱাই অলপ আগতহে থৈ গৈছেহি।'

তৃতীয়জনে কলে—"মোৰ সপোনটো যে আৰু ধুনীয়া। মোক স্বয়ং লক্ষ্মীদেৱীয়ে বিয়া কৰাবলৈ আহি গোটেই পৃথিবীত ফুৰাই এইমাত্র থৈ গৈছে।"

এক নম্বৰ বন্ধুজন ঠক্ ঠক্‌কৈ কঁপিবলৈ ধৰিলে। তেওঁ ক'লে "আৰে বন্ধু, মোৰ সপোনটো যে আৰু সাংঘাতিক। স্বয়ং সদাশিৱই আহি ত্রিশূলডাল মোৰ বুকুত থৈ ক'লে "তই এই মাংসখিনি খাবিনে নাখাৱ ক?" তেতিয়া মই ভয়তে মাংসখিনি খাই পেলালোঁ।" আটাইকেইজন বন্ধুৱে তেওঁলোকক কিয় নেমাতিলে সোধাত তেওঁ কলে "তোমালোকে লক্ষ্মীৰ লগত, হজৰতৰ লগত ঘূৰি ফুৰিলাগৈ। মই চিঞৰি চিঞৰি হাবাথুৰি খাই মাংসখিনি খাই পেলালোঁ।"

মুঠতে চকুৰ গুণ বর্ণনা কৰিবলৈ হ'লে এহেজাৰ এনিশাইও শেষ নহয়। গতিকে চকুৰ বকলা ইমানতে সামৰাই ভাল।

> আনক সমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজকে সমালোচনা কৰাঁ। নিজে শুদ্ধ আৰু পৱিত্র হ'ব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াত যোগ্যতা অর্জন কৰিব পাৰিবা।
>
> —ছক্রেটিছ

# শল্যচিকিৎসক নৰ্মান বেথ্যুন

তেওঁৰ কৰ্ম আৰু মানৱসমাজ

অনুৰূপা দুৱৰা
২য় বাৰ্ষিক, স্নাতক

ডাঃ নৰ্মান বেথ্যুন, নামটোতেই যেন কিবা এক অনুভৱ কৰিব নোৱৰা বৈশিষ্ট্য লুকাই আছে। অতি সাধাৰণ মানুহ এজনৰ ক্ষেত্ৰত যেন সেই নামটো খাপ খুৱাব নোৱাৰি। ডাঃ বেথ্যুন এইকালৰ এজন বীৰ। এওঁৰ জীৱন কাহিনী আন্তৰ্জাতিকতাবাদৰ এক উজ্বল প্ৰকাশ। কানাডাত জন্মগ্ৰহণ কৰি শল্য চিকিৎসকৰূপে খ্যাতি অৰ্জন কৰা এইগৰাকী মহান চিকিৎসকে মৃত্যুবৰণ কৰিছিল চীনত। আজীৱন এক বিৰামবিহীন সংগ্ৰাম চলালে তেওঁৰ তিনিটা শত্ৰুৰ বিপক্ষে—যক্ষ্মা, ফেচিবাদ আৰু সকলো আঘাতৰ কাৰণ, সেই বৰ্বৰ শক্তিসমূহ (Those who make the wounds)। বুৰ্জোৱা সমাজৰ যশমান, প্ৰতিপত্তি যথেষ্ট পাইছিল। থৰেছিক ছাৰ্জন হিচাপেও তেওঁ আন্তঃৰাষ্ট্ৰীয় খ্যাতি অৰ্জন কৰিছিল। এই বৈষয়িক মোহে তেওঁক টলাব নোৱাৰিলে। যক্ষ্মা নিৰাময় কৰিবলৈ গৈ এই ৰোগৰ প্ৰকৃত কাৰণটো কি জনাৰ বাবে তেওঁ নিজৰ প্ৰতিভা নিয়োজিত কৰে। তেওঁ হাড়ে-হিমেজুৰে উপলব্ধি কৰিলে যে সমগ্ৰ বিশ্বত যিটো বেমাৰে ছাটি ধৰিছে সেইটো যক্ষ্মা নহয়। সেয়া হ'ল ইয়াৰ দাৰিদ্ৰতা। দাৰিদ্ৰই মানুহক অনাহাৰ পীড়িত কৰিছে; বাসগৃহৰপৰা উচ্ছেদ কৰিছে। সকলো হতাশাৰ কাৰণ হ'ল দাৰিদ্ৰতা। তেওঁ দেখিছিল একেখন সমাজৰ ভিতৰতে এহাতেদি উৎপাদনৰ প্ৰাচুৰ্য্য আৰু আনহাতেদি অনাহাৰৰ বিভীষিকা। ক্ৰমাৎ বেথ্যুনৰ উপলব্ধিয়ে গভীৰতা পালে। দুৰ্দশাগ্ৰস্ত লোকসকলক দাৰিদ্ৰৰ কৰাল গ্ৰাসৰপৰা উদ্ধাৰ কৰিবৰ বাবে উপায় বিচাৰি তেওঁ এটা প্ৰবন্ধত লিখিলে 'ডাক্তৰসকলে অকলে একো কৰিব নোৱাৰে। দাৰিদ্ৰতা, অপুষ্টিকৰ আহাৰ, অস্বাস্থ্যকৰ পৰিবেশ আদি যিবোৰ অৱস্থাক ভিত্তি কৰি যিবোৰ ৰোগৰ জন্ম হয় সেইবোৰৰ পৰিবৰ্তনৰ বাবে সাধাৰণ ডাক্তৰসকলে অকলে একো কৰিব নোৱাৰে। সেইবিলাক কাম অৰ্থনীতিবিদ আৰু সমাজ বি জ্ঞা নী স ক ল ৰ দ্বা ৰা হে কৰা সম্ভৱ হয়;' কিন্তু সেই কাম তেওঁ অৰ্থনীতিবিদ আৰু সমাজবিজ্ঞানিকসকলৰ হাতত দিয়েই ক্ষান্ত নেথাকিল। বেথ্যুনে নিজেই বিনামূলীয়াকৈ চিকিৎসা আগবঢ়ালে। বস্তিবাসী দৰিদ্ৰ ল'ৰা-ছোৱালীৰ বাবে এখন আৰ্ট স্কুল পাতিলে। ডাক্তৰসকলক তেওঁ আহ্বান জনালে দৰিদ্ৰ জনসসাধাৰণৰ চিকিৎসাৰ বাবে। তেওঁৰ আহ্বানে অনেক চিকিৎসকক অনুপ্ৰেৰণা যোগালে। তেওঁ ভাবিছিল চৰকাৰেও এই প্ৰচেষ্টাত সহায় আগবঢ়াব। তেওঁৰ ধাৰণা ভুল প্ৰমাণিত হ'ল। যেতিয়া তেওঁ দেখিলে—শোষণৰ বিৰুদ্ধে সংগ্ৰাম কৰা ধৰ্মঘটকাৰী শ্ৰমিকৰ ওপৰত পুলিচৰ বৰ্বৰোচিত লাঠি চালনা, তেওঁৰ বুজিবলৈ বাকী নেথাকিল প্ৰকৃত জনতাৰ শত্ৰু কোন? তেওঁৰ সংগ্ৰামী মনে সহ্য কৰিব নোৱাৰিলে। কানাডাৰ সংগ্ৰামী জনতাৰ

জগত বেথ্যুন মিলি গ'ল। এয়া আছিল তেওঁৰ বাবে এক নতুন পথ।

এই নতুন পথেই তেওঁক পৰিচালিত কৰিলে ৰুছিয়ালৈ, স্পেইনলৈ, চীনলৈ—য'ত সংগ্ৰামী শোষিত জনতাই শোষণৰ বিৰুদ্ধে তীব্ৰ সংগ্ৰাম চলাইছিল। তেওঁ মন্তব্য কৰিলে—"শিশু প্ৰসৱৰ দৰেই বিপ্লৱো হৈছে এক অশান্ত প্ৰক্ৰিয়া; কিন্তু তাৰ ফলাফল হ'ব এক নতুন সৃষ্টি। সৃষ্টিৰ প্ৰক্ৰিয়া কাহানিও শান্তভাৱে হোৱা নাই আৰু নহ'বও। ই সদায়েই কঠোৰ আৰু অশান্ত বৈপ্লৱিক।" এয়া হ'ল নতুন সৃষ্টিৰ পাতনি মেলিব খোজা বেথ্যুনৰ শিল্পীমনৰ বৈপ্লৱিক চিন্তাধাৰা। এনে ধৰণৰ চিন্তাধাৰাৰে উদ্বুদ্ধ হৈ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত সকলোবোৰ ব্যক্তিগত স্বাৰ্থ ত্যাগ কৰি জাৰ্মান, জাপান, স্পেইন, কানাডা যুক্তৰাষ্ট্ৰ আৰু লাহে লাহে সমগ্ৰ বিশ্বখনকে গ্ৰাস কৰি পেলাব খোজা এক অতিকায় দৈত্যস্বৰূপ ফেছিবাদৰ বিৰুদ্ধে যুঁজিবলৈ আগবাঢ়ি আহিল কানাডা আৰু আমেৰিকাৰ কমিউনিষ্ট পাৰ্টিৰ সদস্য হৈ। ফেছিষ্ট আছিল বেথ্যুনৰ প্ৰধান শত্ৰু।

স্পেইনলৈ গৈ তেওঁ দেখা পালে আধুনিক সমৰ কৌশলৰ ভয়াবহতা, অবৰ্ণনীয় যন্ত্ৰণা, অনাহাৰ ব্যাপক ৰক্তপাত, বোমাবিধ্বংস ঘৰ-দুৱাৰ, দুৰ্দশাগ্ৰস্ত ক্ষত-বিক্ষত দেহৰ শিশুৰ দল। এনে বিভীষিকাময় দৃশ্য তেওঁৰ অসহ্য লাগি গ'ল। তেওঁ উঠিপৰি লাগিল। তাৰ মাজতেই আৱিষ্কাৰ কৰিলে বিপ্লৱী সৈন্যসকলৰ ঐক্য, দৃঢ়তা আৰু পাৰস্পৰিক ভাতৃত্ববোধ। ৰক্তদান অভিযান চলাই গ'ল। যুদ্ধক্ষেত্ৰত আহত সৈনিকক ৰক্তদান ব্যৱস্থা কৰি অসংখ্য মৃত্যুমুখী সৈনিকৰ প্ৰাণ বচালে। —'মানুহে নিজৰ ভাই-ককাইক হত্যা কৰিবলৈ শিকা দিনৰে পৰা এই প্ৰথমবাৰৰ বাবে যুদ্ধক্ষেত্ৰত এজন মানুহৰ আবিৰ্ভাৱ হ'ল যি ইতিহাসৰ গতি ওলোটাই দিব খোজে।' এইদৰেই স্পেইনৰ গৃহযুদ্ধৰ চিকিৎসাত বেথ্যুনে সফলতা লাভ কৰিলে।

স্পেইনৰদৰেই জাপানী সাম্ৰাজ্যবাদী আক্ৰমণৰ বিৰুদ্ধে সংগ্ৰামৰত চীনা জনগণৰ বাবেও তেওঁৰ চিকিৎসা প্ৰয়োজনীয় হৈ পৰিল। সেয়েহে তেওঁ তৃতীয় প্ৰতিজ্ঞা কৰিলে — চীনত জাপানীৰ বিৰুদ্ধে এক বিৰামহীন সংগ্ৰাম চলাব। তেওঁ চীনলৈ যাবৰ সময়ত পত্নীলৈ চিঠি লিখিলে এনেদৰে — "যিখন পৃথিবীত হত্যা আৰু দুৰ্নীতিক প্ৰশ্ৰয় দিয়া হয়, সেইখন পৃথিবীত সিবিলাকৰ বিৰুদ্ধে মুষ্টিবদ্ধ হাত তুলি নধৰাকৈ বাস কৰিবলৈ মই মান্তি নহওঁ ...... স্পেইন আৰু চীনত আজি একেখন যুদ্ধই চলিছে। মই চীনলৈ যাবলৈ ওলাইছোঁ; কাৰণ মই অনুভৱ কৰিছোঁ যে তাতেই মোৰ সেৱা আটাইতকৈ বেছি প্ৰয়োজনীয়।" চীনত তেওঁৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিব পাৰি হাজাৰ হাজাৰ মাইল পথ দুৰ্গম অঞ্চলৰ মাজেদি অতিক্ৰম কৰি চীনৰ জনগণৰ মৰম-চেনেহ আঁকোৱালি লৈ এক অতিমানৱীয় উদ্যমে চীনৰ জনগণৰ সেৱাকাৰ্য্যত আত্মনিয়োগ কৰিলে।

সমগ্ৰ চীনে নাম দিলে তেওঁক 'পাই চু-এন' অৰ্থাৎ ৰোগীৰ বাবে করুণাময় শ্ৰেষ্ঠব্যক্তিজন। সমগ্ৰ চীনত বেথ্যুন কালজয়ী বীৰ হৈ পৰিল। প্ৰথমে তেওঁ কাম আৰম্ভ কৰে ইয়েনানত। তেওঁৰ চেষ্টাতেই নতুন চীনৰ চালুকীয়া চিকিৎসা বিভাগবোৰ আধুনিক চিকিৎসা বিভাগলৈ ৰূপান্তৰিত কৰি সমগ্ৰ চিকিৎসা বিভাগটোকে তৎপৰ কৰি ক্ৰেইবাটাও চলন্ত চিকিৎসা বিভাগ গঠন কৰিলে আৰু মুক্ত অঞ্চলত এখন আদৰ্শ হস্পিটেল পাতিলে। ইমানতে তেওঁ ক্ষান্ত নাথাকিল। চিকিৎসা বিজ্ঞান সম্পৰ্কীয় বহুতো পাঠ্যপুথি লিখিলে। ডাক্তৰ আৰু নাৰ্চসকলৰ বাবে প্ৰশিক্ষণ শিবিৰ পাতি নিজেই তাত পাঠদান আৰম্ভ কৰিলে। ইমানবোৰ কামৰ ওপৰতো তেওঁ শোষিত বাইজৰ মুক্তিৰবাবে সংগ্ৰাম চলোৱা সহস্ৰ আহত সৈন্যৰ শুশ্ৰূষা কৰি গ'ল।" তেওঁ দৈনন্দিন অস্ত্ৰোপচাৰৰ কাৰ্য্যক্ৰমণিকা পূৰ্বাদমে চলাই নিছিল। দিনে-নিশাই তেওঁৰ আহত সৈনিকসকলক অস্ত্ৰোপচাৰ

কৰিছিল। চীনৰ জনসাধাৰণলৈ বেথ্যুনে আগবঢ়োৱা এনে বিৰাট সেৱাকাৰ্যাত চীনৰ জনসাধাৰণে উৎসাহ অনুপ্ৰেৰণা পাইছিল। তেওঁৰ সেৱাকাৰ্য্যত উদ্দীপ্ত হৈ চীনৰ সৈন্যসকলে যুদ্ধলৈ আগবাঢ়ি যাওঁতে এইবুলি চিঞৰিছিল—"আক্ৰমণ কৰাঁহক। বেথ্যুন আমাৰ লগতে আছে। আহত হলে তেওঁ আমাক চিকিৎসা কৰিব। তেওঁ আমাক শুশ্ৰূষা কৰিব।"

জনসাধাৰণৰ বাবেই জন্মে এইজন বেথ্যুন। জনসেৱাই হ'ল তেওঁৰ জীৱনৰ ব্ৰত। মৃত্যু বৰণ কৰিলে জনসেৱাতেই বীৰৰ দৰে। ছপেইত হোৱা এখন দুৰ্দ্ধৰ্ষ যুদ্ধত আহত হোৱা সৈনিকসকলক বেথুনে যুদ্ধক্ষেত্ৰতেই অস্ত্ৰোপচাৰ কৰিছিল। তেওঁ অস্ত্ৰোপচাৰ কৰি থকা অৱস্থাতে আদেশ আহিল সকলোকে স্থানান্তৰিত কৰাৰ; কিন্তু শেহৰজন আহত সৈনিকক অস্ত্ৰোপচাৰ নকৰালৈকে সেই ঠাই এৰিবলৈ ডাঃ বেথ্যুন মান্তি নহ'ল। হাতত গ্লোভ নিপিন্ধাকৈয়ে বেথ্যুনে অস্ত্ৰোপচাৰ কৰিছিল। ইপিনে শত্ৰুপক্ষ পাওঁ পাওঁ অৱস্থা। এনেতে বেথ্যুনৰ আঙুলি এটা কটা গ'ল। ফলত চেপ্টিচেমিয়া হৈ ১৯৩৯ চনৰ ১৩ নৱেম্বৰত এখনি চীনৰ সৰু গাঁৱত বেথ্যুনৰ মৃত্যু হ'ল। বেথ্যুনৰ জীৱনদীপ নুমাই গ'ল; কিন্তু নুমুৱা নাই বিশ্বৰ শোষিত জনগণৰ শোষণৰ বিৰুদ্ধে কৰা সংগ্ৰামৰ দীপশিখা, নুমাই যোৱা নাই বেথ্যুনৰ আন্তৰ্জাতিকতাবাদৰ ভাৱ-মানস। বিদেশী হৈও বেথ্যুনে চীনা জনগণৰ মুক্তিৰ কাৰ্য্যক নিজৰ বুলি ভাৱিছিল। এইটোৱেই হ'ল তেওঁৰ আন্তৰ্জাতিকতাবাদৰ ভাৱ-মানস। বেথ্যুনে নিজৰ প্ৰতি লেশমানো মনোযোগ নিদি আনৰ বাবে নিস্বাৰ্থভাৱে কাম কৰি গৈছে। তেওঁৰ এই ভাৱ-মানসে ইয়াকে অভিব্যক্ত কৰে যে তেওঁ কামৰ প্ৰতি অত্যন্ত দায়িত্বশীল আছিল আৰু লগতে জনগণৰ সতে অত্যন্ত সহৃদয় ব্যৱহাৰ কৰিছিল।

বেথ্যুনৰ এই আন্তৰ্জাতিকতাবাদৰ ভাৱ-মানসে এটা কথা সুন্দৰভাৱে প্ৰমাণ কৰি দেখুৱালে যে যিজন প্ৰকৃততে শোষিত বাইজৰ বন্ধু তেওঁৰ বাবে দেশ আৰু দেশৰ মাজত বা জাতি আৰু জাতিৰ মাজত কোনো কৃত্ৰিম ভৌগোলিক সীমা বিভাজনৰ অস্তিত্ব নাই আৰু থাকিবও নোৱাৰে। সমগ্ৰ বিশ্বখনেই তেওঁৰ বাবে এখন দেশ। বেথ্যুনে বিশ্বত ভৌগোলিক সীমা বিভাজনৰ অস্তিত্ব স্বীকাৰ নকৰি কানাডাৰপৰা আহি চীনৰ মুক্তিকামী জনসাধাৰণৰ সেৱাত নিজকে আত্মনিয়োগ কৰাৰ বাবেই বিশ্বৰ শোষিত জনগণৰ বন্ধু হ'ব পাৰিছিল। সেয়ে আজি তেওঁ মৰিও অমৰ। *

> গতিশীল সাহিত্যই জীৱন্ত সাহিত্য। বৰ্তমান যুগৰ সাহিত্যৰ অগ্ৰগতিৰ ফলাফল ভোগ কৰিব পৰৱৰ্তী পুৰুষসকলে; কিন্তু পূৰ্বৱৰ্তী যুগৰ সাৰ্থক সৃষ্টিৰ বিচাৰ আৰু প্ৰচাৰৰ দায়িত্ব বৰ্তমান পুৰুষৰ ওপৰত।
>
> —শ্ৰীকমলেশ্বৰ শৰ্মা

* (নৰ্মান বেথ্যুনৰ ওপৰত প্ৰকাশিত বিভিন্ন প্ৰবন্ধৰ সহায় লোৱা হৈছে।)

# শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভাৰ বিভাগীয় সম্পাদিকাৰ প্ৰতিবেদনঃ

১৯৭৬ চনৰ চেপ্তেম্বৰ মাহৰ ১৭।৯।৭৬ তাৰিখে শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ল। অধ্যক্ষ মহোদয়ৰ অনুবোধক্ৰমে সাধাৰণ সম্পাদিকাৰ বাবে প্ৰতিদ্বন্দী নোহোৱাৰ বাবে কাৰ্য্যভাৰ গ্ৰহণ কৰিলোঁ। এই সুবিধা দিয়াৰ বাবে অধ্যক্ষ মহোদয় আৰু আমাৰ ছাত্ৰী বান্ধৱীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

১৯৭৬ চনৰ নৱেম্বৰ মাহৰ ৪ তাৰিখে কাৰ্য্যভাৰ গ্ৰহণ কৰি কলেজৰ স্বাৰ্থৰ বাবে আৱশ্যকীয় সেৱা আগবঢ়াবলৈ আৰম্ভ কৰোঁ। মোৰ কাৰ্য্যকালৰ ভিতৰত যি সেৱা আগবঢ়ালোঁ তাক কিমানদূৰ শৃঙ্খলাবদ্ধ আৰু কৃতিত্বৰে আগবঢ়াব পাৰিলোঁ তাৰ বিচাৰ কৰিবৰ বাবে ছাত্ৰী বান্ধৱীসকলেই শ্ৰেষ্ঠ বিচাৰক; কিন্তু সকলো কাৰ্য্য সুচাৰুৰূপে চলাবৰ বাবে যৎপৰোনাস্তি চেষ্টাৰ ত্ৰুটী কৰা নাছিলোঁ।

## কলেজ সপ্তাহ দিৱসঃ

আমি আমাৰ কলেজৰ বাৰ্ষিক উৎসৱটি ডিচেম্বৰ মাহৰ ৮, ৯, ১০, ১১, ১২ তাৰিখে এটি বিশেষ আড়ম্বৰপূৰ্ণ আৰু জাকজমক পৰিৱেশত পালন কৰিলোঁ। এই উৎসৱটি ছাত্ৰীসকলৰ অতি হেঁপাহৰ তথা মৰমৰ। আমাৰ কাৰণে এটি আনন্দমুখৰ উৎসৱ আমাৰ কলেজৰ সীমিত পৰিৱেশৰ মাজত বিভিন্ন প্ৰতিযোগিতাত পুৰস্কাৰ অৰ্জন কৰাত ছাত্ৰী বান্ধৱীসকললৈ মোৰ ধন্যবাদ জ্ঞাপন কৰিলোঁ। এই উৎসৱৰ মুকলি সভাত অধ্যক্ষ বৰকটকীদেৱে সভাপতিত্ব কৰি পুৰস্কাৰ বিতৰণ কৰি দিয়াৰ বাবে কলেজৰ হৈ তেখেতলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

## সৰস্বতী পূজাঃ

ছাত্ৰী জীৱনৰ এটি অবিচ্ছেদ্য উৎসৱ সৰস্বতী পূজা। আন আন বছৰৰ দৰে এইবাৰো ২৪.১।৭৭ দিনা অতি আনন্দ আৰু উলহ-মালহেৰে আমাৰ কলেজৰ সৰস্বতী পূজা উদ্‌যাপন কৰা হয়।

## ছাত্ৰীসকলৰ পাৰদৰ্শিতাঃ

অতি সীমিত পৰিৱেশত শিক্ষা অৰ্জন কৰি আমাৰ কলেজৰ ছাত্ৰীয়ে বিশ্ববিদ্যালয়ৰ প্ৰাক্-স্নাতক্ পৰীক্ষাত প্ৰথম দহগৰাকীৰ ভিতৰত দুগৰাকীয়ে ক্ৰমে পঞ্চম আৰু অষ্টম স্থান অধিকাৰ কৰিছে। তদুপৰি স্নাতক্ চূড়ান্ত পৰীক্ষাত ক্ৰমে ইংৰাজী, অসমীয়া আৰু ৰাজনীতি বিজ্ঞান আদি বিষয়ত ভালেকেইগৰাকী ছোৱালীয়ে সন্মানেৰে (Honours) পাছ কৰি আমাৰ সুনাম অৰ্জন কৰিছে। আন্তঃক্ৰীড়া

প্ৰতিযোগিতাতো আমাৰ কলেজৰ ছাত্ৰীয়ে শ্ৰেষ্ঠ দল হিচাপে ট্ৰফি অৰ্জন কৰিছে।

আমাৰ অভাৱঃ

আমাৰ কলেজৰ ছাত্ৰীয়ে ভালেখিনি অভাৱ অসুবিধাৰ সম্মুখীন হৈ আহিছে বিভিন্ন দিশত। উদাহৰণস্বৰূপে—নামত ছাত্ৰী জিৰণি কোঠা। ছাত্ৰী সংখ্যাৰ তুলনাত ছাত্ৰীৰ জিৰণি কোঠাৰ পৰিসৰ অতি ঠেক। নামত ছাত্ৰী জিৰণি কোঠা আছে যদিও সিবিলাকৰ মান উন্নত কৰাৰ বাবে কৰ্তৃপক্ষই বৰ বেছি চেষ্টা কৰা নাই যেন লাগে। তদুপৰি খেল-পথাৰৰ অভাৱ আমাৰ কলেজৰ খেলুৱৈ ছাত্ৰীসকলে সদায়েই অনুভৱ কৰি আহিছে। উন্নত বীজৰ স'চ, বৈজ্ঞানিক প্ৰণালীৰে উদ্ভাৱিত সাৰ, খেতিৰ স'জুলি আদি থাকিলেও নিজাকৈ এডৰা মাটি নাপালে এইক্ষেত্ৰত সকলোবিলাক যিদৰে অৰ্থহীন হৈ পৰে সেইদৰে সহজে অনুশীলন কৰিব পৰা এখন নিজা খেল-পথাৰ নাপালে ছাত্ৰীৰ খেলুৱৈসুলভ মন-প্ৰতিভা, খেলৰ সা-সামগ্ৰী আদিও অসাৰ্থক হৈ পৰে। সেয়েহে এই দিশটোৰ প্ৰতি লক্ষ্য ৰাখি কলেজৰ কৰ্তৃপক্ষই কামত অগ্ৰসৰ হ'ব বুলি দৃষ্টি আকৰ্ষণ কৰা হ'ল। শিক্ষাৰ ক্ষেত্ৰতো আমাৰ বহুতো মেধাৱী ছাত্ৰীয়ে ভূগোল, অৰ্থবিজ্ঞানকে আদি কৰি বিষয়বোৰত সন্মান বিষয় নোহোৱাৰ বাবে আঁতৰলৈ যাব লগা হৈছে। সেই বিষয়কেইটাত সন্মান খুলি ছাত্ৰীসকলক যেন কৃতাৰ্থ কৰে এয়ে আশা।

শলাগৰ শৰাইঃ

